www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

ষষ্ঠ বছৰ ❐ সংখ্যা - ১৮৪ ❐ মঙ্গলবাৰ ❐ ২ ছেপ্তেম্বৰ, ২০২৫ চন ❐ ১৬ ভাদ্ৰ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 184 ❐ Tuesday ❐ 2nd September, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সাংস্কৃতিক দৃষ্টিভংগীৰ অবিহনে এজন ব্যক্তি কেতিয়াও সুখী হ'ব নোৱাৰে। — শীলভদ্ৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ

ভাৰতত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ সম্মিলনলৈ জিনপিঙক আমন্ত্ৰণ মোদীৰ

চীনৰ ৰাষ্ট্ৰপতিৰে দ্বিপাক্ষিক বৈঠক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

অনলাইন ডেস্ক, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেওবাৰে চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙক ২০২৬ চনত ভাৰতে আয়োজন কৰিবলগীয়া ব্ৰিকছ সম্মিলনলৈ আমন্ত্ৰণ জনাইছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি জিনপিঙে এই আমন্ত্ৰণৰ বাবে প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ভাৰতৰ ব্ৰিকছ অধ্যক্ষতাৰ প্ৰতি চীনৰ ▸▸৬ পৃষ্ঠাত

দুয়োখন ৰাষ্ট্ৰই সদায় কঠিন পৰিস্থিতিতো একেলগে থিয় দি আহিছে ঃ প্ৰধানমন্ত্ৰী মোদী

মোদী-পুটিনৰ দ্বিপাক্ষিক বৈঠক; বিশ্ব ৰাজনীতিত নতুন সমীকৰণ

ডিজিটেল সংবাদ, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ চীনৰ টিয়ানজিন চহৰত অনুষ্ঠিত হৈ থকা ছাংহাই সহযোগিতা সংস্থাৰ (এছ চি অ') বাৰ্ষিক শীৰ্ষ সম্মিলনৰ সময়তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ মাজত এক গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হৈছে। এই সাক্ষাতৰ পটভূমিত ▸▸৬ পৃষ্ঠাত

গোৱালপাৰাৰ বদৰুদ্দিন আজমলৰ বাসগৃহত মেহমুদ মাদানি

জমিয়ত উলেমা-ই-হিন্দৰ দলীয় প্ৰতিনিধিৰ অসমত গোপন প্ৰৱেশ

নিউজ ডেস্ক, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ অসমৰ গোৱালপাৰা জিলাত সংবেদনশীল পৰিস্থিতিৰ মাজতে জমিয়ত উলেমা-ই-হিন্দৰ এক সাতজনীয়া প্ৰতিনিধি দলে গোপনে প্ৰৱেশ কৰাৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই দলটোৰ নেতৃত্বত আছে সংগঠনটোৰ অধ্যক্ষ মৌলানা মেহমুদ মাদানী। সমাগত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বি টি আৰ) নিৰ্বাচনক লৈ জিলাখনৰ পৰিস্থিতি অতি স্পৰ্শকাতৰ হৈ পৰাৰ পটভূমিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰৱেশক লৈ কঠোৰ সতৰ্কবাণী জাৰি কৰিছে। তেওঁৰ মতে, ৰাজ্য চৰকাৰে শান্তি আৰু স্থিৰতা ৰজাই ৰখাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক ▸▸৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ সতৰ্কবাণী আৰু নিৰীক্ষণৰ নিৰ্দেশ

মেৰাপানীত নাগালেণ্ডৰ ১১ ভিলেজ কাউন্সিলৰ অসমীয়াৰ প্ৰৱেশ নিষিদ্ধ জাননী প্ৰত্যাহাৰ

অসম বার্তা, মেৰাপানী, ২ ছেপ্তেম্বৰ ঃ অসম-নাগালেণ্ডৰ মেৰাপানী সীমান্তৰত শেহতীয়াকৈ যোৱা ২৩ আগষ্টত ভাণ্ডাৰী মহকুমাৰ অন্তৰ্গত ১১খন ভিলেজ কাউন্সিলে সীমান্তৰতী অসমীয়া গাঁৱৰ বাসিন্দাৰ প্ৰৱেশ নিষিদ্ধ আৰু পঞ্চাশ হাজাৰ টকা জৰিমনা ভৰাৰ যি জাননী পত্ৰ প্ৰেৰণ কৰিছিল উক্ত জাননী পত্ৰ আজি ১১ ভিলেজ কাউন্সিলে ▸▸৬ পৃষ্ঠাত

কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু বিহাৰৰ লগতে অসমতো ভোট চুৰিৰ ঘটনা পোহৰলৈ আহিছে ঃ জীতেন্দ্ৰ সিঙে

কৰিমগঞ্জ আসনত লোকসভা নিৰ্বাচনত পুনৰ ভোট চুৰিৰ অভিযোগ কংগ্ৰেছৰ

অজন্তা নেওগৰ পুত্তলিকা দাহ

মেৰাপানীত নাগাৰ আগ্ৰাসনৰ বিৰুদ্ধে কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ গোলাঘাট জিলাৰ মেৰাপানী সীমান্ত অঞ্চলত নাগাৰ আগ্ৰাসন ▸▸৬ পৃষ্ঠাত

পুনৰ মুকলি হ'ল শিলচৰ-শিলং-গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথ

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ মেঘালয়ৰ ই'ষ্ট জয়ন্তীয়া হিলছ জিলাৰ ৰাতাছেৱা অঞ্চলত দেওবাৰে ▸▸৬ পৃষ্ঠাত

জাননী

'অসম বার্তা'ৰ আগষ্ট মাহৰ ৰেজি লেখা হিচাপে নমেশ চন্দ্ৰ বৰকটকীৰ 'অসমৰ ছদ্মনামৰ আত্মজীবনীখনৰ পৰা সুবিধাবাদৰে' লেখাটো নিগাঁচ কৰা হৈছে। লেখক-গবেষক কৰ্মকৰ্তাক সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ।

— অসম বার্তা —

নেশনেল ডেস্ক, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ বিহাৰত ভোটাৰ তালিকা পুনৰীক্ষণৰ বিতৰ্কৰ পিছত কংগ্ৰেছ দল সতৰ্ক হৈ উঠিছে। অসমত অতি সোনকালে আৰম্ভ হ'বলগীয়া একেখণৰণ প্ৰক্ৰিয়াত কোনো ধৰণৰ অনিয়ম যাতে নঘটে, সেই বাবে দলটোৱে দুচ সিদ্ধান্ত লৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ এই ▸▸৬ পৃষ্ঠাত

খাম্পা বৰ বেয়াকৈ হাৰিবঃ হাগ্ৰামা

যুদ্ধক্ষেত্ৰত হাগ্ৰামা মহিলাৰী, খাম্পাৰ প্ৰতিদ্বন্দ্বী হাগ্ৰামা

নিউজ ডেস্ক, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ কোকৰাঝাৰত অহা ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া বডো টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি) নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন ঘোষণাৰ পিছতে ▸▸৬ পৃষ্ঠাত

মুছলমানসকলক লক্ষ্য কৰি লোৱাৰ অভিযোগ, মুখ্য ন্যায়াধীশৰ হস্তক্ষেপৰ দাবী

উচ্ছেদ অভিযানক লৈ জমিয়ত উলেমা-ই-হিন্দৰ তীব্ৰ প্ৰতিবাদ

উচ্ছেদ অভিযানক 'অবৈধ' আৰু 'সংবিধানৰ লঙঘন' বুলি অভিহিত

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২ ছেপ্তেম্বৰ ঃ জমিয়ত উলেমা-ই-হিন্দে অসমত চলি থকা উচ্ছেদ অভিযানক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ধৰ্মৰ ভিত্তিত মূলমান সম্প্ৰদায়ক লক্ষ্য কৰাৰ অভিযোগ উত্থাপন কৰিছে। সংগঠনটোৰ সভাপতি মৌলানা আৰ্দাদ মাদানীৰ নেতৃত্বত অনুষ্ঠিত এক বৈঠকত এই অভিযানক "অবৈধ" আৰু "সংবিধানৰ লঙঘন" বুলি অভিহিত কৰা হৈছে। জমিয়তে ভাৰতৰ মুখ ▸▸৬ পৃষ্ঠাত

গোচৰ দাখিল কংগ্ৰেছ কৰ্মীৰ

গুৱাহাটীৰ ৰাজীৰ ভৱনত বিজেপি কৰ্মীৰ ক্ষতি

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২ ছেপ্তেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (এপিচিচি) মুখ্য কাৰ্যালয় গুৱাহাটীৰ ৰাজীৰ ভৱনত ভাৰতীয় জনতা পাৰ্টীৰ (বিজেপি) কিছু নেতা-কৰ্মীৰ দ্বাৰা সম্পত্তি ক্ষতিগ্ৰস্ত কৰাৰ ঘটনাৰ বিৰুদ্ধে সোমবাৰে ভঙাগড় আৰক্ষী থানাত ▸▸৬ পৃষ্ঠাত

ৰাজনৈতিক দলৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলনৰ পৰিবৰ্তে হিংসাত্মক কাৰ্যকলাপ চলোৱাটো গণতন্ত্ৰৰ প্ৰতি ভাবুকি ঃ প্ৰদ্যুৎ ভুঞা

৭০০ কোটি টকাৰ এক বৃহৎ উৰণীয়া সেতু প্ৰকল্পৰ ঘোষণা

শিলচৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতাজী আৰু মংগল পাণ্ডেৰ প্ৰতিমূৰ্তি উন্মোচন

ষ্টাফ ৰিপ'টাৰ, শিলচৰ, ২ ছেপ্তেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিলচৰ ভ্ৰমণৰ সময়ত পৰম্পৰা আৰু উন্নয়নৰ মধুৰ সংমিশ্ৰণৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰি নেতাজী সুভাষ চন্দ্ৰ বসু আৰু শ্বহীদ মংগল পাণ্ডেৰ দু'টা প্ৰতিমূৰ্তি উন্মোচন ▸▸৬ পৃষ্ঠাত

বিজনীত ওঠৰজন প্ৰাৰ্থীৰ মনোনয়ন দাখিল

ইউপিপিএলৰ প্ৰাৰ্থীক সংগ সাংসদ জয়ন্ত বসুমতাৰীৰ

অসম বার্তা, বিজনী, ২ ছেপ্তেম্বৰ ঃ বিটিচি নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ সোমবাৰে চিনাং জিলাৰ বিজনী মহকুমা-ধিপতিৰ ▸▸৬ পৃষ্ঠাত

আফগানিস্তানত ভয়াৱহ ভূমিকম্প; আঠশ লোকৰ মৃত্যু, উদ্ধাৰ অব্যাহত

ধ্বংসলীলাৰ মূল কাৰণ হিচাপে ভূতৃকৰ ফল্ট লাইনৰ স্থানান্তৰ চিনাক্ত

অনলাইন ডেস্ক, অসম বার্তা, ২ ছেপ্তেম্বৰ ঃ আফগানিস্তানত দেওবাৰে নিশা এক ভয়ংকৰ ভূমিকম্পই দেশখনক জোকাৰি যায়। স্থানীয় সময় অনুসৰি ৰাতি প্ৰায় ১১: ৪৭ বজাত সংঘটিত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৬.০। জালালাবাদ চহৰৰ পৰা ২৭ কিলোমিটাৰ দূৰত্বত অবস্থিত ▸▸৬ পৃষ্ঠাত

নগাঁৰত হস্ততাঁত আৰু হস্তশিল্প খণ্ডক সমৃদ্ধ কৰাৰ উদ্দেশ্যেৰে ক্ষেত্ৰ পৰ্য্যায়ত মত বিনিময়ৰ কৰ্মশালা

অসম বার্তা, নগাঁও, ৩১ আগষ্ট ঃ নগাঁও জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, নগাঁৰৰ উদ্যোগত আৰু অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড আৰু উত্তৰপূৰ্বাঞ্চল হস্ততাঁত আৰু হস্তকলা উন্নয়ন নিগমৰ সহযোগিতাত বিশ্ব বেংকৰ সহায়ত চলি থকা "RAMP" (Raising and Accelerating MSME Performance) কাৰ্যসূচীৰ অধীনত নগাঁও খুহীদ ভৱনত আজি কাৰিকৰী বিশেষজ্ঞৰে ক্ষেত্ৰ পৰ্য্যায়ত মত বিনিময়ৰ এদিনীয়া এখনি কৰ্মশালা অনুষ্ঠিত হয়। এই এদিনীয়া কৰ্মশালা খনিত জিলা আয়ুক্ত দেৱাশিস শর্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৰ্মশালাখনিৰ শুভ উদ্বোধন কৰে। উদ্বোধনী ভাষণত জিলা আয়ুক্ত গাৰাকীয়ে মুম্বাইৰ লিজ্হুত পাপৰ উদ্যোগৰ কফালৰ কথা উল্লেখ কৰি কয় যে, আমি সকলোৱেই সপোন দেখাটো অতি প্ৰয়োজনীয়। লগতে আমি সকলোৱে নিজৰ ব্যবসায়ৰ বাৰ্ষিক মূল্যায়ন কৰি নিজৰ উৎপাদিত সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত বৰ্তমান যুগৰ আধুনিক প্ৰযুক্তিৰ ব্যবহাৰ আৰু চৰকাৰী সা-সুবিধা গ্ৰহণ কৰি ব্যবসায়ৰ উন্নতিত মনোযোগ দিব লাগিব। আগষ্ট মাহত গাৰাকীয়ে উদ্যোগী সকলক নিজৰ উৎপাদিত সামগ্ৰীত নতুনত্ব আৰু সুন্দৰতা আনি সামগ্ৰী সমূহৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰাত মনোনিবেশ কৰাৰ লগতে আজিৰ এই প্ৰশিক্ষণৰ পৰা আয়ত্ত কৰা কাৰিকৰী জ্ঞান সমূহ নিজৰ কৰ্মক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। এই কৰ্মশালাখনিৰ লগত সংগতি বাখি জিলা খুহীদ ভৱনৰ প্ৰাংগণত আয়োজিত হস্ত নিৰ্মিত শিল্পৰ প্ৰদৰ্শনীখন জিলা আয়ুক্তই পৰিদৰ্শন কৰি উদ্যোগী সকলৰ সৈতে মত বিনিময় কৰে। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, নগাঁৰৰ যোগদান ডেকাজড়ই অঁত ধৰা আজিৰ এই কৰ্মশালাখনিত আদৰণী ভাষণ আগবঢ়াই উত্তৰপূৰ্বাঞ্চল হস্ততাঁত

আৰু হস্তকলা উন্নয়ন নিগমৰ বিষয়া প্ৰতীম নাথে। নগাঁও জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰধান পৰিচালক প্ৰাঞ্জল ৰাজমেধিয়ে কৰ্মশালাটিৰ উদ্দেশ্য ব্যাখ্যা কৰি এই কৰ্মশালাটিৰ গুৰুত্ব আৰু লক্ষ্যৰ ওপৰত আলোক পাত কৰে। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ অবসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক গীনেন চৰকাৰ, EDDI ৰ অবসৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল ৰাজখোৱা আৰু উত্তৰপূৰ্বাঞ্চল হস্ততাঁত আৰু হস্তকলা উন্নয়ন নিগমৰ বিষয়া শ্বাৰিফ ভুছেইনে "Make in Assam", ODOP আৰু GI Tagging ৰ দৰে চৰকাৰী উদ্যোগৰ প্ৰাসংগিকতা বিষয়ে অৱগত কৰাৰ লগতে উদ্যোগী সকলক ONDC, Gem, Amazon, Flipkart আদি ডিজিটেল প্লেটফৰ্ম ব্যবহাৰ আদি বিভিন্ন বিষয়ৰ ওপৰত বিস্তৃতভাবে বক্তব্য আগবঢ়াই। আজিৰ এই কৰ্মশালাখনত জিলাখনৰ ১২০ গৰাকীৰো অধিক উদ্যোগীয়ে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী সকলক উৎপাদন, নক্সা, ব্ৰেডিং, পেকেজিং, গুণগত মান উন্নয়ন, ডিজিটেল বিপনন আৰু ই-কমার্চ বিভাগৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাৰ শেষত অসম বাজিক উন্নয়ন নিগম (অন্যান্য পিছপৰা শ্ৰেণী) ৰ উপাধ্যক্ষ অভিজিত নাথে প্ৰশিক্ষাৰ্থী সকলক মানপত্ৰ সমূহ প্ৰদান কৰে। আজিৰ এই কৰ্মশালাখনিত অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেডৰ বিষয়া য়েচমিন লস্কৰ, জিলা তথা আঞ্চ জনসংযোগ বিষয়া মন্দিৰা চায়েঙীয়া, জিলা হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালক বি পুল চন্দ্ৰ দাস আৰু জিলা হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উপ হস্ততাঁত বিষয়া প্ৰশান্ত ৰংপী, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সম্প্ৰসাৰণ বিষয়া হাছান মেহদুদকে প্ৰমুখ্য কৰি জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে।

মৰিগাঁৰৰ কৃষকে পৰীক্ষামূলকভাৱে কৰিলে খেতি

সকলো ঋতুতে চজিনাৰ গছে দিব ফল

অসম বার্ত্তা, লাহৰীঘাট, ৩১ আগষ্ট ঃ মৰিগাঁও জিলা কৃষি বিভাগৰ তত্বাবধানত পৰীক্ষামূলকভাৱে সকলো ঋতুতে চজিনা গছে চজিনা ফল দিয়াৰ এক প্ৰক্ৰিয়া সফলভাৱে সমাপন কৰিছে। বিশেষকৈ অসমৰ কৃষি ক্ষেত্ৰত এই প্ৰক্ৰিয়াৰদ্বাৰা কৃষকসকলক উৎসাহিত কৰাই নহয়, নতুন সম্ভাবনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগযোগ্য অগ্ৰগতিৰ অংশ হিচাপে ODC-3 (Odisha Drumstick clone-3) জাতৰ সকলো ঋতুতে ফল দিয়া চজিনাৰ খেতি আৰম্ভ কৰিছিল। চজিনা অসমৰ ঋতুভিত্তিকভাবে ডাঙৰ গছত উৎপন্ন হয় আৰু ইয়াৰ উৎপাদন একেবাৰে সীমিত। কিন্তু কেৰাণৰ ত্ৰিশ্বৰত সকলো ঋতুতে ফল দিয়া চজিনা খেতি প্ৰত্যক্ষ কৰি অনুপ্ৰাণিত হৈ মৰিগাঁও জিলাৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া মুচাহিদ ফাৰুকীয়ে জিলাতো সেই সকলো ঋতুতে ফল দিয়া চজিনা জাতৰ খেতি কৰাৰ মন মেলে। জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ফাৰুকীয়ে ODC-3 জাতক উপযোগী জাতৰ চজিনা বুলি চিনাক্ত কৰি মিৰিবেটচী কৃষি চক্ৰৰ অন্তৰ্গত হাৰিবৰণ্ডাবাৰীৰ তামোলীবাড়ী গাঁৱৰ কৃষক বাজুমণি ভূঞাক বীজ প্ৰদান কৰে। প্ৰথম বছৰত খেতিডবাত পানী জমা হোৱাত কেইবাজোপা গছ মৰি যায় আৰু জীয়াই থকাবোৰতো ফুল-ফল কমকৈ লাগে। কিন্তু এইবাৰ চজিনা গছবোৰক যথেষ্ট পৰিমাণৰ ফুল আৰু ফল ধৰাত এক সমৃদ্ধ উৎপাদন হোৱা পৰিলক্ষিত হৈছে। ODC-3 এই জাতৰ চজিনাৰ উৎপাদন ক্ষমতা অত্যধিক। এই জাতৰ চজিনা গছে বছৰি গড়ে ২৫টা ফল দিয়ে আৰু ব্যবসায়িক বা বৃহৎ পৰিসৰত খেতি কৰিলে প্ৰতি হেক্টৰত ৪০-৫০ টন পৰ্যন্ত উৎপাদন হোৱাৰ সম্ভাবনা আছে। প্ৰতিডাল চজিনাৰ ওজন ১৫০ গ্ৰাম পৰা ২০০ গ্ৰাম পৰ্যন্ত হয় আৰু দীঘল ৪৫ চেণ্টিমিটাৰলৈ হোৱা দেখা যায়। তদুপৰি ইয়াৰ ঔষধি গুণ, পুষ্টিগুণ আৰু বজাৰত ইয়াৰ স্থায়ী আৱশ্যকতাৰ বাবে চজিনাক বাজাৰ কৃষিক্ষেত্ৰত আশাপ্ৰদ ফল হিচাপে প্ৰতিষ্ঠা কৰিছে। এই সন্দৰ্ভত জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া মুছাহিদ ফাৰুকীয়ে কয় যে মই অসমত কঁতো সকলো ঋতুতে ফল দিয়া চজিনাৰ জাত এতিয়ালৈকে দেখা নাই। মৰিগাঁওত লাভ কৰা এই সফলতাই প্ৰমাণ কৰে যে ইয়াক বাজাৰ অনান্য অংশপ্ৰচলন কৰিব পাৰি। ইয়াৰ জৰিয়তে কৃষকে নতুন আয়ৰ সুযোগ পাব আৰু পুষ্টি সুৰক্ষা নিশ্চিত হ'ব। ইফালে, বাজুমণি ভূঞাই কয়, 'এইবছৰ গছবোৰত অবিবামভাবে ফুল-ফল ধৰিছে। উৎপাদন আশা ৰখাতকৈ অধিক হৈছে আৰু মই নিশ্চিত যে বুহৎ পৰিসৰত এই খেতি কৰিলে ভাল আয় কৰিব পাৰিম। লগতে তেওঁক এই কৃষিকাৰ্যত জড়িত হ'বলৈ উৎসাহিত কৰা আৰু সুযোগ দিয়াৰ বাবে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া মুছহিদ ফাৰুকীৰ শলাগ লয়। তাৎপৰ্যপূৰ্ণ বিষয় যে সকলো ঋতুতে উপলব্ধ হ'ব লগীয়া নতুন জাতৰ চজিনাইকৃষকৰ মাজত এক নবজাগৰণ সৃষ্টি কৰাব সম্ভাবনা আছে।

কিশোৰীৰ সামাজিক সমস্যা সন্দর্ভত সজাগতা সভা সম্পন্ন

ডিমৌত মাদক দ্ৰব্য সেৱন বিৰোধী অভিযান, বাল্য বিবাহ আৰু গর্ভৱতী

অসম বার্তা, ডিমৌ, ৩১ আগষ্ট ঃ শিৰসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত, ডিমৌ মহকুমা শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ পৃষ্ঠপোষকতাত তথা স্বাস্থ্য বিভাগ, জিলা শিশু সুৰক্ষা বিষয়ৰ কাৰ্যালয় আৰু জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত মাদক দ্ৰব্য সেৱন বিৰোধী অভিযান, বাল্য বিবাহ আৰু গর্ভৱতী কিশোৰীৰ সামাজিক সমস্যা সন্দর্ভত আজি শিৰসাগৰ জিলাৰ ডিমৌ স্থিত জ্যোতি-বিণ্ডং সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত এক সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি অতিৰিক্ত জিলা আয়ুক্ত (সমাজ কল্যাণ) লুকুমণি বড়ুহে তেওঁৰ বক্তব্যত গর্ভৱতী তথা প্ৰসূতি মাতৃৰ লগতে শিশুৰ বাবে স্বাস্থ্য তথা চিকিৎসা সেৱাৰ লগতে পৰিপুষ্টিৰ প্ৰয়োজনীয়তা সম্পর্কে সজাগ-সচেতন থকাটো নিতান্তই অপৰিহার্য বুলি উল্লেখ কৰে। গর্ভৱতী মহিলাৰ বাবে প্ৰয়োজনীয় পুষ্টিকৰ খাদ্যাভাস, স্বাস্থ্যৰ যতন তথা নিয়মীয়া স্বাস্থ্য পৰীক্ষা সম্পর্কে তৃণমূল পর্যায়ত অসকমিসকলক সজাগতা বৃদ্ধিৰ পদক্ষেপ অব্যাহত ৰাখিবলৈও তেওঁ বাল্য বিবাহ আৰু কিশোৰী অবস্থাত গর্ভাবস্থাৰ ভয়াবহতাৰ বিষয়েও অবগত কৰে। আনহাতে সমাজত বৰ্ত্তি থাকোঁতে বা অন্যান্য মাদক দ্ৰব্য সেৱনৰ প্ৰাদুর্ভাৰ দুৰীকৰণৰ দিশতো সকলোকে আগবাঢ়ি আহিবলৈ তেওঁ উসাহিত কৰে। আজিৰ অনুষ্ঠানত আদৰণি বক্তব্য আগবঢ়ায় ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তথা সহকাৰী আয়ুক্ত কে. এন. চন্দনা জাহ্নবীয়ে। আজিৰ অনুষ্ঠানত আলোচ্য বিষয়বস্তুসমূহৰ আধাৰত নির্মিত কেইখাননা দৃশ্য-শ্ৰাব্য প্ৰস্তুতি পৰিবেশন কৰা হয়। বিভিন্ন বিভাগৰ আমন্ত্রিত সমল ব্যক্তিসকলে আজিৰ সজাগতা সভাত আলোচ্য বিষয়সমূহৰ ওপৰত অভিজ্ঞতাপুষ্ট অবলোকন দাঙি ধৰে। আনহাতে অনুষ্ঠানৰ অংশগ্ৰহণকাৰী কেইবাগৰাকী আশাকৰ্মী, অংগনবাড়ী কৰ্মী, কৃষিসখীয়ে কর্মক্ষেত্ৰত অৰ্জন কৰা নিজ নিজ অভিজ্ঞতা তথা ভাব ব্যক্ত কৰে। লগতে স্থানীয় চিকিৎসক আৰু চিকিৎসাকৰ্মী সকলৰ সহযোগিতাত এখনি বিনামূলীয়া স্বাস্থ্য পৰীক্ষণ শিবিৰবো আয়োজন কৰা হয়। আজিৰ অনুষ্ঠানত ডিমৌ সম-জিলাৰ সহকাৰী আয়ুক্ত পৰিষ্যতা দিহিঙীয়া, ডিমৌ পৌৰসভাৰ কাৰ্যবাহী বিষয়া মৃদুজ্ঞা ফুকন, জিলা শিশু সুৰক্ষা বিষয়া ডাঃ বিকাশ বঞ্জন কৌৰৰ, ডিমৌ আৰক্ষী চকীৰ ভাৰপাপ্ত বিষয়া বিদ্যুৎ চিংফু, ডিমৌ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উদয় দত্ত, অসম বাজিক প্ৰামীণ জীৰিকা অভিযান, ডিমৌৰ খণ্ড প্ৰকল্প প্ৰবন্ধক মনোজ বৰুৱা, ডিমৌ আদর্শ চিকিৎসালয়ৰ উ প-অধীক্ষক ডাঃ ৰূপম বৰকাকতি, ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ বিজিত বড়া প্ৰমুখ্যে বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, স্থানীয় ছাত্ৰ সংগঠনৰ প্ৰতিনিধি বৰ্গ, সংবাদসেৱী, আশাকৰ্মী, অংগনবাড়ী কৰ্মী, কৃষিসখী, জীবিকা সখী, গর্ভৱতী মহিলা আৰু গৰিষ্ঠসংখ্যক স্থানীয় বাইজ উপস্থিত থাকে।

ভূত বাংলালৈ পৰিণত কৃষি বিভাগৰ কার্যালয়

কচুৰাত কৃষি বিভাগৰ কার্যালয়ৰ দুৰৱস্থা

অসম বার্তা, কচুৰা, ৩১ আগষ্ট ঃ নগাঁও জিলাৰ কচুৰা বজাৰৰ মাজমজিয়াত থকা এখন কৃষি বিভাগৰ কার্যালয় জৰাজীর্ণ ৰূপ দেখিবলৈ পোৱা যায়। নগাঁও জিলাৰ কৃষি বিভাগৰ অন্তর্গত চৰকাৰী ফফক লাগি থকা কচুৰা বজাৰৰ ৩৬০ নং কৃষি বিভাগীয় কার্যালয়ৰ পৰা এটা সময়ত নিচুকুৱা হৈছিল কচুৰা অঞ্চলৰ কৃষকৰ সমস্যাবোৰ। কিন্তু বাই জৰ অভিযোগ অনুসৰি বিগত দহৰ - পোন্ধৰ বছৰে এই কার্যালয়টোলৈ কোনো কর্মচাৰী অহা নাই। যাৰ বাবে কার্যালয়টো ভূত বাংলা আৰু ডাক্তৰীবিনলৈ পৰিবর্তন হৈছে। ঘৰটোৰ চৌহদ হাবি জংঘলবে চানি ধৰাৰ লগতে ঘৰটোৰ বাৰাণ্ডাত দম দম জাৰবে আগুৰি ধৰিছে। বাইজৰ দাবী এই কৃষি বিভাগৰ কার্যালয়টো চৰকাৰী কার্যালয় হিচাপে গুচি তোলক।

জুইত ভস্মীভূত ধান-মৰাপাট, গুৰুত্বপূর্ণ নথিপত্ৰ

ৰূপহীহাটৰ ফুটালজাৰত ভয়ংকৰ অগ্নিকাণ্ড

অসম বার্তা, ৰূপহীহাট, ৩১ আগষ্ট ঃ ৰূপহীহাটৰ ফুটালজাৰত আজি দিনৰ ভাগত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ফুটালজাৰৰ আদুল ছাত্ৰাবাৰ ঘৰত সংঘটিত হয় এই অগ্নিকাণ্ডৰ ঘটনা। আজি দিনৰ ভাগত হঠাৎ আদুল ছাত্ৰাবাৰ ঘৰত দাউ দাউ কৈ জ্বলি উঠিছিল জুই। স্থানীয় বাইজৰ তৎপৰতাত জুই নুমাবলৈ সক্ষম হয় যদিও ছাত্ৰাবাৰ ঘৰৰ বাল, মৰাপাট আৰু গুৰুত্বপূর্ণ নথি পত্ৰ জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

ডুমডুমা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৰস উদ্‌যাপন

ষ্টাফ ৰিপৰ্টাৰ, তিনিকুৰীয়া, ৩১ আগষ্ট ঃ সমগ্ৰ ভাৰতবর্ষত হকীৰ যাদুকৰ মেজৰ ধ্যানচান্দৰ জন্ম দিবস ২৯ আগষ্ট তাৰিখটো 'ৰাষ্ট্ৰীয় ক্ৰীড়া দিবস' হিচাপে উদযাপন কৰা হয়। সেই উপলক্ষে ডুমডুমা মহাবিদ্যালয়ত কালি আভাস্তৰীন মান নিশ্চিতকৰণ কোষ, মহাবিদ্যালয়ৰ ক্ৰীড়াবর্ড, বহিঃ ক্ৰীড়া বিভাগ, লঘু ক্ৰীড়া বিভাগ, ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সহযোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিবস' উদ্‌যাপন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কামলেশ্বৰ কলিতাই মেজৰ ধ্যানচান্দৰ প্ৰতিচ্ছবিত সমৃদ্ধত বৰ্ষিপ্ৰজ্বলন কৰি অনুষ্ঠানটো শুভাৰম্ভ কৰে। ভাৰতবর্ষক একেবাহে তিনিবাৰ অলিম্পিক চেম্পিয়ান হোৱাত মেজৰ ধ্যানচান্দৰ অৰিহণাৰ কথা ড° কলিতাই তেখেতৰ বক্তব্যত উল্লেখ কৰে। মহাবিদ্যালয়ৰ ক্ৰীড়া বর্ডৰ আয়ুষক বাতুল গগৈয়ে অনুষ্ঠানটোৰ অঁত ধৰাৰ লগতে উদেশ্য ব্যাখ্যাও কৰে। অসম চৰকাৰৰ জিলা ক্ৰীড়া বিষয়া কার্যালয়ৰ অবসৰপ্ৰাপ্ত শাৰীৰিক নির্দেশক ৰাজেন নৰহে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। তেখেতে বক্তব্যত ছাত্ৰ ছাত্ৰীয়ে পঢ়িব পৰা ক্ৰীড়া সমন্ধীয় বিভিন্ন কৰ্ছব বিষয়ে অৱগত কৰাব লগতে চৰকাৰৰ ঘাবা আগবঢ়োৱা বিভিন্ন স্কলাৰশিপ, চাকৰি আদিৰ ওপৰত আলোকপাত কৰে। দিবসটোৰ লগত সংগতি বাখি ছাত্ৰ ছাত্ৰীসকলৰ মাজত এখন পাঞ্জা খেল অনুষ্ঠিত কৰা হয়। অতি ৰোমাঞ্চকৰ উদ্বোধনী খেলখনত অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই সহকাৰী অধ্যাপক দ্বিজেন শর্মাক পৰাজিত কৰে। খেলখন পৰিচালনা কৰে বহিঃ ক্ৰীড়া বিভাগৰ তত্বাবধায়ক ইজেণ্ডালাকৰে জেমে, লঘু ক্ৰীড়া বিভাগৰ তত্বাবধায়ক পৰীক্ষিত নাথ আৰু ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনীৰ ANO মেজৰ ডাঃ ৰুমী খালেডে। এই কার্যসূচীত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী গায়ত্ৰী দেবি মহন্ত, দ্বিজেন শর্মা, মিন্টু উপাধ্যায়, হিৰণ বৈশ্য দত্ত, ড° প্ৰাণজিত শইকীয়া, ড° অঞ্জন শইকীয়া, ড° আৰুল জলিল চৌধুৰীৰ লগতে প্ৰায় ২০০ গৰাকী শিক্ষার্থী উপস্থিত থাকে। ছোৱালীৰ শাখাত বি. এ. ৩য় বাষ্মাসিকৰ প্ৰিয়ঙ্কা ডেকা ড্ৰিল্‌চেম্পিয়ন আৰু বি. কম. ৩য় বাষ্মাসিকৰ ৰুমি বিভাৰ বাগাৰ্ড আপ হয়। ল'ৰাৰ শাখাত বি. এ. ৫ম বাষ্মাসিকৰ উকীপু নেওগ ছেম্পিয়ন আৰু উমা, ১ম বাৰ্ষিকৰ মোহিত কুমাৰ শাহ বাগার্ড আপ হয়। বিজয়ী প্ৰতিযোগী সকলক ট্ৰফী প্ৰদান কৰা হয়।

আমগুৰিত সমাজ কল্যাণ বিভাগৰ শ্লগান লিখা প্ৰতিযোগিতা আৰু সজাগতা সভা সম্পন্ন

অসম বার্তা, আমগুৰি/ ষ্টাফ ৰিপৰ্টাৰ, শিৰসাগৰ, ৩১ আগষ্ট ঃ অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ৰ নির্দেশ মর্মে আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আৰু আমগুৰি মহাবিদ্যালয়ৰ সহযোগত আজি মহাবিদ্যালয়ত সাম্পত্তিক সময়ৰ দুটা গুৰুত্বপূর্ণ বিষয় "বেটি বাচাও, বেটি পঢ়াও" আৰু "নিচামুক্ত ভাৰত অভিযান" বিষয়ত এখনি সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত উপবোক্ত বিষয় দুটাৰ ওপৰত মহাবিদ্যালয় খনৰ একাদশ আৰু দ্বাদশ শ্রেণীৰ শিক্ষার্থী সকলৰ মাজত এখন শ্লোগান লিখা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানটোত আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈ, আমগুৰি আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নীহাৰিকা দুৱৰা; আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰীতিশা কলিতা, মুখ্য সেৰিকা ৰীণা কলিতা, হেমাশ্ৰী শইকীয়া, ৰেখামণি ফুকন, পলি গগৈ, আৰু আজিজ আহমেদ উপস্থিত থাকে। আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেৰিকা ছাজিদা বেগমে আঁতৰধ্বনি আৰু সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰীতিশা কলিতাই উদেশ্যে ব্যাখ্যা কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, আৰু শিক্ষার্থী সকল উপস্থিত থাকে। শ্লোগান লিখন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰাচী প্ৰিয়দর্শিকা গগৈয়ে প্ৰথম স্থান, কাবেৰী হাজৰিকাই দ্বিতীয় আৰু কৃষ্টি চুতীয়া তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাৰ বিজয়ী সকলক এই সভাতে আনুষ্ঠানিকভাবে বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ খণ্ড সমন্বয়ক চয়নিকা গগৈয়ে।

পশ্চিম বড়িগোগ দৈচপৰা শ্ৰীশ্ৰীশংকৰদেৱ সংঘৰ উদ্যোগত মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্ম মহোৎসৱৰ আয়োজন

অসম বার্তা, বাহাৰঘাট, ৩১ আগষ্ট ঃ পশ্চিম বড়িগোগ মৌজাৰ পাৱঁচৈপৰা শ্ৰীশ্ৰীশংকৰদেৱ সংঘৰ সৌজন্যত অহা দুই আৰু তিনি অক্টোবৰত দুদিনীয়াকৈ ৪৪ সংখ্যক মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ তম জন্ম মহোৎসৱৰ আয়োজন কৰিছে। স্থানীয় চৈচপৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগনত আয়োজন কৰা উক্ত জন্ম মহোৎসৱৰ পহিলা দিনা পুৱা ৬-৩০ বজাত কীর্তন ঘৰৰ দুৱাৰ মুকলি, মুকলি কৰিব গিৰীশ কলিতাই, ৬-৫০ বজাত ভাগৰত স্থাপন আৰু বস্তি প্ৰস্তুতন, প্ৰস্তুতন কৰিব চন্দ্ৰধৰ কলিতা আৰু উমেশ কলিতাই, ৭-২০ বজাত ধ্বজা উত্তোলন, উত্তোলন কৰিব জন্ম মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি নিৰাবণ লহৰবে, ৭-৪০ বজাত পাৱঁচৈপৰা শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘৰ পতাকা উত্তোলন, উত্তোলন কৰিব গাঁও উন্নয়ন সমিতিৰ সভাপতি নীলধৰ কলিতাই, ৭-৫০ বজাত জাতিৰ পিতা মহাত্মাগান্ধীৰ প্ৰতিচ্ছবিত মাল্যার্পন আৰু বস্তি প্ৰস্তুতন কৰিব শিশুৰাম কলিতাই, আচবজাত নৰনিমীত স্মৃতিতর্পণ শুভাৰম্ভ কৰিব শুক্লেশ্বৰ কলিতাই, ৮-২০ বজাত ৰভাৰ দ্বাৰ উন্মোচন কৰিব শহীদ মকুন্দ কাকতি বিদ্যাপীঠৰ সহঃশিক্ষক মুকুল লহৰবে, ৮-৪০ বজাত ভাগৰত লৈ সাংস্কৃতিক শোভাযাত্রা, উদ্বোধন কৰিব অগপৰ কেন্দ্রীয় সাংগীনিক সম্পাদক তথা মুখপত্র ওনমণি ভূঞাইই, সহযোগ কৰিব জনপ্রিয় অসিনৌ ভাৰতি মৌজি, ভাগৰত শোভাযাত্রাৰ আতধৰিব ভূপেন চন্দ্র কলিতা আৰু মন্দেন্দ্র কলিতাই, ন-বজান পৰিবেশ শুদ্ধিকৰণ, শুভাৰম্ভ কৰিব গাঁও প্ৰধান ভদ্রেশ্বৰ কলিতাই, সহযোগ কৰিব অঞ্চলটোৰ কেইবাজনো গাঁও প্ৰধান ক্রমে সোণকুল ভূঞাই, কপম দত্ত লহৰব, প্রানেশ্বৰ কলিতা আৰু বামচন্দ্র ডেকাই, ৯-৩০ বজাত (ক) আৰু (খ) শাখাত বচনা প্রতিযোগিতা, দহবজাত চিত্রাংকন প্রতিযোগিতা, দিনৰ একবজাত মহাভোগ বিতবন, সন্ধিয়া সাতবজাত বিশ্বশান্তিৰ বাবে বস্তি প্রজুলন, মুখ্য প্রজুলক আছুৰ প্রাক্তন উপসভাপতি দর্শেশ্বৰ দাস আৰু কেইবাজনো আমন্ত্রিত বিশিষ্ট ব্যক্তিয়ে সহযোগ কৰিব, নিশা আচবজাত সাংস্কৃতিক মঞ্চ উদ্বোন, উদ্বোধন কৰিব অসম নগৰীয়া বিহুীয়া সেৰা বিষয়া বিশ্বজিত কলিতাই, ৮-৩০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন, উদ্বোধন কৰিব বঙিয়া সমস্তিৰ বিধায়ক তথা বাজ্যিক বিজেপিৰ প্রাক্তন সভাপতি ভবেশ কলিতাই। তিনি অক্টোবৰ পুৱা সাতবজাত কীর্তনঘৰৰ বস্তি প্রজুলন, প্রজুলন কৰিব চন্দ্রকান্ত কলিতা আৰু জীতেন কলিতা(১)ই, দহবজাত ভাগৰত পাঠ, পাঠ কৰিব দীনেশ চুঙাইই, ১১-০০ বজাত আজ্ঞা নাম, দিনব একবজাত ভোগ গ্রহণ, আবেলি চাৰিবজাত আমন্ত্রিত পাঠক বলোৱাম ডেকা আৰু ত্রৈলোক্য ডেকাৰ নাগাবানাম প্রদর্শনি, উদ্বোধন কৰিব এন এফ বেলৰে শ্রমিক সংঘৰ সম্পানক পঙ্কজ কলিতাই, সন্ধিয়া ছয়বজাত বিশ্ব শান্তিৰ বাবে বস্তি প্রজুলন, মুখ্য প্রজুলক মণিক দাসব লগতে কেই বজনো আমন্ত্রিত অতিথিয়ে সহযোগ কৰিব। উল্লেখ্য যে দুই অক্টোবৰৰ সাংস্কৃতিক অনুষ্ঠানত নলবাৰীৰ থাপনা থিয়া নাম দল, কংচেং লোকবাদ্য সাংস্কৃতিক গোষ্ঠীৰ লগতে অসমৰ জনপ্রিয় কণ্ঠশিল্পী বিদ্যা সাগৰে অংশগ্রহণ কৰিব। ইতিমধ্যে নিবাধন লহৰকৰ সভাপতি, নিবঞ্জন লহৰকৰ কার্যকৰী সভাপতি, নিপন ভূঞা, কৰুক ডেকা, ভবেন তালুকদাৰ, নবেন কলিতা, যতীন কলিতাক উপসভাপতি, প্রাণজিৎ কলিতাক সাধাৰণ সম্পাদক, বিকাশ কলিতা (সোণা) আৰু কমল কিশোৰ ডেকাক সহসাধাৰণ সম্পাদক হিচাবে লৈ এখন উদযাপন সমিতি গঠন কৰিছে।

বিলাসীপাৰা ৰানীগঞ্জত অসম প্রদেশ তৃণমূল কংগ্রেছৰ বিশাল যোগদান কার্যসূচী

অসম বার্তা লক্ষ্মীগঞ্জ, ৩১ আগষ্ট ঃ প্রকাৰ আগন্তুক বিধানসভা নির্বাচনৰ নির্বাচনী বন্দগণ বজালে তৃণমূল কংগ্রেছ দলে। সম্মুখত বিধানসভা নির্বাচনৰ মাত্র কেইমাহমান বাকী। নামনি অসমত তৃ

"বাতৰি কাকত পঢ়ো আহা" ব্যতিক্রমী কার্যসূচী

পূৰ মাজুলী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

অসম বার্তা, উজনী মাজুলী, ৩১ আগষ্ট ঃ মাজুলী জিলাৰ আগশাৰীৰ স্নাতক শিক্ষানুস্থান পূৰ মাজুলী মহাবিদ্যালয়ৰ ২০২৫-২৬ শিক্ষা বৰ্ষৰ নৱাগত আদৰণী সভাখনি আজি দিনাজোৱা কার্যসূচীৰে অনুষ্ঠিত হয়। এই উপলক্ষে পূবা ৭ বজাত বাষ্ট্রীয় সেৱা আঁচনি গোটৰ কার্যক্রম বিষয়া উত্তম শইকীয়াৰ নেতৃত্বত সামুহিক চাফাইৰে পিছতেই বৃক্ষৰোপণ কার্যসূচী শুভাৰম্ভ কৰে। উপাধ্যক্ষ প্রশান্ত ডড়ালীয়ে আৰু ৮ বজাত ছাত্র একতা সভাৰ পাতাকা উত্তোলন কৰে সভাপতি তথা সহকাৰী অধ্যাপক যুগল চন্দ্র হাজৰিকাই। সদৌ অসম ছাত্র সম্বাৱ কেন্দ্রীয় কার্যনির্বাহক বগৰসম মহম্মদ শ্বহীদ তৰণি কৰাৰ পিছতেই নৱাগতসকলক মহাবিদ্যালয়ৰ মূল তোৱণৰ পৰা আনুষ্ঠানিকভাবে আদৰি আনে অধ্যক্ষ প্রমুখ্যে, শিক্ষক-কর্মচাৰী আৰু পূৰণি ছাত্র-ছাত্রীসকলে। মহাবিদ্যালয়ৰ প্রাচীৰ-পত্রিকা পুস্পস্থ উন্মোচন কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মালা গায়নে আৰু কেন্দ্রীয় গ্রন্থাগাৰৰ প্রাচীৰ পত্রিকা সংবাদ সঁফুৰা উন্মোচন কৰে প্রাং নিউজৰ মাজুলীৰ জ্যেষ্ঠ সাংবাদিক জ্যোতিষ কুমাৰ তামোলীয়ে। ১১.৩০ বজাৰ পৰা অধ্যক্ষ দিপক বৰবাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। ইংৰাজী বিভাগৰ মুখবুৰী অধ্যাপক দিজেন কুমাৰ শইকীয়াই আতধৰা সভাখনি ছাত্রীসকলৰ এটি সমবেত সংগীতেৰে মঞ্চ মুকলি কৰে আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সোমনাথ দাসে উদ্বোধন কৰি তাহানিৰ গুৰুত্বপূর্ণ শিক্ষাব্যবস্থাৰ পৰা বর্তমান নতুন শিক্ষা নীতিৰ শিক্ষা ব্যবস্থাৰ বিষয়ে গুৰুত্বপূর্ণ বক্তব্য প্রদান কৰে। নির্দিষ্ট বক্তাৰ ভাষণত যুব লেখক, প্রকৃতিপ্রেমী কৃষ্ণদীপ হাটীমতাই ছাত্র-ছাত্রীসকলক বিদ্যায়তনিক দিশৰ লগতে সহ-বিদ্যায়তনিক ক্ষেত্রসমূহত সমানে মনোনিবেশ কৰিবলৈ আহ্বান জনায়। সম্মানীয় অতিথি হিচাপে মহাবিদ্যালয়ৰ মূল তোৱণৰ পৰা আনুষ্ঠানিকভাবে আদৰি আনে অধ্যক্ষ প্রমুখ্যে, শিক্ষক-কর্মচাৰী আৰু পূৰণি ছাত্র-ছাত্রীসকলে বিদ্যায়তনিক জন্মলগ্নৰে পৰা জড়িত ব্যক্তি ক্রমে প্রাক্তন অধ্যক্ষ ড' অৰুণ পূৰণি ছাত্র আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্রাক্তন সভাপতি বিপিন শইকীয়াই মহাবিদ্যালয়খনৰ জন্ম বৃত্তান্ত সভাক অবগত কৰে। সভাত উপস্থিত বিশিষ্ট অতিথি ক্রমে অধ্যক্ষ অসীম হাজৰিকা, প্রধান আচাৰ্য সূর্য কুমাৰ ভূঞা, প্রাক্তন উপাধ্যক্ষ মুহিন গায়নে ছাত্র-ছাত্রীসকলক শুভেচ্ছা জ্ঞাপন কৰে। সভাত প্রথম যাথাসিকৰ ছাত্র সৌৱভ শইকীয়াই মাধৱ দেৱ বিৰচিত এটি বৰগীত পৰিবেশন কৰে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী আৰু অতিথি শিল্পী প্রণালী কোঁৱৰে সংগীতানুষ্ঠান পৰিবেশন কৰে। সংগীতানুষ্ঠান শুভাৰম্ভ কৰে সমাজতত্ত্ব বিভাগৰ জ্যেষ্ঠ অধ্যাপক বিপিন চন্দ্র বৰাই। মুকলি সভাৰ পূর্বে মহাবিদ্যালয়ৰ কেন্দ্রীয় গ্রন্থাগাৰৰ উদ্যোগত আৰু কর্তৃপক্ষৰ সহযোগত "বাতৰি কাকত পঢ়ো আহা" শীৰ্ষক এক ব্যতিক্রমী অনুষ্ঠান অনুষ্ঠিত হয়। সহকাৰী গ্রন্থাগাৰিক গৌতম শইকীয়াই আতধৰা অনুষ্ঠানটি শুভাৰম্ভ কৰে অধ্যক্ষ দীপক বৰাই। অনুষ্ঠানৰ মুখ্যবক্তা সাংবাদিক জ্যোতিষ কুমাৰ তামোলী আৰু অধ্যাপক দিজেন কুমাৰ শইকীয়াই অসমত বাতৰিকাকতৰ ইতিহাস ডাঙি ধৰি সাম্প্রতিক সময়ত যুৱ প্রজন্মৰ বাতৰি কাকত পঢ়াৰ প্রতি অনিহা দেখি উদ্বেগ প্রকাশ কৰে আৰু বাতৰি কাকত পঢ়াৰ উপকাৰিতা বিষয়ে সবাক অবগত কৰে। সভাত উপস্থিত বিশিষ্ট অতিথি ক্রমে অধ্যক্ষ অসীম হাজৰিকা, প্রধান আচাৰ্য সূর্য কুমাৰ ভূঞা, প্রাক্তন উপাধ্যক্ষ মুহিন গায়নে ছাত্র-ছাত্রীসকলক শুভেচ্ছা জনায়।

ৰেচম বর্ডৰ উদ্যোগত দেৱগাঁৱৰ নতুন চাপৰিতপ্রশিক্ষণ-সজাগতামূলক সভা

অসম বার্তা, দেৱগাঁও, ৩১ আগষ্ট ঃ কেন্দ্রীয় চৰকাৰৰ বস্তু মন্ত্রালয়ৰ অধীনত ৰেচম বর্ডৰ উদ্যোগত কেন্দ্রীয় মুগা আৰু গৱেষণা প্রশিক্ষণ প্রতিষ্ঠানটোৰে দেৱগাঁৱৰ নতুন চাপৰি অঞ্চলত বাই জৰ সহযোগত এক প্রশিক্ষণ আৰু সজাগতামূলক সভা অনুষ্ঠিত কৰে। উক্ত সজাগতা সভাত এৰী আৰু মুগা উৎপাদন বৃদ্ধি কৰা আৰু বজাৰত ইয়াৰ চাহিদা বৃদ্ধি কৰাৰ উদ্দেশ্যে এৰী আৰু মুগা পালকসকলক প্রশিক্ষণ দিয়া হয়। সভাত এৰী আৰু মুগা পালকসকলক সজাগতামূলক ভাষণ দিয়ে কেন্দ্রীয় ৰেচম বর্ডৰ বিজ্ঞানী ডঃ হৰিশা আৰ, ডঃ মিহিৰ বাভা আৰু গোলাঘাট জিলাৰ ৰেচম বর্ডৰ জিলা সহকাৰী ৰেচম সঞ্চালক দীপাঞ্জলী দাসে। সভাত বিষয়া সকলে উপস্থিত কৃষক বাইজক সজাগতামূলক ৰেচম প্রযুক্তিৰ হস্তান্তৰ অভিযানৰ বিষয়ে বিতংকৈ আৰুত কৰে। এই অভিযানৰ মূল উদ্দেশ্য হ'ল "মোৰ ৰেচম মোৰ গৌৰৱ"।

সাংসদ ৰকিবুল হুছেইনৰ সভাত উত্তপ্ত পৰিস্থিতি

চেঙাত কংগ্রেছৰ প্রার্থীত্ব প্রত্যাশীৰ লোভী কেন্দ্রীক ৰাজনীতি

অসম বার্তা, শিমলীতোলা, ৩১ আগষ্ট ঃ চেঙাৰ্ক কংগ্রেছ কমিটিৰ উদ্যোগত বাঘমাৰা চৰত এক আলোচনী হোৱা নৱ-নির্বাচিত পঞ্চায়ত ও জিলা পৰিষদ সদস্য/সদস্যা সকলৰ সম্বর্ধনা সভা ও যোগদান পর্ব অনুষ্ঠানত অনুষ্ঠিত হৈ যায়। চেঙা ৰ্ক কংগ্রেছ কমিটিৰ সভাপতি বছিৰ উদ্দিনৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে চেঙা ৰ্ক কংগ্রেছৰ প্রশাসনিক সম্পাদক তাই ছু জিনা আহমেদ। সভাত উদ্বোধনী ভাষণ প্রদান কৰে চেঙা ৰ্ক কংগ্রেছ মহিলা কংগ্রেছৰ সভানেত্রী শ্বাহানা আকতাৰে। উক্ত সম্বর্ধনা সভাত মুখ্য অতিথি হিচাপে ২ নং ধুৱৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে উপস্থিত থাকি ভাষণ প্রদান কৰে। ভাষণ প্রসংগত কয় যে উজনি অসমৰ জনজাতি মানুহখিনিয়ে দিল্লীত গৈ জনজাতি কৰনৰ দাবীত ধর্ণা দিব লগা হৈছে, ঠিক সেইদৰে বঙালী সম্প্রদায়ৰ মানুহখিনিয়ে কৈছে আমাৰ এজন মন্ত্রী নাই ব্রহ্মপুত্র ভেলীত ষ'ত গৈ আমাৰ সমস্যাসমূহৰ কথা ক'ৰ পাৰিব, নামনি অসমৰ কোচ ৰাজবংশী মানুহখিনিয়ে কৈছে আমাক জনজাতী দিম বুলি কৈছিল আজিলৈ দিয়া নাহি। উচ্ছে সম্পর্কে কয় যে যিখিনি মানুহক উচ্ছেদ কৰিব, উচ্ছেদ কৰা মানুহখিনিকে কামত খটাই ডাঙৰ ডাঙৰ দলং বনাইছে। এছ আই আৰ সম্পর্কে সোধা প্রশ্নৰ উত্তৰক কয় যে এছ আই আৰ আমাক কিয় লাগে বিহাৰত যি কাৰণত এছ আই আৰ ব্যবস্থা কৰিছে সেইটো পৰীক্ষা আমি আগতেই দি দিছোঁ আমাৰ মানুহখিনিয়ে এবাৰ নহয় দুবাৰ নহয় পাঁচ বাৰ পৰীক্ষা দি নিজৰ নাগৰিকত্ব পাইছে বুলি গুৰুত্বপূর্ণ মন্তব্য আগবঢ়ায়। বাঘমাৰাচৰ নৈপৰীয়া প্রাথমিক স্কুলত কেন্দ্রত সাংসদ পুঁজি পৰা এখন এস্থলেখ প্রদান কৰা হ'ব বুলি সাংসদগৰাকীয়ে প্রতিশ্রুতি দিয়াৰ লগতে চৰাঞ্চলৰ প্রতিটো স্বাস্থ্য কেন্দ্রতে পর্যায়ক্রমে এম্বুলেঞ্চ সেৱাৰ সুবিধা কৰি দিয়া হ'ব বুলি প্রতিশ্রুতি প্রদান কৰে। কৰিবুল হুছেইনে। ইফালে সভাত চেঙা ৰুক সাধাৰণ কংগ্রেছৰ প্রশাসনিক সম্পাদক তাই ছু জিনা আহমেদক একাষৰীয়া কবি ৰখাৰ চেষ্টা কৰাক কেন্দ্র কৰি সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। ইপিনে চেঙা আঞ্চলিক পঞ্চায়তৰ সভাপতি স্বাহানুৰ ৰহমানক মঞ্চত আসন নিদিয়াক কেন্দ্র কৰিও পুনৰ সভাখনত সৃষ্টি হয় বিতর্ক। উল্লেখ্য যে চেঙাৰ প্রার্থীত্ব প্রত্যাশীৰ সংখ্যা বাঢ়ি যোৱাৰ সমান্তৰালকৈ বাঢ়িছে সংঘাত ২০২৬ ৰ বিধান সভা নির্বাচনৰ চেঙা সমষ্টিৰ প্রার্থীত্ব প্রত্যাশী ছলমান খানৰ মইমতালিৰ বাবেই ইতিমধ্যে চেঙা ৰ্ক কংগ্রেছ দু'ভাগত বিভক্ত হোৱাবো অভিযোগ উঠিছে। যোৱা পঞ্চায়ত নির্বাচনত ধনৰ লেনদেনৰে নামত নাম সাঙুৰ খোৱা ছেলমান খানে আঞ্চলিক পঞ্চায়ত গঠনৰ সময়তো চেঙা ৰ্ক কংগ্রেছক দুটা ভাগত বিভক্ত কৰি কংগ্রেছ এজন আঞ্চলিক পঞ্চায়ত সদস্যাৰ জৰিয়তে খেলেমেলি লগাই কংগ্রেছৰ হাতৰ মুঠিৰ পৰা আঞ্চলিক পঞ্চায়তখন হেৰুৱাৰ উপক্রম কৰাবো অভিযোগ উত্থাপন হৈছিল। দুর্ভাগ্যজনক কথা হ'ল যে চেঙা আঞ্চলিক পঞ্চায়ত গঠনৰ সময়ত কংগ্রেছৰ এজন আঞ্চলিক সদস্যই মুকলিকৈ এপ্রাইউডিএফ সমর্থিত নির্দলীয় প্রার্থীক সমর্থন কৰাৰ পিছতো চেঙা ৰ্ক কংগ্রেছ বা কংগ্রেছৰ উর্ধতম কর্তৃপক্ষই ব্যবস্থা গ্রহণ কৰিবলৈ সাহস দেখুৱাব পৰা নাই বুলি পৰিলক্ষিত হয়। সাংসদ ৰকিবুল হুছেইনমুখ্য অতিথি হিচাপে উপস্থিত থকা সভাত অসম সংখ্যালঘু বিভাগৰ অধ্যক্ষ ছলমান খান, ৰাজৌব আহমেদ, যুৱনেতা ছোলেমান সিকদাৰ, ৰফিকুল হক চৌধুৰী, আমিনুল হাছান, চেঙা আঞ্চলিক পঞ্চায়তৰ সভাপতি শ্বাহানুৰ ইছলামকে ধৰি যথেষ্ট সংখ্যক নেতা-কর্মী উপস্থিত থাকে।

অসম-পশ্চিমবংগ সীমান্তৰ বক্সিৰহাটত পুনৰ চোৰাং গৰু ভর্তি ট্রাক জব্দ

অসম বার্তা, আগমনি, ৩১ আগষ্ট ঃ গোলকগঞ্জৰ অসম পশ্চিমবংগ সীমান্ত সংলগ্ন পশ্চিমবংগৰ বষিহাটত পুনৰ চোৰাং গৰু ভর্তি ট্রাক জব্দ। ট্রাক সহ আটক তিনি সৰবৰাহকাৰীক। এমাহৰ পৰা বষিহাট থানাৰ আৰক্ষীয়ে ১৭ নং বাষ্ট্রীয় ঘাইপথত অসম অভিমুখী সন্দেহজনক ট্রাকত চলাইছে ব্যাপক তালাচী অভিযান। অভিযানত প্রায় জব্দ হৈছে চোৰাং মহ। কিন্তু আজি পুনৰ সন্দেহজনক ভাবে আটক কৰে ইউ পি ২১- এফ টি ১৪০৬ নম্বৰৰ এখন ট্রাক। ট্রাক খনত চালাচী চলাই উদ্ধাৰ কৰে ২৫টা চোৰাং গো-ধন। শিলিগুৰিৰ পৰা অসম অভিমুখে কঢ়িয়াই আনিছিল গৰু কেইটা। উপযুক্ত নথি-পত্র দেখুৱাব নোৱাৰাত বষিহাট আৰক্ষীয়ে গৰু কেইটা জব্দ কৰি প্রেপ্তাৰ কৰে সৰববাহকাৰী তিনিজনক। একাংশ অসাধু চক্রই অব্যাহত ৰাখিছে নিষিদ্ধ গো ধনৰ অবৈধ সৰববাহ। যেন আৰক্ষীৰ বৃদ্ধাংগত দেখুৱাই আছে গো ধন সৰববাহকাৰীয়ে। চুবুৰীয়া বাজ্য পশ্চিমবংগৰ পৰা অসমলৈ সৰববাহ হৈ আছে গো ধন। উল্লেখ্য যে এই সৰববাহকাৰী দীর্ঘদিন ধৰেই গৰুৰ চোৰাং বেহাৰ লগত নাম সাজোৰ খাই আছে। সোধা পুচাৰ পিছত সৰববাহকাৰী তিনিজনক আজি জেল হাজোত লৈ প্রেৰণ কৰে।

চোকাপাৰাত অনুষ্ঠিত বঙাইগাঁও জিলা চি আৰ চি চি সম্বাৰ সভা

বঙাইগাঁও জিলাৰ শৈক্ষিক উত্তৰণৰ বাবে চিআৰচি সকলে অব্যাহত ৰাখিব কাম

অসম বার্তা, অক্তয়াপুৰী, ৩১ আগষ্ট ঃ বঙাইগাঁও জিলাত শিক্ষাৰ গুণগত মান উন্নয়ন লক্ষ্যে আজি চোকাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বঙাইগাঁও জিলা চি আৰ চি চি সম্বাৰ উদ্যোগত এক গুৰুত্বপূর্ণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সম্বাৰ সভাপতি শান্তি বঞ্জন দাসে। সভাত উপস্থিত চি আৰ চি চি সকলে বিদ্যালয়সমূহত শিক্ষাৰ মান বৃদ্ধি কৰিবলৈ অহা দিনত কি ধৰণৰ পদক্ষেপ গ্রহণ কৰিব পাৰি আৰু বর্তমান চলি থকা কার্যসূচীসমূহৰ পর্যালোচনা কৰে। বিশেষকৈ চি আৰ চি সকলে যিবোৰ দায়িত্ব নিষ্ঠাৰে আগবাঢ়ি আহিছে, সেয়া আগন্তুক দিনত অধিক সুসংগঠিত ৰূপে অব্যাহত ৰাখিবলৈ আহ্বান জনোৱা হয়। আলোচনাৰ যোগেদি প্রসঙ্গ উত্থাপন হয় যে, চি আৰ চি সকলক মূলতঃ শৈক্ষিক কার্যলৈহে মনোনিবেশ কৰাৰ সুযোগ দিলে শিক্ষাৰ গুণগত মান উন্নয়নত তীব্র গতি আনি তুলিব পাৰিব। বর্তমান চি আৰ চি সকলক কিছুমান অনা-শৈক্ষিক কামত নিযুক্ত কৰা হৈছে, যাৰ ফলত শিক্ষামূলক কামত যথেষ্ট ব্যাহত হোৱাৰ দিশটোও উল্লেখ কৰা হয়। সভাত ভাষণ প্রদান কৰে ৰমজান আলী আহমেদ, নিৰঞ্জন সাহ, অৰুপ কুমাৰ দত্ত আৰু দীপময় চক্রবর্তীয়ে। বক্তাসকলে একমত প্রকাশ কৰি কয় যে, জিলাৰ শৈক্ষিক পৰিবেশ সর্বাংগ সুন্দৰ কৰি গড়ি তোলাৰ ক্ষেত্রত চি আৰ চি সকলক অধিক কর্তব্যনিষ্ঠা আৰু সততাৰে আগবঢ়িব লাগিব। আজি অনুষ্ঠিত এই সভাত মুলতঃ এটা স্পষ্ট বার্তা দিয়ে যে বঙাইগাঁও জিলাৰ শিক্ষাৰ উৎকর্ষ সাধনত চি আৰ চি চি সকলৰ মুখ্য লক্ষ্য, আৰু সেই লক্ষ্যত উপনীত হ'বলৈ তেওঁলোকে অবিৰত প্রচেষ্টা চলাই যোৱা উচিত।

মেৰা যুৱ ভাৰত নগাঁৱৰ উদ্যোগত প্রধানমন্ত্রী জন কল্যাণ আঁচনি কর্মশালা সম্পন্ন

অসম বার্তা, নগাঁও, ৩১ আগষ্ট ঃ নগাঁৱৰ এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান দ্রোণাচার্য বিদ্যায়তনে চেকেণ্ডেৰী স্কুলত আজি প্রধান মন্ত্রীজন কল্যাণ আঁচনি এখন যুৱ কর্মশালা ভাবত চৰকাৰৰ যুৱ পৰিক্রমা আৰু ক্রীড়া মন্ত্রণালয়ৰ অধীনস্থ মেৰা যুৱ ভাৰত নগাঁৱৰ উদ্যোগত আৰু স্বেচ্ছাসেবী অনুষ্ঠান 'লক্ষ্য' নগাঁৱৰ ব্যবস্থাপনত এখন আকর্ষণীয় কর্মশালা অনুষ্ঠিত হয়। কর্মশালা আনুষ্ঠানিক ভাবে শুভ উদ্বোধন কৰে মেৰা যুৱ ভাৰত নগাঁৱৰ জিলা যুৱ বিষয়া মাহিত ৰাভাই। উদ্বোধনী ভাষণত ৰাভাই কর্মশালাৰ উদ্দ্যেশ্য ব্যাখ্যা কৰাৰ লগতে উপস্থিত যুৱ শক্তিক অধ্যয়ন পুষ্ট এক মন লৈ নিজৰ ভবিষ্যত কেৰিয়াৰ গঢ়াৰ বাবে নিজকে প্রস্তুত কৰিবলৈ আহ্বান জনায়। কর্মশালাত মুখ্য বক্তা হিচাবে ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ নগাঁও মহাবিদ্যালয় অধ্যয়ন কেন্দ্রৰ শৈক্ষিক পৰামর্শ দাতা ৰণদীপ নন্দী, দ্রোণাচার্য চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ চন্দ্র কান্ত বৰা, বিষয় শিক্ষয়িত্রী মধুস্মিতা বৰাই বিষয় বস্তুৰ ওপৰত অতি সাবলীলভাবে তথ্য সহকাৰে বিশ্লেষণ কৰি উপস্থিত সকলোকে মন্ত্রমুগ্ধ কৰি তোলে। প্রধান মন্ত্রীজন ধন যোজনা, ডিজিটেল ইণ্ডিয়া, প্রধান মন্ত্রী সুর্য ঘৰ মুক্ত বিজুলী যোজনা, প্রধানমন্ত্রী উজ্জ্বলা আঁচনি, স্কীল ইণ্ডিয়া, বেটী বচাও বেটি পঢ়াও, স্বচ্ছ ভাৰত, আয়ুষ্মান ভাৰত আদি বিভিন্ন আঁচনিৰ বিভিন্ন দিশৰ ওপৰত কর্মশালাত উপস্থিত অর্থ শতাধিক যুৱক-যুৱতীয়ে প্রশিক্ষণ লাভ কৰে। মেৰা যুৱ ভাৰত নগাঁৱৰ গাণনিক আৰু কার্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে সঞ্চালনা কৰা কর্মশালাত শলাগৰ শৰই আগবঢ়ায় স্বেচ্ছাসেবী অনুষ্ঠান লক্ষ্যৰ সম্পাদক দীপক দত্তই। অসমৰ জাতীয় সঙ্গীতেৰে সফল সামৰণি পৰে।

তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সোণালী জয়ন্তী উপলক্ষে ডুমডুমাত ৪, ৫ আৰু ৬ ডিচেম্বৰত সামৰণি অনুষ্ঠানৰ আয়োজন

ষ্টাফ ৰিপর্টাৰ, তিনিচুকীয়া, ৩১ আগষ্ট ঃ তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সোণালী জয়ন্তী সামৰণি অনুষ্ঠান আৰু দ্বি -বার্ষিক অধিবেশনৰ প্রস্তুতিৰে অংশগ্রহণে আজি ডুমডুমা প্রেছ ক্লাব ভবনত এক গুৰুত্বপূর্ণ ঘুটীয়া বৈঠক অনুষ্ঠিত হয়। অভ্যর্থনা সমিতিৰ অন্যতম উপ সভাপতি গোবিন্দ ফুকনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে অভ্যর্থনা সমিতিৰ ঘুটীয়া সম্পাদক অভিজিৎ খাটনীয়াৰে। সভাখনত তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সোণালী জয়ন্তী অনুষ্ঠান আৰু দ্বি -বার্ষিক অধিবেশনৰ কার্যসূচীখন পাঠ কৰে আৰু অভ্যর্থনা সমিতিৰ কৰণীয়ৰ সম্পর্কত অৱগত কৰে। সভাখনত ডুমডুমা প্রেছ ক্লাবৰ সভাপতি মনোজ দত্ত প্রাক্তন জিলা সভাপতি অজু'ন বৰুৱা, অনুজ কলিতা কোষাধ্যক্ষ দিলশ গোয়েল, উপ সভাপতি বাবুল কলিতা, সাংগঠনিক সমিতিৰ অন্যতম ঘুটীয়া সম্পাদক ৰাণা সোণাৰ, স্মৃতিগ্রন্থ উপ সমিতিৰ দেবেন ডেকা, দিগন্ত ভাজনী আদিকে ধৰি বিভিন্ন জনে আলোচ্য বিষয়ৰ ওপৰত মতামত আগবঢ়ায়। সভাই পূর্বৰ ২৯, ৩০ নবেম্বৰ ১ ডিচেম্বৰ সলনি আহা ৪, ৫ আৰু ৬ ডিচেম্বৰত ডুমডুমা নগৰ খেলপথাৰত তিনিদিনীয়া বিস্তৃত কার্যসূচীৰে তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সোণালী জয়ন্তী সামৰণি অনুষ্ঠান আৰু দ্বি -বার্ষিক অধিবেশনৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। সভাই অধিবেশন উপলক্ষে গ্রন্থমেলা-প্রদর্শনী, বক্তৃতানুষ্ঠান, সদৌ অসম ভিত্তিক তর্ক প্রতিযোগিতা, আদিকে ধৰি বিভিন্ন প্রতিযোগিতা, সাংস্কৃতিক শোভাযাত্রা, মুকলি সভা, আটাইকেইদিন সাংস্কৃতিক অনুষ্ঠান আদি কার্যসূচী আয়োজনৰ সিদ্ধান্ত লয়। সভাই মুকলি সভাৰ মুখ্য অতিথি ৰূপে ৰাজ্যৰ এগৰাকী বিশিষ্ট সাংবাদিক মনোজ কুমাৰ গোস্বামীক নিমন্ত্রণৰ সিদ্ধান্ত গ্রহণ কৰে। আজিৰ এই ঘুটীয়া বৈঠকত অভ্যর্থনা সমিতিৰ অন্যতম উপ সভাপতি বিমলা বৰুৱা, ললিত গগৈয়ে উপস্থিত থাকে। আহাতে ইয়াৰ পূর্বে তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সভাপতি ড' ঋষি দাসৰ পৌৰোহিত্যত অনুষ্ঠিত তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ কার্যনির্বাহক সভাত আগন্তুক তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ সোণালী জয়ন্তীৰ আহ্বায়ক তথা সম্বাৰ সভাপতি শান্তি বঞ্জন দাসে সম্বাৰ সভাপতি হিচাপে দায়িত্ব গ্রহণ কৰা সকলক বিদায় সম্বর্ধনা জনাবলৈ সভা অনুষ্ঠিত হয়। সভাই বিগত তিনিচুকীয়া অধিবেশনত স্থানীয় বিধায়ক সঞ্জয় কিশানে তিনিচুকীয়া জিলা সাংবাদিক সম্বাৰ ভবনৰ বাবে ৫ লাখ টকা আগবঢ়ায় বুলি ৰাজ্যসভাৰ ঘোষণা কৰিও আজি পর্যন্ত প্রতিশ্রুতি পূৰণ নকৰা, ৰাজ্যসভাৰ সাংসদ পবিত্র প্রসাদ মার্ছেৰিটাৰ সাংসদ পুঁজি ২৫ লাখ টকাৰে নির্মাণ কৰা ভবনৰ উদ্বোধনী অনুষ্ঠান তথা আচবাৰকে ধৰি অন্য প্রয়োজনীয় কাম-কাজ আগবঢ়োৱাৰ আদি বিভিন্ন বিষয় সম্পর্কে আলোচনা কৰা হয়। সভাই জিলাৰ পত্রিকা সম্পাদক হিচাপে সহকাৰী সম্পাদক মনোজ বৰুৱাক দায়িত্ব অর্পণ কৰে। ইয়াৰ লগতে ২৫ আৰু ২৬ অক্টোবৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম বার্তাজীবী সংঘৰ মধ্যকালীন অধিবেশনত সম্বর্ধনা জনাবৰ বাবে তিনিচুকীয়াৰ পৰা জ্যেষ্ঠ সাংবাদিক অৰুন কৰুৱা আৰু কৃষ্ণা উপাধ্যায়ৰ নাম প্রেৰণৰ সিদ্ধান্ত গ্রহণ কৰে।

মানকাছাৰত মন্ত্রী অশোক সিংঘলৰ প্রতিকৃতি দাহ কৰিলে কংগ্রেছীয়ে

অসম বার্তা, হাটশিঙিমাৰী, ৩১ আগষ্ট ঃ দক্ষিণ শালমাৰা মানকাচৰ জিলা কংগ্রেছ কমিটিৰ উদ্যোগত চলিল প্রতিবাদী কার্যসূচী। গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী অশোক সিংঘলে অলপতে বিজেপি দলৰ এখন সভাত কংগ্রেছ দলক জন্তুৰ লগত তুলনা কৰে। ইয়াৰ ফলত অসম ৰাজ্যজুৰি কংগ্রেছ দলৰ সমর্থক সকলে ক্ষোভিত হৈ পৰে আৰু ইয়াৰ পৰিপ্রেক্ষিতেই আজি গোটেই অসমৰ কংগ্রেছ দলৰ সমর্থক সকলৰ মাজত ক্ষোভৰ সৃষ্টি হয়। সেয়েহে দক্ষিণ শালমাৰা মানকাচৰ জিলা কংগ্রেছ কমিটিৰ উদ্যোগত ৰাজীব ভবনত কংগ্রেছ দলৰ সমর্থক সকলে মন্ত্রী জনৰ প্রতিকৃতি দাহ কৰে আৰু অশোক সিংঘল গ' ৱেক; অশোক সিংঘল মুর্দাবাদ; বিজেপি চৰকাৰ হায়! হায়! আদি ধ্বনিৰে আকাশ বতাহ কঁপাই তোলে। এই সন্দর্ভত কংগ্রেছ দলৰ যুৱ নেতা মহিবুৰ ৰহমান ৰাঙ্গীয়ে কয় যে আগন্তুক বিধানসভা নির্বাচনত বিজেপি দলৰ পৰাজয় নিশ্চিত আৰু বিজেপি দলৰ প্রতি ৰাইজৰ মোহ ভংগ হৈছে। সেয়েহে সিঁহতে এতিয়া কংগ্রেছ দলৰ বিষয়ে একেকুটা ঘৃণনীয় মন্তব্য কৰি আছে আৰু যুৱ নেতা জনে মন্ত্রী জনৰ এনে মন্তব্যক তীব্রভাবে গৰহিণা দিয়ে।

জাঁজী আঞ্চলিক ছাত্র সম্বাৰ প্রতিনিধি সভা সম্পন্ন

অসম বার্তা, জাঁজী, ৩১ আগষ্ট ঃ শিবসাগৰ জিলাৰ জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্রেক্ষাগৃহত জাঁজী আঞ্চলিক ছাত্র-সম্বাৰ প্রতিনিধি সভাখন আজি অনুষ্ঠিত হৈ যায়। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত সভাপতি পদেজাতি বড়ুৱা পতাকা উত্তোলনেৰে কার্যসূচীৰ প্রতিনিধি সভাৰ কার্যসূচী সমূহৰ আৰম্ভণি হয়। ইয়াৰ পাছতেই আঞ্চলিক ছাত্র সম্বাৰ সাধাৰণ সম্পাদক উজ্জ্বল দত্তই শ্বহীদ তর্পণ কৰাৰ পাছত প্রয়াত ছাত্র নেতা কল্যাণ জ্যোতি আৰম্ভাৱা, মানস প্রতীম ভড়ালী আৰু অস্তুৰাজ গগৈ সৌৱৰণত বন্তি প্রজ্বলন কার্যসূচীৰ ঋণায়ণ কৰা হয়। অনুষ্ঠানত প্রজ্বলক ৰূপে উপস্থিত থাকে অসম কলেজ শিক্ষক সম্বাৰ প্রাক্তন সভাপতি জ্যোতি প্রসাদ গগৈ আৰু স্থানীয় শিক্ষক প্রণয় বৰঠাকুৰ। ইয়াৰ পাছতেই আঞ্চলিক ছাত্র সম্বাৰ সাধাৰণ সম্পাদক উজ্জ্বল দত্তই আঁত ধৰা প্রতিনিধি সভা খনি এটি বৰগীত মধুৰ কণ্ঠীৰে সভাৰম্ভণি কৰা হয়। আনহাতে বৰগীত পৰিবেশন কৰে স্নিগ্ধা বৰবৰা আৰু তেওঁৰ সংগী বৃন্দই। নীপজ্যোতি বড়ুই সভাপতিত্ব কৰা মূল প্রতিনিধি সভাখন উদ্বোধন কৰে সদৌ শিবসাগৰ জিলা ছাত্র সম্বাৰ উপ সভাপতি পার্থ প্রতীম বৰুৱাই। আমন্ত্রিত অতিথি হিচাপে উপস্থিত থাকে শিবসাগৰ মহকুমাৰ ছাত্র সম্বাৰ ভাৰপ্রাপ্ত সভাপতি আদিত্য শর্মা আৰু সাধাৰণ সম্পাদক অংকুৰ বড়া। প্রতিনিধি সভা ৰ পর্যবেক্ষক ৰূপে উ পস্থিত থাকে সদৌ শিবসাগৰ জিলা ছাত্র সম্বাৰ সহকাৰী সাধাৰণ সম্পাদক বিতুপন ভূঞা, ৰাজহীপ কাকতি আৰু জিলা ছাত্র সম্বাৰ শিক্ষা সম্পাদক দেৱাশিস চলিহা। সমাম্বৰাল মর্মে আঞ্চলিক ছাত্র সম্বাৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ দায়িত্ব প্রদান কৰা হয় ক্রমে অংকুৰ শইকীয়া আৰু ৰোমান জ্যোতি বড়ুৱা।

অখিল ভাৰতীয় আয়ুর্বিজ্ঞান প্রতিষ্ঠান, গুৱাহাটীত কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱাল

অসম বার্তা, কমলপুৰ, ৩১ আগষ্ট ঃ অখিল ভাৰতীয় আয়ুর্বিজ্ঞান প্রতিষ্ঠান, গুৱাহাটীত কেন্দ্রীয় জলপৰিবহণ মন্ত্রী সর্ব

সম্পাদকীয়

ভাৰত-ৰাছিয়া সম্পৰ্ক ঐতিহাসিক মিত্ৰতা আৰু বৰ্তমানৰ প্ৰত্যাহ্বান

ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে গণ্য কৰিব পাৰি। স্বাধীনতাৰ পিছৰে পৰা ভাৰতৰ ৰাছিয়াই কেতিয়াবা কূটনৈতিক আৰু কেতিয়াবা সামৰিক সহায়ৰে সমৰ্থন কৰি আহিছে। ভাৰতৰ বাবে ই এক গুৰুত্বপূৰ্ণ মিত্ৰবাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰি আহিছে। কিন্তু বৰ্তমান সময়ত বিশ্ব ৰাজনীতিত সলনি হোৱাৰ লগে লগে এই সম্পৰ্কৰ স্তম্ভাৱো সলনি হ'বলৈ ধৰিছে। ভাৰতৰ বাবে ৰাছিয়াৰ সৈতে থকা সম্পৰ্কৰ কিছুমান সুবিধা আছে। প্ৰথমে, ৰাছিয়া ভাৰতক সামৰিক সঁজুলিৰ এক গুৰুত্বপূৰ্ণ যোগানধাৰক হিচাপে থাকে। ভাৰতীয় সেনাবাহিনীৰ বাবে প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ, যেনে- যুদ্ধবিমান, টেংক, আৰু ক্ষেপণাস্ত্ৰ আদি ৰাছিয়াৰ পৰা পোৱা যায়। দ্বিতীয়তে, ৰাছিয়া ভাৰতৰ বাবে শক্তিৰ এক গুৰুত্বপূৰ্ণ উৎস। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ যোগানৰ ওপৰ ৰাছিয়াই ভাৰতক সহায় কৰি আহিছে। তৃতীয়তে, ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভেটো ক্ষমতাপ্ৰয়োগৰ ক্ষেত্ৰত ভাৰতক ৰাছিয়াই সমৰ্থন কৰাৰ ইতিহাস আছে। অবশ্যে, এই সম্পৰ্কৰ কিছুমান অসুবিধাও আছে। ৰাছিয়াৰ ওপৰত ভাৰতৰ বেছি পৰিমাণে নিৰ্ভৰশীলতা এক চিন্তাৰ বিষয়। সামৰিক সঁজুলি ক্ষেত্ৰত বহুদিনা ৰাছিয়ান সঁজুলিৰ ওপৰত নিৰ্ভৰ কৰি থকাৰ বাবে ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থা ৰাছিয়াৰ ৰাজনীতিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। ইয়াৰোপীয়, ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ দৰে সংঘাতত ভাৰতৰ স্থান নিৰ্ধাৰণ কৰাটো এক জটিল বিষয়। এনে সংঘাতত ভাৰতে ৰাছিয়াৰ সৈতে থকা সম্পৰ্কৰ বাবে পশ্চিমীয়া দেশসমূহৰ সমালোচনাৰ সন্মুখীন হ'ব লগা হয়। কিন্তু, ৰাছিয়াৰ সৈতে ভাৰতৰ ইমান ঘনিষ্ঠ সম্পৰ্ক ৰখাটো প্ৰয়োজনেই? বিশ্বৰ ৰাজনীতিত ৰাছিয়াৰ স্থান সলনি হ'লে ভাৰতৰ কি হ'ব? ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ দৰে সংঘাতত ভাৰতৰ স্থান কি হোৱা উচিত? এই সম্পৰ্কই ভাৰতৰ স্বাৰ্থ ৰক্ষা কৰিব পাৰিবনো নাই? উল্লেখ্য যে ভাৰত-ৰাছিয়া সম্পৰ্ক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। ইয়াৰ সুবিধা অসুবিধা দুয়োটাই আছে। ভবিষ্যতলৈ এই সম্পৰ্ক কিদৰে আগবাঢ়ে সেইটো ভাৰতৰ কূটনৈতিক দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰিব। ভাৰতে ৰাছিয়াৰ সৈতে থকা সম্পৰ্ক ৰক্ষা কৰাৰ লগতে আন ৰাষ্ট্ৰৰ সৈতেও সু-সম্পৰ্ক বৰ্তাই ৰাখিবলৈ চেষ্টা কৰিব লাগিব। এনে কৰিলেহে ভাৰতে বিশ্বৰ ৰাজনীতিত নিজৰ স্থান সুৰক্ষিত কৰিব পাৰিব।

চৰিত পুথি কৈৱৰ্ত্ত

ডঁ অচ্যুত কুমাৰ দাস

চৰিত পুথি সমূহ হৈছে অসমৰ গুৰুসকলৰ জীৱনৰ বিতং তথা প্ৰকাশ কৰা গ্ৰন্থ। গুৰু তথা আতাসকলৰ উপৰিও এনেগ্ৰন্থত তেওঁলোকৰ সময়ৰ ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক অৱস্থা আৰু ধৰ্ম সংস্কাৰৰ বিষয়ে উল্লেখ থাকে। সেয়েহে এনে গ্ৰন্থবোৰক মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ এক উৎকৃষ্ট নিৰ্দশন বুলি ক'ব পাৰি। এই গ্ৰন্থসমূহে অসমীয়া সমাজ, ব্যৱস্থাত আধ্যাত্মিক জ্ঞান দিয়াৰ লগতে মহাপুৰুষ জনাৰ দ্বাৰা সৃষ্ট নৱ-বৈষ্ণৱ আন্দোলনৰ ধাৰাটোক আজিও জীপাল কৰি ৰাখিছে। ভক্তি ধৰ্মৰ মাধ্যমেৰে অসমীয়া সমাজখনক একগোট কৰি ৰখা, মহাপুৰুষজনা তথা আতাসকলৰ চিন্তাধাৰা কৰ্ম আৰু উদ্দেশ্য তাক প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত চৰিত পুথিসমূহৰ অৱদান অনস্বীকাৰ্য। সেয়েহে গুৰু চৰিত কথাত মহেশ্বৰ নেওগদেৰে তেখেতৰ দ্বাৰা সম্পাদিত এই গ্ৰন্থখনিৰ বিষয়ে এইদৰে উল্লেখ কৰিছে - 'গুৰু চৰিত কথা" শংকৰদেৱৰ প্ৰৱৰ্তিত অসমৰ ভক্তি আন্দোলনৰ মনোৰম অভিলেখ। লগতেই শংকৰদেৱৰ পূৰ্বৰ, শংকৰদেৱৰ জীৱাকালৰ আৰু পিছৰ অসমৰ বহল এখনি ছবি দাঙি ধৰে। ..... এই গ্ৰন্থখনি আমাৰ জাতীয় ইতিহাসৰ, অসমীয়া মানুহৰ বুৰঞ্জীৰ একপ্ৰধান অংগ। (P-124)

এই চৰিত পুথিসমূহৰ আধাৰত আৰু তাত উল্লেখ থকা বিভিন্ন ঘটনা পৰিঘটনাক সাঙুৰি মহাপুৰুষজনাৰ সময়ছোৱাত কৈৱৰ্ত্তসকলৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰাৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে মহাপুৰুষজনাৰ ধৰ্মৰ মূলমন্ত্ৰ আছিল "নাহি ভকতিত জাতি-অজাতি বিচাৰ। এতেকে সমস্তৰে অধিকাৰ"। এই মূলমন্ত্ৰৰ জৰিয়তে গুৰুজনাই নৈৰ-বৈষ্ণৱ আন্দোলনৰ দ্বাৰা এখনি জাতপাতহীন সমাজৰ ধাৰাটোক আগুৱাই নিবলৈ সক্ষম হৈছিল। যিটোক কৈৱৰ্ত্ত সমাজেও আঁকোৱালি লৈছিল। মহাপুৰুষজনাই তেওঁৰ যি সংস্কাৰমুখী ধৰ্মৰ প্ৰৱৰ্তন কৰিছিল তাত কেইবাজনো কৈৱৰ্ত্ত ভকতৰ সৃষ্টি হৈছিল যেনে শ্ৰীৰাম, ধ্বজা আটি, ভীমা বায়ন আদি আৰু মাতৃ সমাজৰ পৰা জয়ন্তী বা সতী ৰাধিকা উল্লেখযোগ্য। এইসকলৰ নাম গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰে পদৰ জৰিয়তে উল্লেখ কৰি থৈ গৈছে।

মহাপুৰুষ জনাই ভক্তিধৰ্মৰ ক্ষেত্ৰত বা ধৰ্মাচৰণৰ প্ৰসংগত জাতিভেদক প্ৰশ্ৰয় নিদিয়াৰ ধাৰণা ভ্ৰমণ কালতেই লাভ কৰিছিল। বিশেষকৈ পূৰীত থাকোঁতেই মহাপুৰুষজনাই ব্ৰহ্মপুৰাণ ব্যাখ্যা কৰিছিল। সেয়েহে তাবাই 'কীৰ্ত্তন'ৰ "উবেষা বৰ্ণন"ত এইদৰে উল্লেখ কৰিছে -

বিষ্ণুৰ নৈবেদ্যহত অন্ন পিঠাপনা।
ভক্ষাভক্ষ্য তাহাৰ বিচাৰে যিটো জনা।।
হোৱে মন্দ বোলী তাক ভাৰ্যা পুত্ৰ এড়ে।
নাহিকে নিস্তাৰ ঘোৰ নৰকত পৰে।।
অন্ত্য বৰ্ণে হীন বৰ্ণে যিটো অন্ন ছোৱে।
তাক ভুঞ্জি সমস্ত পাতকে মুক্ত হোৱে।।
ছোৱা গন্ধ বুলি যিটো অন্ন নখায় মোৰ।
বিপদে পাৰে তাক কবো
দণ্ড ঘোৰ।।

সি যি কি নহওক আমাৰ উদ্দেশ্য চৰিত পুথিত উল্লেখ কৰা কৈৱৰ্ত্তৰ বিষয়ে অবগত কৰা। সেয়েহে প্ৰথমেই উল্লেখ কৰিব বিচাৰিছো, কৈৱৰ্ত্ত মাতৃ সমাজৰ পৰা সতী ৰাধিকাৰ বিষয়ে। সতী ৰাধিকা কৈৱৰ্ত্ত সমাজৰ নাৰী শক্তিৰ উদাহৰণ। সতী ৰাধিকা কেৱল বৰ্তমান কৈৱৰ্ত্ত সমাজৰে নহয় সমগ্ৰ নাৰী জাতিৰ বাবে অনুপ্ৰেৰণাৰ উৎস। মহাপুৰুষ জনাই সমাজত লিংগ বৈষম্যতা, উচ্চ-নীচ মনোভাৰ নাইকিয়া কৰিবৰ বাবে আজিৰ পৰা ৫০০ বছৰৰ আগতেই ব্যৱস্থা গ্ৰহণ কৰিছিল। তাৰেই উৎকৃষ্ট উদাহৰণ হৈছে সতী ৰাধিকা বা ৰাধিকা সতী। জন্ম ৰৱদোৱাৰ ওচৰৰ নলঞ্চা গাঁৱত। সতী ৰাধিকাৰ বিষয়ে কথা গুৰু চৰিত্ৰ এই দৰে উল্লেখ আছে যে - যেতিয়া মহাপুৰুষ জনাই ভক্তি প্ৰচাৰৰ সময়ত বট্টদৱাত আছিল তেতিয়া তাত এটি সুঁতি আছিল যিটোক টেম্ববনী জান বুলি জনা যায়। যিটো জানৰ ফলত সেই সময়ত বছৰি বছৰি সেই অঞ্চলত বানপানীৰ ফলত শস্য নষ্ট হৈছিল।

উল্লিখিত দুগৰাকীমান কৈৱৰ্ত্ত আতাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। যিসকল মহাপুৰুষজনাৰ লগত ওতপ্ৰোত সম্পৰ্ক আছিল যেনে - ধ্বজা আটি - যি গৰাকীয়ে মহাপুৰুষজনাৰ প্ৰথম নাট "চিহ্নযাত্ৰা" পৰিৱেশনৰ আগত কীৰ্ত্তনঘৰৰ চাঁয়নাৰ খুঁটা, দাম, গড় সমস্তৰ ৰোৱা কামী-মাৰলি প্ৰস্তুত কৰি যি ঘৰৰ চাল সাজিছিল তাত প্ৰথমে শংকৰদেৱ (ডেকাগিৰিয়ে) গাঁঠি এটা দিয়ে, তাৰ পাছত ৰাম ৰাম গুৰু, তাৰ পিছত ধ্বজা আটে, পৰমানন্দ আটে সৰ্বজয় আটে প্ৰমুখ ভূঞা ব্ৰাহ্মণা সকলো মিলি ঈশ্বৰ কীৰ্ত্তন ঘৰ সাজিছিল। এইয়া আছিল অসমীয়াৰ প্ৰথম কীৰ্ত্তন ঘৰ য'ত নিৰ্মানৰ সময়ত কৈৱৰ্ত্ত ধ্বজা আটেও জড়িত আছিল।

অন্য এগৰাকী আতা হৈছে ভিমাবায়ন (ধীমা)। যি গৰাকীয়ে জগন্নাথ গান্ধীয়া, চন্দ্ৰামতি গায়ন (যোল্লমতি) তুন্দা (শূত্ৰা) লভিয়া নটুৱাসকলৰ লগা লাগি তাল খোল ধৰি নানা ৰঙ্গে গীতে ৰাগৰে মহোৎসৱৰ যাত্ৰা ভাওনা কৰিছিল। যেতিয়া ফাণ্ডন উল্লিখিত দুগৰাকীমান কৈৱৰ্ত্ত আতাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। যিসকল মহাপুৰুষজনাৰ লগত ওতপ্ৰোত সম্পৰ্ক আছিল যেনে - ধ্বজা আটে - যি গৰাকীয়ে মহাপুৰুষজনাৰ প্ৰথম নাট "চিহ্নযাত্ৰা" পৰিৱেশনৰ আগত কীৰ্ত্তনঘৰৰ চাঁয়নাৰ খুঁটা, দাম, গড় সমস্তৰ ৰোৱা কামী-মাৰলি প্ৰস্তুত কৰি যি ঘৰৰ চাল সাজিছিল তাত প্ৰথমে শংকৰদেৱে (ডেকাগিৰিয়ে) গাঁঠি এটা দিয়ে, তাৰ পাছত ৰাম ৰাম গুৰু, তাৰ পিছত ধ্বজা আটে, পৰমানন্দ আটে সৰ্বজয় আটে প্ৰমুখ ভূঞা ব্ৰাহ্মণা সকলো মিলি ঈশ্বৰ কীৰ্ত্তন ঘৰ সাজিছিল। এইয়া আছিল অসমীয়াৰ প্ৰথম কীৰ্ত্তন ঘৰ য'ত নিৰ্মানৰ সময়ত কৈৱৰ্ত্ত ধ্বজা আটেও জড়িত আছিল।



অধ্যাপক মহেশ্বৰ নেওগ স্মাৰক ন্যাস পৰিষদ

ভাৰত-আমেৰিকা সম্পৰ্কত শিক্ষা আৰু সংস্কৃতিৰ ভূমিকা

ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক বাণিজ্য, নিৰাপত্তা আৰু কূটনীতিৰ ক্ষেত্ৰত জনাজাত হ'লেও, ইয়াৰ প্ৰকৃত শক্তি লুকাই আছে শৈক্ষিক আৰু সাংস্কৃতিক বিনিময়ত। এই মানৰীয় সংযোগে দুই দেশৰ নাগৰিকৰ মাজত শ্ৰদ্ধা, বিশ্বাস আৰু সহযোগিতাৰ এক দৃঢ় ভেটি গঢ়ি তুলিছে, যিয়ে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰি আহিছে।

এই সম্পৰ্কৰ এক অন্যতম গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈছে উচ্চ শিক্ষা। প্ৰতি বছৰে হাজাৰ হাজাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰী আমেৰিকাৰ বিদ্যাত্ত বিশ্ববিদ্যালয়সমূহত বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা, ব্যৱসায় আৰু মানৱীয় বিজ্ঞানৰ দৰে বিষয়ত অধ্যয়ন বাবে নাম ভৰ্তি কৰে। এই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অনন্য দৃষ্টিভংগী, সাংস্কৃতিক বৈচিত্ৰ্য আৰু বৌদ্ধিক সমৃদ্ধিৰ জৰিয়তে আমেৰিকাৰ শৈক্ষিক পৰিবেশক সমৃদ্ধ কৰে। তেওঁলোকৰ অভিজ্ঞতা আৰু পটভূমিয়ে শ্ৰেণীকোঠাত বৈচিত্ৰ্যপূৰ্ণ আলোচনাৰ সৃষ্টি কৰে, যিয়ে শিক্ষাৰ অভিজ্ঞতাক গতিশীল আৰু বহুমাত্ৰিক কৰি তোলে। ইয়াৰ বিপৰীতে, তেওঁলোকে আমেৰিকাৰ উন্নত গৱেষণাৰ সুবিধা, অত্যাধুনিক প্ৰযুক্তি আৰু বিশ্বব্যাপী শৈক্ষিক নেটৱৰ্কৰ সুবিধা লাভ কৰে। এই বিনিময়ে দুই দেশৰ মাজত জ্ঞানৰ সেতু নিৰ্মাণ কৰে আৰু দুয়োখন দেশৰ উন্নতি সাধন কৰে।

এই শৈক্ষিক সহযোগিতাৰ ফলাফল বহুমুখী। বহুতাতীয় ছাত্ৰ-ছাত্ৰী শিক্ষা সমাপ্ত কৰি ভাৰতলৈ ঘুৰি আহি নিজৰ অৰ্জিত জ্ঞানৰ দ্বাৰা দেশৰ সামাজিক, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত উন্নয়নত অৰিহণা যোগায়। আন কিছুমান আমেৰিকাত থাকি সেই দেশৰ জ্ঞানভিত্তিক অৰ্থনীতিত অংশগ্ৰহণ কৰে আৰু গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত নেতৃত্ব দিয়ে। এই দ্বিমুখী অৰিহণাই দুয়োখন দেশৰ মাজৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্কক শক্তিশালী কৰিছে। ফুলব্ৰাইট-নেহৰু কাৰ্যসূচীৰ দৰে উদ্যোগ, যৌথ গৱেষণা প্ৰকল্প আৰু শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰী সহযোগিতাই এই শৈক্ষিক সেতুক আৰু দৃঢ় কৰিছে। এই কাৰ্যসূচীসমূহে শৈক্ষিক আৰু সাংস্কৃতিক বিনিময়ৰ সুযোগ প্ৰদান কৰে আৰু দুয়োখন দেশৰ শিক্ষাবিদ আৰু গৱেষকৰ মাজত দীৰ্ঘমেয়াদী সহযোগিতাৰ পথ মুকলি কৰে। উদাহৰণস্বৰূপে, যৌথ গৱেষণা প্ৰকল্পসমূহে জলবায়ু পৰিবৰ্তন, কৃত্ৰিম বুদ্ধিমত্তা আৰু অনায়ত্তাৰ দৰে বিশ্বব্যাপী প্ৰত্যাহ্বানৰ সমাধানত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়।

ইয়াৰ উপৰিও ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ আমেৰিকাৰ শিক্ষা ব্যৱস্থাত অংশগ্ৰহণে পাৰস্পৰিক শিক্ষণৰ এক অনন্য পৰিবেশ সৃষ্টি কৰিছে। তেওঁলোকৰ উপস্থিতিয়ে আমেৰিকাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাবিদসকলক ভাৰতৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচিত কৰে। একে সময়তে ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলে আমেৰিকাৰ বৈচিত্ৰ্যময় সমাজ আৰু উদ্ভাৱনীমূলক পৰিবেশৰ পৰা শিক্ষা লাভ কৰে। এই পাৰস্পৰিক শিক্ষণে শৈক্ষিক ক্ষেত্ৰৰ উৰ্দ্ধত বিশ্বব্যাপী নাগৰিকত্ব আৰু সাংস্কৃতিক সহনশীলতাৰ প্ৰসাৰ কৰে।

আমেৰিকাত চাৰি নিযুতৰো অধিক ভাৰতীয়ই তথ্য প্ৰযুক্তি, চিকিৎসা, বিত্ত আৰু ৰাজহুৱা সেৱাত উৎকৃষ্ট কাম কৰি দুই দেশৰ সম্পৰ্কক গতিশীল কৰি ৰাখিছে। ভাৰতীয় শাস্ত্ৰীয় সংগীত, নৃত্য, উৎসৱ আৰু খাদ্যৰ জৰিয়তে তেওঁলোকে ভাৰতীয় পৰম্পৰাক আমেৰিকাত জীৱন্ত কৰি ৰাখিছে। আমেৰিকাৰ উদ্ভাৱনী ক্ষমতা, নাগৰিকৰ দায়িত্ব আৰু উদ্যোগী মনোভাৱ গ্ৰহণ কৰি তেওঁলোকে দুই দেশৰ মাজত বুজাপৰাৰ এক শক্তিশালী ভেটি গঢ়ি তুলিছে।

শিক্ষাৰ বাহিৰেও সাংস্কৃতিক বিনিময়ে দুই দেশৰ মাজত গভীৰ সংযোগ সৃষ্টি কৰিছে। ভাৰতীয় চলচ্চিত্ৰ, সাহিত্য, যোগ আৰু আধ্যাত্মিক অ ন্ ৰ্ শ ী ল নে আমেৰিকাত ক্ৰমশ জনপ্ৰিয়তা লাভ কৰিছে। বিশেষকৈ যোগ এতিয়া বিশ্বব্যাপী সুস্থতাৰ আন্দোলনত পৰিণত হৈছে। আনহাতে, আমেৰিকাৰ চলচ্চিত্ৰ, ফেশ্বন আৰু জনপ্ৰিয় সংগীতে ভাৰতৰ, বিশেষকৈ তৰুণ প্ৰজন্মৰ মাজত ব্যাপক আকৰ্ষণ সৃষ্টি কৰিছে। এই সাংস্কৃতিক পাৰস্পৰিকতাই কু-সংস্কাৰ ভাঙি মুক্ত মনোভাৱৰ পৰিবেশ সৃষ্টি কৰে। পৰ্যটন, শিল্প প্ৰদৰ্শনী আৰু সাংস্কৃতিক উৎসৱৰ দুই দেশৰ নাগৰিকৰ মাজত প্ৰত্যক্ষ যোগাযোগৰ সুযোগ প্ৰদান কৰে।

তথাপি ভিছা বিলম্ব, নীতিগত সীমাবদ্ধতা আৰু আমেৰিকাৰ শিক্ষাৰ ক্ৰমবৰ্ধমান ব্যয়ৰ দৰে প্ৰত্যাহ্বানে বিনিময়ৰ পথত বাধা সৃষ্টি কৰে। কঠোৰ ভিছা নীতি আৰু প্ৰযুক্তি নিয়ন্ত্ৰণে শিক্ষা আৰু দক্ষ পেছাদাৰী বিনিময়ত অসুবিধাৰ সৃষ্টি কৰে। উচ্চ শিক্ষাৰ ব্যয় ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে এক গুৰুত্বপূৰ্ণ সমস্যা হৈ পৰিছে।

ইয়াৰ উপৰিও, বাণিজ্যৰ ক্ষেত্ৰত উচ্চ শুল্ক, যেনে ৫০ শতাংশ শুল্ক, ভাৰতৰ বাণিজ্যৰ সৈতে সম্পৰ্ক আৰু ৰু-ৰাজনৈতিক উত্তেজনাই দুয়ো দেশৰ মাজত সহযোগিতাৰ পথত প্ৰতিবন্ধকতা সৃষ্টি কৰে। তথাপি, দুয়োখন দেশে বৃত্তি, ডিজিটেল শিক্ষা আৰু সাংস্কৃতিক প্ৰকল্পৰ জৰিয়তে এই বাধাসমূহ হ্ৰাস কৰাৰ বাবে অবিৰত প্ৰচেষ্টা চলাই আছে।

শৈক্ষিক আৰু সাংস্কৃতিক সংযোগক এক সাধাৰণ ভবিষ্যতৰ বিনিয়োগ হিচাপে বিবেচনা কৰা উচিত। এই সংযোগে ব্যক্তিসকলক একেলগে কাম কৰিবলৈ, বিশ্বব্যাপী প্ৰত্যাহ্বানৰ সমাধান কৰিবলৈ আৰু বিভিন্ন পৰম্পৰাৰ প্ৰতি সম্মান গঢ়ি তুলিবলৈ প্ৰস্তুত কৰে। ছাত্ৰ, শিল্পী আৰু পেছাদাৰীসকলৰ পাৰস্পৰিক আদান-প্ৰদানে এনে বিশ্বাসৰ সৃষ্টি কৰে, যিটো কেবল চুকাৰী চুক্তিৰ দ্বাৰা সম্ভৱ নহয়।

আগন্তুক বছৰবোৰত বৃত্তিৰ সুযোগ সম্প্ৰসাৰণ, গতিশীলতাৰ সহজ পথ সৃষ্টি কৰা আৰু অধিক সাংস্কৃতিক সহযোগিতাৰ প্ৰসাৰ কৰা আতি গুৰুত্বপূৰ্ণ হ'ব। ডিজিটেল শিক্ষণ মঞ্চ, শৈক্ষিক অংশীদাৰীত্ব আৰু যৌথ সাংস্কৃতিক প্ৰকল্পৰ জৰিয়তে দুই দেশৰ সমান সুবিধা নিশ্চিত কৰিব পাৰি।

নীতি পৰিবৰ্তন হ'ব পাৰে, চৰকাৰ সলনি হ'ব পাৰে, কিন্তু শিক্ষা আৰু সাংস্কৃতিৰ জৰিয়তে গঢ়ি উঠা বন্ধন চিৰস্থায়ী হৈ থাকে। ভাৰত-আমেৰিকাৰ শৈক্ষিক আৰু সাংস্কৃতিক বিনিময়ে প্ৰমাণ কৰে যে মানৱীয় তৰংগ সহযোগিতাই উচ্চ পৰ্যায়ৰ কূটনীতিৰ সমৰ্থন কৰিব পাৰে। এই আদান-প্ৰদানে দুই দেশক সমৃদ্ধ কৰিছে আৰু এক সামগ্ৰিক, উদ্ভাৱনীমূলক আৰু ভবিষ্যতমুখী বিশ্বব্যাপী অংশীদাৰিত্বৰ ভেটি স্থাপন কৰিছে।

ললিত নাথ

অভিষেক দাসৰ হত্যাকাৰীৰ শাস্তি হ'বনে?

সৌ সিদিনা অৰ্থাত ২০ আগষ্ট তাৰিখে তামোলপুৰ জিলাৰ কচুকাটা গাঁৱৰ দীপক দাসৰ পুত্ৰ অভিষেক দাস আৰু তেওঁৰ কেইগৰাকীমান বন্ধুৰ সঁতে পৰ্যটন থলি বগামাটিবপৰা চাৰিচকীয়া বাহনেৰে ডৈমাৰি অঞ্চলৈ ভ্ৰমণে গৈছিল। ডৈমাৰি অঞ্চলৰ পৰা ফুৰি আহোঁতে একেখন জিলাৰে সুবাগপুৰ আৰক্ষী চকীৰ অন্তৰ্গত উপৰখুটি গাঁৱৰ ভবালী চ'ক'ত সিহঁতৰ বাহনখনে এখন ই- বিস্কাক বচাবলৈ গৈ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাতিত থকা দোকান এখনত খুন্দা মাৰে। আৰু যাৰ ফলত দোকানখন কিছু পৰিমাণে ক্ষতি হৈছে যদিও আমি দেখি থকা ভিডিঅ' ফুটেজ বা স্থানীয় বাইজেও কোনো অভিযোগ কৰা এতিয়ালৈ শুনা নাই যে দুৰ্ঘটনাত পতিত হোৱা বাহনখনৰ খুন্দাত কোনো লোক আঘাতপ্ৰাপ্ত হৈছে বুলি।

আৰু আমি দেখি থকা আৰু পাই থকা তথ্যসমূহৰ মতে দুৰ্ঘটনাত পতিত হোৱা বাহনখনেই বৰ বিশেষ তৎপৰতা দেখাই ক্ষতি নহোৱাৰ লগতে বাকী সতীৰ্থ সকলো দুৰ্ঘটনাটোৰ বৰ বিশেষ আঘাত প্ৰাপ্ত হোৱাও দেখা নাই। কিন্তু তৎস্বত্ত্বেও চালকৰ আসনত থকা অভিষেক দাস মৃমূর্ষু প্ৰায় অবস্থাত দুৰ্ঘটনা স্থলীৰপৰা প্ৰায় চল্লিশ-পঞ্চাশ ফুট আতৰত পৰি ৰ'ল কেনেকৈ?

ভিডিঅ' ফুটেজ সমূহত দেখিবলৈ পোৱামতে দুৰ্ঘটনাস্থলীত উপস্থিত থকা কোনোৱে চিএৱৰি চিএৱৰি উচতাইছে 'এ মাৰ ইইতক, কোবাই মাৰি পেলা'। তাৰ পাছতে দেখিছো শুনিছো অভিযেকৰ মৰণ কাতৰ আৰ্তনাদ। আৰু দেখিছো অভিযেক চিকিৎসালয়লৈ নিৰ বিচাৰ বেটেৰী বিস্কাখনক আগুৰি ধৰি উপস্থিত বাইজ তথা নৰপিশাচহতে

ডিম্বেশ্বৰ শৰণীয়া

বাধা প্ৰদান কৰিছে। চাওক মানুহ কেমান নিৰয় আৰু নিষ্ঠুৰ হ'লে এনে কৰ্ম পৰিব পাৰে! এইবোৰ দেখি আৰু শুনি কোনোবাই কৈ'ব পাৰিবনে যে এয়া হত্যাকাণ্ড নহয় বুলি? স্থানীয় বাইজে বৰ সুন্দৰকৈ সজাই পৰাই নাটক এখন লিখি উলিয়াই এতিয়া তাৰ সংলাপ ৰাজহুৱা কৰি সভা মানুহৰ মুখা এখন পিন্ধাৰ চেষ্টা অব্যাহত ৰখিছে। তেনে কৰাটোৱেই স্বাভাবিক।

প্ৰথম অৱস্থাত সিদিনাৰ সেই ঘটনাটোক লৈ আৰক্ষী প্ৰশাসনে এটা সাধাৰণ দুৰ্ঘটনা বুলিয়েই ধৰ বিৰোধ তৎপৰতা প্ৰদৰ্শন কৰা নাছিল যদিও পিচলৈ যেনিবা দল সংগঠন তথা ৰাইজৰ অভিযোগৰ ভিত্তিতেই ঘটনাটোক গুৰুত্ব সহকাৰে লৈ তদন্তকাৰী সমিতি গঠন কৰিছে। আৰু এই লেখা লিখি থকা সময়ত ঘটনাটোৰ উচিত তদন্ত খাতিবত ৰাজহুৱা সাক্ষীৰ ব্যৱস্থা কৰিছে যদিও এটা কথাত আমি আচৰিত হৈছো যে ঘটনাটো সংঘটিত হোৱা সময়ৰ ই মানৱোৰ 'ভিডিঅ' ফুটেজ থকাৰ পিচতো আৰক্ষী প্ৰশাসনে এতিয়ালৈ কোনো এজনকে সোধ-পোচৰ কাৰণে মহাপুৰুষজনাৰ নাট "চিহ্নযাত্ৰা"ত শিৱৰ ভাও লোৱা বুলি এইদৰে উল্লেখ কৰিছে —

"হৱৰ মুখাক পিন্ধি ৰংগে ধ্বজা গৈলা।
আৰৱ বৈকুণ্ঠে নিয়া তাক্ষ থাপি থৈলা"।।

কথা গুৰু চৰিতত উল্লিখিত আন এক উদাহৰণ দিব বিচাৰিছো যিটোৱে প্ৰমাণ কৰে যে মহাপুৰুষজনাৰ দ্বাৰা সৃষ্ট একশৰণ হৰিনাম ধৰ্ম কি দৰে কৈৱৰ্ত্ত সমাজত আকোঁৱালি ল'ব তাৰ বিষয়ে তেতিয়াই তেওঁ মন্তব্য প্ৰকাশ কৰি গৈছে। কথা গুৰু চৰিত উল্লেখিত কথাখিনি এনেধৰণৰ -

"আৰু একদিনা দুয়ো জনা গুৰু ঠাকুৰ আতা, জন্তি মধাই আনো ভক্ত সবেৰে গৈছে বুৰী লুইতে ভটিয়াই। পাণেংদি ঘাটে বাইহ ফৈদৰ একক্ষী কাপৰ ধুইছে উলংগতে। উপৰ ভাগে কতকনি গৈ গুৰুজনে বোলে ৰৰাপো, কি দেখিলা বোলে বাপ একো নেদেখোঁ। বোলে কৰৈলা চাই আছিছিলা? বোলে বাপ আপুনাৰ ভাৱয়াপাদ পংকজলৈহে চাই আহা গৈছে। পাছে তেনেতে লুইতৰ গোঁ চাবিছে এটি চণ্ডালৰ ছাৱা। তেঞে বুলিলে বান্ধব কৃষ্ণ। পাছে গুৰুজনে বোলে ই বালক কৃষ্ণ। ইয়াৰ মুখত যে নাম আহিল। এই দেশত নাম ধৰ্ম বস্তু প্ৰকাশ হ'ব (পৃ ঃ ৭৫)

কথা গুৰু চৰিতৰ আঁত ধৰি নলঞা গাঁৱৰ কোবাইকটা সত্ৰ আৰু বৰ্তমান স্থিতি ঃ কোবাইকটা সত্ৰ নগাঁও জিলাৰ বটদৱা থানা আৰু মৌজাৰ অন্তৰ্গত। সত্ৰখনিৰ চাৰিসীমা হ'ল - উত্তৰে দেউৰা বিল, আমলক্ষী, শিলপুখুৰী বটদৱা সংযোগী গড় কাপ্তানি পথ, দক্ষিণে কুঁজিবিল শান্তিডাঙ্গ, আইভেটি, ধণীয়াভেটি গোসাঁই গাঁও, পশ্চিমে কুঁজিসত্ৰ, শিলপুখুৰী আৰু গোসাঁইখন্দা। অতীত এই কোবাইকটা সত্ৰখন নলঞা গাঁৱৰ অবশিষ্ট আছিল। নলঞা গাঁওখন বৃহৎ টেঙৰনী বান্ধৰ অন্তৰ্গত। শংকৰদেৱ, মাধবদেৱ, দামোদৰদেৱ, সতীবাৰিকা, হৰিদাস বনিয়া আদিৰ পিছৰ কালত গুৰুজনাৰ নাতি-বোৱাৰী আইকণকলতাই ৰাইদংগীয়া (নগাঁও) ওচৰৰ আইভেটিত থাকি ৰৱদোৱা থানৰ সন্ধান কৰিছিল। আইগাৰকীয়ে আইভেটিৰ পৰা ভকতসকলকৈ বিস্তৃত ৰৱদোৱা এলেকাত হাবি ভাঙি যাবলৈ ধৰে। এইদৰে যাওঁতে ডাডকী চৰাইৰ মাত শুনা পালে আৰু কাষ চাপি যোৱাত এখনি গাঁও বিচাৰি পালে য'ত কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকসকল বসবাস কৰি আছিল। উক্ত গাঁওখনিৰ বৃদ

> মুক্তিযোদ্ধা কামেশ্বৰ দাসে পঢ়া অৱস্থাতেই মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত পূৰ্ণ সহযোগ আগবঢ়াইছিল। ১৯২১ চনত কলিকতাৰ বিপন কলেজত আইন পঢ়ি থকা সময়ত কলিকতাৰ অসমীয়া ছাত্ৰসকলক লগত লৈ তদানীন্তন গভর্ণৰৰ কাউন্সিলৰ কার্যবাহী সদস্য এ. মজিদ চাহাবক সাক্ষাৎ কৰি আন্দোলনকাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ প্ৰতিবাদ কৰিছিল। সেই বাতৰিয়ে ৰৱপেটা-বজালীৰ লগতে সমগ্ৰ অসমৰ আন্দোলনকাৰীক অনুপ্ৰাণিত কৰিছিল। তাৰ পাছতেই তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিৱেশনত যোগদান কৰি তেওঁ কেবাগৰাকী সৰ্বভাৰতীয় নেতাৰ দৃষ্টিত পৰিছিল। ১৯৩০-৩২ চনত আইন অমান্য আন্দোলনত ওকালতি বৰ্জন কৰি আফিং, গাজ আৰু মদৰ দোকানত পিকেটিং কৰিছিল।

অসম লোকসেৱা আয়োগৰ প্ৰথমগৰাকী অধ্যক্ষ

কিংবদন্তী কামেশ্বৰ দাস

দিলীপ কুমাৰ ৰয়

"Nobel Prize winning physicist Dr. Chandrashekhar Venkata Raman had come to be a part of the Golden Jubilee Celebrations of Cotton College. On arrival, the first thing he inquired about was the news of Kameswar Das. The organizers were in a fix. Because, they had not invited Kameshwar Das. They tracked him down and invited him. They were told that Kameswar Das had provided a lot of help to Dr. Raman in his research work. His name was also mentioned in the acknowledgment page of the bibliography of Dr. Raman's research work." - Former HoD of the Department of Linguistics, Gauhati University, Late. Dr. Rohini Kumar Mahanta.

"The state executive of Assam Pradesh Congress Committee was holding discussion. Gopinath Bardoloi was in the chair. The Chairman of Assam Public Service Commission was going to be appointed soon. Bardoloi wished for a towering personality for the very significant job. British officers leave India. Administration would have to be run by honest, efficient and dedicated officers of our own. It will be the duty of the Commission to select them. The Chairman of the Commission would have to lead from front. President Gopinath Bardoloi invited the members to propose names. But no proposal came. Bardoloi once again started to express his thoughts. "It's not the leaders but the officers who determine the quality of the administration. We must select them on merit, which will have to be established through strict methods of selection. There must'nt be any room for suspicion at any level. The personality of a man glorifies the office he holds. If corruption slides from top to bottom, so do effects of good action. We hope and belief that influence of honesty and integrity of the man whom we appoint as the Chairman of Assam Public Service Commission will bring in honest and efficient administration to our land. I wanted for proposal from your end, but nobody came out with one. So, I wish to bring my proposal for your consideration. Can't we give the task to Mr. Kameswar Das? He would be the best man." - said Bishnu Ram Medhi and others agreed in one voice.

"Many of the friends of Kameswar Das subsequently became famous leaders of Assam. One was Sir Shadullah who became Chief Minister of Pre Indipendent Assam. Kameswar Das and Shadullah became good friends when they were Students of Lord Ripon Law College. The two were much interested in horse race. The two friends, Shadullah and Kameswar, occasionally kept bet at the horse race. Kameswar often won the bet and Shadullah deafeted.

আৰ্থিক অনাটনত আনৰ গৰখীয়া হৈ থাকোঁতে স্কুলঘৰৰ বাহিৰৰ পৰাই আন ছাত্ৰই দিব নোৱৰা উত্তৰ দিয়া গৰখীয়া ল'ৰাজন কামেশ্বৰ দাস, কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গণিতত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পোৱা গণিতজ্ঞজন বজালীৰ কামেশ্বৰ দাস, কলিকতা বিশ্ববিদ্যালয়, বংগুল মহাবিদ্যালয় আৰু মহীশুৰ মহাবিদ্যালয় আদিত গণিতৰ অধ্যাপক হিচাপে নিযুক্তি পোৱা অনন্য গণিতজ্ঞ বজালীৰ কামেশ্বৰ দাস। স্ব-ব্যবসায় আৰু জন্মভূমিৰ জণগণৰ হ'কে সেৱা আগবঢ়োৱাৰ মানসিকতাত বন্দী হৈ সেই অধ্যাপকৰ পদৰ লগতে অসম চৰকাৰৰ বহু লোভনীয় চাকৰি পোনাচটেই প্ৰত্যাখান কৰিবলৈ সাহস কৰা লোকজন বজালীৰ কামেশ্বৰ দাস, গৰখীয়া ল'ৰা এজন পাঁচবাৰকৈ বিধান সভা আৰু বিধান পৰিষদত MLA আৰু MLC যদি হ'ব পাৰিছে সেইজন কামেশ্বৰ দাস, স্বাধীনতা-উত্তৰ কালৰ অসম লোকসেৱা আয়োগৰ প্ৰথম অধ্যক্ষ হিচাপে নিযুক্ত কৰিবলৈ অসমৰ সকলোকে চেৰ পেলাই গোপীনাথ ৰৰদলৈ আৰু বিষ্ণুৰাম মেধীৰ চকু পৰা লোকজন বজালীৰ কামেশ্বৰ দাস, প্ৰাক-স্বাধীন কালৰ অসমৰ মুখ্যমন্ত্ৰী ছাৰ চাদুল্লাৰ বন্ধু হৈ ঘোঁৱা দৌৰ প্ৰতিযোগিতাত গাণিতিক সূত্ৰ প্ৰয়োগ কৰি অনায়াসে চাদুল্লা চাহাবক পৰাজিত কৰা ব্যক্তিজন বজালীৰ কামেশ্বৰ দাস, নামনি অসমৰ অন্যতম আগশাৰীৰ কলেজ হিচাপে স্থান লাভ কৰা ৰৰপেটাৰ "মাধব চৌধুৰী কলেজ" আৰু বজালীৰ অঞ্চলৰ "বজালী কলেজ" দুখনৰ অধ্যক্ষ হিচাপে গুৰুভাৰ লৈ নামনি অসমৰ উচ্চ শিক্ষাৰ বাট কাটোঁতা শিক্ষাবিদগৰাকী কামেশ্বৰ দাস, ১৯৪০ চনৰ গান্ধীৰ সত্যাগ্ৰহ আন্দোলনত ৰৰপেটা জিলাৰ প্ৰথম সত্যাগ্ৰহী হিচাপে গ্ৰেপ্তাৰ হোৱা আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সৰ্বপ্ৰথম গণনায়ক (Dictator) ভন বজালীৰ কামেশ্বৰ দাস, অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, অসমপ্ৰাণ বিষ্ণুৰাম মেধি, চিৰকুমাৰ ৰাঘৰ চন্দ্ৰ দাস আৰু সহপাঠী তথা তীক্ষ্ণধী শিক্ষাবিদ ডং বাণীকান্ত কাকতিৰ অন্য এক প্ৰতীক। গৰখীয়াৰ পৰা গতি কৰি নিজকে দহজনৰ আদর্শ স্বৰূপে গঢ়ি তোলা তেওঁৰ জীবন আমি ভবাতকৈ কিমান সমস্যাৰে ভাৰাক্ৰান্ত আছিল আৰু সেইবোৰ কেনেদৰে পাৰ কৰি জীবনক জীবন হিচাপে গঢ় দিয়া অসমৰ কিংবদন্তী কামেশ্বৰ দাস।

জন্ম আৰু শৈশৱকাল

"২-৩ ১-৪৩ ৫১-২৩ ২-১৯৪৫ "- মুগুৰীয়া হাণ্ডুগাঁও প্ৰাথমিক বিদ্যালয়ৰ পণ্ডিত সন্তোষাম চৌধুৰীয়ে প্ৰথম শ্ৰেণীৰ ছাত্ৰসকলক অংকটো কৰিবলৈ ক'লে। এজনৰ বাহিৰে বাকীবোৰ ছাত্ৰই অংকটো কৰা দুৰৰ কথা কেবল মুখ মেলি চাইহে আছিল। সেইজনে থিয় হৈ অংকটো পণ্ডিতক দেখু�ৱালে। পণ্ডিত চৌধুৰীয়ে ছাত্ৰজনক বাঃ বাঃ দিবলৈ লওঁতেই আন এজনে থিয় হৈ ক'লে "চাৰ, অংকটো সি কৰানেই, কামেহীহে কি দিছে আৰু সি কৰিছে।" পণ্ডিত চৌধুৰীয়ে কোন কামো বুলি সোধাত স্কুলৰ বাহিৰত গৰু চৰাই থকা ল'ৰাজন দেখুৱাই দিলে। পণ্ডিত চৌধুৰীয়ে ল'ৰাটো মাতি আনি ক'লে - "তই স্কুলত পঢ়িব লাগিব, পঢ়িবিনে? "সি ক'লে — "আমাৰ পিতে মচিঁ, আই মোক বেলেগোৱ গোৰু চাবাকে থৈছি। মোই ইস্কুলক আইভা নোৱাঁ!" আবেলি পণ্ডিত সন্তো ৰাম চৌধুৰী গৈ কামোৰ ঘৰ পালে আৰু মাকক ল'ৰাজনক স্কুলত নামভর্তি কৰি দিয়াৰ কথা ক'লে। মাকে সম্মত নহ'ল। কাৰণ কামোই বেলেগৰ গৰু চৰাই মাহেকত দুই টকা পায় আৰু মাকেও আনৰ ঘৰত কাম কৰি অলপ-অচৰপ পায়। তাৰেই মাক, কামো আৰু কামোতকৈ ডাঙৰ পুত্ৰ মাউহা, এই তিনিজনীয়া পৰিয়ালটো চলে। পণ্ডিতে একে আষাৰেই কামোই অৰ্জা দুই টকাটো প্ৰতিমাহে মাকক দিম বুলি ক'লে আৰু কামোক নিজৰ ঘৰত নি ৰাখি পঢ়ুৱাব বুলি ক'লে। মাক এইবাৰ সম্মত হোৱাত পণ্ডিত চৌধুৰীয়ে কামোক মান ভর্তি কৰি দিয়াৰ সাহস পালে। কামোৰ পিতাকৰ নাম আছিল বাণোহ। পণ্ডিতে পিতাকৰ নাম 'বাণেশ্বৰ দাস' আৰু কামোৰ নাম 'কামেশ্বৰ দাস' কৰি স্কুলৰ নথিত সন্নিবিষ্ট কৰি নাম ভর্তি কৰাই দিলে। কামেশ্বৰৰ দেহৰ গঢ় চাই ভর্তি বহীত জন্ম তাৰিখ লিখিলে ০১/০৩/১৮৯৩। এনেদেৰে বজালী জিলাৰ অন্তৰ্গত বামাথাটা গাঁওৰ বাদনপাবা চুবুৰীৰ পাঁচগৰাকী ভাই-ভনীৰ নুমলীয়া 'কামো' ১৯০১ চনত কামেশ্বৰ নামেৰে হাণ্ডুগাঁও প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ হৈ পৰিল।

শিক্ষা জীবন ঃ

পণ্ডিত চৌধুৰীয়ে কামোক প্ৰথম বছৰত 'ক'-মান আৰু 'খ'-মান দুয়োটা শ্ৰেণী প্ৰমোশন দিলে আৰু দ্বিতীয় বছৰত ছমাহ প্ৰথম মানত ৰাখি বাকী ছমাহ দ্বিতীয় মানলৈ প্ৰমোশন দিলে। ১৯০৩ চনত সৰকালৰ বৃত্তি ৰেবৰ্ড ভংগ কৰি প্ৰাথমিক বৃত্তি লাভ কৰিলে। ১৯০৪ চনত চৌথুটীস্থ বজালী ছাত্ৰবৃত্তি স্কুলত নামভর্তি কৰাৰ পিছত তাতো একে বছৰত ডাবল প্ৰমোশন দিলে। ১৯০৫ চনত তিনিবছৰীয়া পাঠ্যক্ৰম দুবছৰতে সমাপ্ত কৰি বৃত্তিসহ এম. ভি. পাছ কৰিলে। ১৯০৬ চনত সেই গাঁৱৰেই কেইজনমান সুহৃদ ব্যক্তি আৰু বিজনী মৌজাৰ পুষ্পৰাম চৌধুৰীয়ে ৰৰপেটা হাইস্কুলত নামভর্তি কৰাই দিলে। ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত মেট্ৰিক পৰীক্ষা দি গণিত আৰু আন তিনিটা বিষয়ত লেটাৰ মার্কসহ প্ৰথম বিভাগত উত্তীর্ণ হয়। ১৯১১ চনত পুষ্পৰাম মৌজাদাৰৰ আৰ্থিক সাহায্যত কটন কলেজত আই.এছ.চি ত নাম লগালে। ১৯১৩ চনত কলিকতা বিশ্ববিদ্যালয় ভিতৰত ষষ্ঠ স্থান অধিকাৰ কৰি উত্তীর্ণ হ'ল। ১৯১৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনষ্ঠ ঢাকা চৰকাৰী কলেজৰ পৰা অংক বিষয়ত অনার্চ সহ বি.এছ.চি-ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম.এছ.চি ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি উত্তীর্ণ হ'ল। তাৰ পাছত কলিকতা বিশ্ববিদ্যালয়ৰ অংক শাস্ত্ৰৰ সুবিখ্যাং পণ্ডিত 'লর্ড হার্ডিঞ্জ প্ৰফেচৰ' Dr. C. E. Cullis ৰ তত্ত্বাৱধানত গৱেষণা আৰম্ভ কৰি এবছৰ গৱেষণা কৰাৰ পিছত অসম চৰকাৰে জলপানি বন্ধ কৰি দিয়াত তেওঁৰ গৱেষণা কার্য আধাতে সামৰণি পৰিল। তেওঁৰ এই গৱেষণালব্ধ তথ্যসমূহ Dr. Cullis ৰ Theory of Determinoid — Vol. II গ্ৰন্থত ঠাই পাইছে। ১৯২০ চনত কলিকতাৰ বিপন আইন কলেজত ভর্তি হৈ ১৯২৩ চনত প্ৰথম শ্ৰেণী পাই আইনৰ স্নাতক ডিগ্ৰী লাভ কৰে।

কর্ম জীবন ঃ

১৯১৭ চনত এম-এছ-চি সুখ্যাতিৰে পাছ কৰাৰ সুবাদতে প্ৰাচ্যৰ শ্ৰেষ্ঠ কলিকতা বিশ্ববিদ্যালয়ত কামেশ্বৰ দাসদেবক ১৯১৮ চনত গণিতৰ অধ্যাপক হিচাপে নিযুক্তি পত্ৰ দিছিল। কিন্তু জন্মভূমিৰ মানুহে তেওঁলে দেখুওৱা মৰম আৰু দৰদৰ প্ৰতিদানত তেওঁ জন্মভূমিৰ লোকক সেৱা কৰাৰ পণ বঞ্চিত হ'ব বুলি যোগদানৰ তাৰিখ উকলি যোৱাৰ পিছতহে উপাচাৰ্যক লগ কৰিবলৈ গৈছিল আৰু পৰা মুলধন লৈ কলিকতাত টেী চলোৱাৰ বাৰসায়ত নামে। তাতে দুখনৰ পৰা পাঁচখনলৈ পুৰণা টেী লৈ চলাইছিল। ইয়াৰ পিছত ভাস্কৰ বীমা কোম্পানীত ডিৰেক্টৰ হিচাপে কাম কৰে। কিছুদিন ৰৰপেটা উদ্যোগিক সমবায় ৰেংকো ডিৰেক্টৰ হয়। তৰুণবয়া ফুকন, গোপীনাথ ৰৰদলৈ, বিষ্ণুৰাম মেধি, কামাখ্যানাম বৰুৱা, কিবণ বেজবৰুৱা আদি বিশিষ্ট ব্যক্তিসকলৰ ১৯১৫ চনৰ পৰা ১৯২৩ চনলৈ তেওঁ ডেৰ বছৰ কাল বেংকত চাকৰি কৰাৰ বাহিৰে বাকী সময় পঢ়া-পাতি কৰিছিল।

চাকৰিৰ চিন্তা বাদ দি কলিকতা বিশ্ববিদ্যালয়ৰ গণিতৰ বিশাৰদ ছাত্ৰজনে কলিকতাত ধান, সৰিয়হ আদিৰ ব্যৱসায় আৰম্ভ কৰে। তাৰপিছত চাৰ ছাদুল্লাৰ সৈতে প্ৰতিষ্ঠানিত হয়—তথাপি ই কেতিয়াও হতাশাত ভাঙি নাযায়। বৰঞ্চ ইয়াত এক কৰুণ সৌন্দর্য, ক্ষন্তেকীয়া আৰু পাহৰি যোৱা বস্তুৰ প্ৰতি এক শ্ৰদ্ধা।

উদাহৰণস্বৰূপে তেওঁৰ অন্যতম প্ৰখ্যাত কবিতা "দ্য ডার্কলিং থ্ৰাছ" (১৯০০)। শীতকাৰ পৰিবৰ্তনৰ সময়ত লিখা এই কবিতাটোৱে ভি"ক্টোৰিয়া যুগৰ ম্লান হৈ অহা সজীৱতাক প্ৰতিফলিত কৰিছে। শীতকালৰ নির্জন প্ৰাকৃতিক দৃশ্যৰ মাজত বজাই শুনিছে এটা চৰাইৰ অভাৰনীয় গীত-

At once a voice arose among
The bleak twigs overhead
In a full-hearted evensong
Of joy illimited;

ডাঃ মৃণাল দাস

এই শাৰীবোৰত হার্ডিয়ে আমাক এটা বহস্যময় আশাৰ মুহূর্ত দিছে— মৃত্যুমুখী পৃথিবীৰ পটভূমিত উঠি আহা এক ভংগৰ আনন্দ। কবিতাটোৰ পৰা অনুমান কৰিব পাৰি যে হতাশাৰ মাজতো সৌন্দর্যই হয়তো অভাৰনীয়ভাৰে ফুলি উঠিব পাৰে।

হার্ডিৰ কবিতাক যিটোৱে পৃথক কৰি তুলিছে সেয়া হ'ল ইয়াৰ গভীৰ ব্যক্তিগত সুৰ। তেওঁ প্ৰায়ে নিজৰ অভিজ্ঞতা নিজেই খনি কৰিছিল—বিশেষকৈ তেওঁৰ প্ৰথম পত্নী এমাৰ মৃত্যুৰ ফলত ১৯১২—১৩ চনৰ কবিতাত সংগ্ৰহ কৰা গভীৰভাৰে প্ৰভাবিত কৰা ধাৰাবাহিক কাহিনীৰ সৃষ্টি হৈছিল। ইংৰাজী সাহিত্যৰ আটাইতকৈ মন দুই যোৱা কবিতাবোৰৰ কিছুমান অন্যতম, শোকক এক যন্ত্ৰণাদায়ক অন্তৰ্গোতাৰে ধৰি ৰাখিছে।

"দ্য ভইচ"ত তেওঁ কল্পনা কৰে যে তেওঁ কবৰৰ সিপাৰৰ পৰা এমাৰ (প্ৰথম পত্নী) তেওঁক মাতি থকা শুনিছে-

Woman much missed, how you call to me, call to me, Saying that now you are not as you were When you had changed from the one who was all to me, But as at first, when our day was fair.

ইয়াত হার্ডিৰ পদ্যটো হৈ পৰে স্মৃতি আৰু আকাংক্ষাৰ এক প্ৰতিক্ষন কক্ষ, যাঁত অতীত সজীৱ আৰু বেদনাদায়কভাৱে প্ৰাপ্তন হৈ পৰে।

ডৰচেটৰ স্থানীয় লোক হিচাপে হার্ডিয়ে ইংৰাজী গ্ৰাম্য অঞ্চলত সাম্বুনা আৰু প্ৰতীকী দুয়োটাকে পাইছিল। তেওঁৰ ৰচিত "ৰেচ"ৰ পৰিৱেশ তেওঁৰ কবিতাসমূহৰ এক পুনৰাবৃত্তিমূলক পৰিবেশত পৰিণত হয়— প্ৰকৃতিৰ ছন্দৰ মাজত মানৱ নাটক খেলা প্ৰায় পৌণ্ডীক স্থান।

হার্ডিৰ কবিতাৰ প্ৰাকৃতিক দৃশ্য কেতিয়াও কেবল পটভূমি নহয়—এইবোৰ নিজৰ মাজতে চৰিত্ৰ, আৱেগিক অৱস্থাৰ প্ৰতিফলন, ইতিহাসৰ সাক্ষী আৰু সমাধৰ ওজন বহন কৰা।

যদিও প্ৰথম অৱস্থাত তেওঁৰ উপন্যাসক দুটা পৰিছিল, হার্ডিৰ কবিতাৰ উচ্চতা গোটেই ২০ শতিকাটোত বৃদ্ধি পাইছিল, টি.এছ.ইলিয়ট দৰে আধুনিকতাবাদীসকলে। এলিয়ট আৰু এজ্ৰা পাউণ্ডে তেওঁৰ সাধাৰণ ডিকচন, সংগীতময়তা আৰু অটল আৱেগিক সততাক প্ৰশংসা কৰিছিল। আজি তেওঁৰ কবিতাবোৰক নিজস্ব শক্তি, দাৰ্শনিক গভীৰতা আৰু মানুহ হোৱাৰ ওজংতা—আৰু মর্যাদা— আমাক অনুভৱ কৰাব পৰা অসাধাৰণ ক্ষমতাৰ বাবে লালন-পালন কৰা হৈছে।

হার্ডিৰ হাতত কবিতা শিল্পতকৈও অধিক হৈ পৰে— ই হৈ পৰে স্মৃতিৰ পাত্ৰ, অস্থায়িত্বৰ ধ্যান আৰু পিছলি যোৱা সকলোবোৰৰ বাবে বিলাপ। আৱেগেৰে ডুব যোৱা আৰু নিখুঁত সংগীতেৰে নির্মিত তেওঁৰ সৃষ্টিশীল কবিতাবোৰ জীৱনৰ দুখজনক সৌন্দর্যক বেছিভাগতকৈ ভালকৈ বুজি পোৱা এজন মানুহৰ প্ৰমাণ হৈয়েই আছে।

গুৱাহাটীৰ ৰাজীৱ ভৱনত

এটা গোচৰ দাখিল কৰা হয়। এই অভিযোগত বিজেপিৰ সংশ্লিষ্ট ব্যক্তিসকলৰ দ্বাৰা অবৈধভাৱে হৰ্ডিং ভাঙি নষ্ট কৰা, আৱশ্যকীয় সৈতে কাজিয়া কৰা আৰু সম্পত্তি ধ্বংস কৰাৰ দৰে কাৰকলাপৰ উল্লেখ কৰা হৈছে, যিটো ভিডিঅ' ফুটেজ, প্রত্যক্ষদর্শীৰ বিবৰণ আৰু অন্যান্য প্রমাণৰ ভিত্তিত দাখিল কৰা হৈছে। এপিচিচিৰ প্রশাসনিক সাধাৰণ সম্পাদক প্রদ্যুৎ ভূঞাই স্বাক্ষৰিত এই গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ ৯১, ১৯১, ১৯২, ১৩১, ১৩২, ৩২৪, ৩২৯ আৰু ৪৫১ ধাৰাৰ অধীনত অভিযোগ উত্থাপিত হৈছে, য'ত বিজেপিৰ বৰ্তা সিং, ৰূপম গোস্বামী, জুৰি শর্মা বৰদলৈ, গুঞ্জন বর্মন, ৰঞ্জীৰ শর্মা, নিহাৰেন্দ্র শর্মা, পুৰবী বয় আৰু সিদ্ধাৰ্থ অংকুৰ বৰুৱাৰ নাম উল্লেখ কৰা হৈছে। ঘটনাৰ বিস্তাৰিত বিবৰণ অনুসৰি, ৩১ আগষ্টত দুপৰীয়া ১ বজাত বিজেপিৰ এটা দলে ভঙাগড়ৰ দিশৰ পৰা আহি ৰাজীব ভৱনৰ সমুখত পুলিচৰ বাধা অগ্রাহ্য কৰি অবৈধভাবে কংগ্রেছৰ ডাঙৰ হৰ্ডিং আৰু বেনাৰ ভাঙি নষ্ট কৰে। ইয়াৰ উপৰিও তেওঁলোকে আৰক্ষী বিষয়াসকলৰ সৈতে শাৰীৰিক কাজিয়াত লিপ্ত হৈ আৰক্ষীৰ খাকী পোছাকক ক'লা দাগ লগাই দিয়ে, যিটো এটা গুৰুতৰ অপৰাধ হিচাপে দেখা হৈছে। এই ঘটনা কেবল গুৱাহাটীতেই সীমাবদ্ধ নহয়, বৰঞ্চ শোণিতপুৰ জিলা কংগ্রেছ আৰু নগাঁও জিলা কংগ্রেছৰ কার্যালয়তো একে ধৰণৰ আক্রমণ চলোৱা হৈছে বুলি অভিযোগ উঠিছে, যিটো বিজেপিৰ গুণ্ডামিৰ প্রকাশ হিচাপে বর্ণনা কৰা হৈছে। এটা বিবৃতিত প্রদ্যুৎ ভূঞাই কয় যে কংগ্রেছে নেতা বাহুল গান্ধীৰ বিৰুদ্ধে বিজেপিৰ পক্ষৰ পৰা ভুৱা অভিযোগ উত্থাপিত কৰি এই আক্রমণ চলোৱা হৈছে। তেওঁ কয়, "বাহুল গান্ধীয়ে প্রধানমন্ত্রীৰ মাতৃৰ বিৰুদ্ধে কোনো মন্তব্য কৰা নাই। যি অভিযোগ উঠিছে, সেই সভাত বাহুল গান্ধী সভাকক্ষ এৰাব ১৬ মিনিট পিছত বিজেপি সাংখ্যাদল মুৰ্চাৰ এজন কমী মহম্মদ ৰিজভিয়ে মন্তব্য কৰিছিল, যাক ইতিমধ্যে বিহাৰ পুলিচে গ্রেপ্তাৰ কৰিছে।" ভূঞাই কয় যে কোনো প্রমাণ নোহোৱাকৈ কংগ্রেছৰ কেন্দ্রীয় নেতাসকলৰ বিৰুদ্ধে এনে ধৰণৰ অভিযোগ কৰা চেষ্টা চলোৱা হৈছে, আৰু বিজেপিক চ্যালেঞ্জ জনাই কয় যে "যদি বাহুল গান্ধীয়ে কিবা কথা কৈছে, তেন্তে তাৰ প্রমাণ তেওঁলোকে প্রকাশ কৰক। তেওঁলোকৰ দলৰ বিৰুদ্ধে গণতান্ত্রিক আন্দোলনৰ পৰিবর্তে হিংসাত্মক কার্যকলাপ চলোৱাটো গণতন্ত্রৰ প্রতি ভাবুকি।" তেওঁ এই ধৰণৰ অশুভ পৰম্পৰা বিজেপিয়ে আৰম্ভ কৰা বুলি উল্লেখ কৰি কয় যে ৰাজনৈতিক দল কার্যালয় আক্রমণৰ এই ঘটনা ইতিহাস ক'লা আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব। ইফালে, এপিচিচিৰ সংবাদ মাধ্যম বিভাগৰ অধ্যক্ষ বেদব্রত বৰাই এই আক্রমণক নিন্দা মানসিকতাৰ পৰিচায়ক বুলি বর্ণনা কৰি কয় যে "হতাশগ্রস্ত আৰু ক্ষমতালোভী কিছুমান লোকে নিজৰ গাদী আৰু সুবিধা হেৰুৱাৰ আশংকাত এনেদৰে ক্ষোভ প্রকাশ কৰিছে। অসমৰ ৰাইজে এই ঘটনাক নীৰবে হ'লেও সুক্ষ্মভাবে পর্যবেক্ষণ কৰি আছে।" গোচৰ দাখিল কৰিবলৈ যোৱা দলটোৰ নেতৃত্বত আছিল জেষ্ঠ নেতা মোহন বসুমতাৰী, মেহদী আলম বৰা, বেদব্রত বৰা, ৰূপক দাস, মুখপাত্র উপেন বাজমাথ, ছাইদুদ্দিন আহমেদ, আনোৱাৰ হুছেইন আৰু মাক্তাৰ গোলাম ওছমানি উপস্থিত আছিল। বিজেপিৰ দৃষ্টিকোণৰ পৰা এই ঘটনা বাহুল গান্ধীৰ দ্বাৰা প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু তেওঁৰ মাতৃৰ বিৰুদ্ধে কৰা অভদ্র মন্তব্যৰ বিৰুদ্ধে প্রতিবাদ হিচাপে কৰা হৈছে, য'ত পাঁচ হাজাৰতকৈ অধিক কর্মীয়ে অংশগ্রহণ কৰিছিল। বিজেপিয়ে এই প্রতিবাদক শান্তিপূর্ণ বুলি দাবী কৰিছে, যদিও কংগ্রেছৰ অভিযোগত হিংসা আৰু সম্পত্তি ধ্বংসৰ কথা উল্লেখ আছে। এই ঘটনাই অসমৰ ৰাজনৈতিক পৰিস্থিতিক অধিক উত্তপ্ত কৰি তুলিছে, আৰু কংগ্রেছে তেনাসকলে কয় যে ই গণতন্ত্রৰ মূল্যবোধৰ ওপৰত আঘাত। পুলিচ তদন্তৰ ফলাফলৰ অপেক্ষাত আছে সকলোৱে, যাতে দোষীসকলক শাস্তি দিয়া যায় আৰু ভবিষ্যতে এনে ঘটনা প্রতিৰোধ কৰা যায়।

বিজনীত ওঠৰজন প্রার্থীৰ

কার্যালয়ত ঢোলে-ডগৰে হেজাৰ হেজাৰ সমর্থকক লগত লৈ ওঠৰ গৰাকী প্রার্থীয়ে মনোনয়ন পত্র দাখিল কৰে। বিশেষকৈ বিজনীৰ চাৰিটা পৰিষদীয় সমষ্টিত আজিৰ দিনটোত বিপিএফ, ইউপিপিএল, আগপ, চিপিআই(এম), নিৰ্দলীয় প্রার্থীকে আদি কৰি বিভিন্ন দলৰ প্রার্থীয়ে কৃষ্টি দল, বেৰ পার্টিসহ হেজাৰ হেজাৰ সমর্থক লগত লৈ মনোনয়ন পত্র দাখিল কৰে। প্রথম দিনা বিপিএফৰ ফালৰ পৰা ১৬ নং নিচিমা সমষ্টিত জেম্ছ বসুমতাৰী, ১৭ নং সুবাইঝাৰ সমষ্টিৰ ধীৰাজ বৰগয়াৰী, ১৯ নং থুবিবাৰী সমষ্টিৰ খলিফুৰ ৰহমান আৰু ১৮ নং মানাছ ছেবফাং সমষ্টিত জাংগিলা হাজোৱাৰীয়ে মনোনয়ন পত্র দাখিল কৰে। ইউপিপিএলৰ ফালৰ পৰা বিজনীৰ ১৬ নং নিচিমা সমষ্টিৰ পৰা বঞ্জিত বসুমতাৰী ওৰফে ফেৰেংগা, ১৭ নং সুবাইঝাৰ সমষ্টিত ফণীন বড়ো, ১৮ নং মানাছ ছেবফাং সমষ্টিত ধনঞ্জয় বসুমতাৰী, ১৯ নং থুবিবাৰী সমষ্টিত ৰঞ্জু আহমেদে মনোনয়ন পত্র দাখিল কৰে। মনোনয়নৰ সময়ত ইউপিপিএল প্রার্থী কেইগৰাকীক সংগ দিয়ে সাংসদ জয়ন্ত বসুমতাৰীয়ে। ইফালে আজিৰ দিনটোত অগপৰ তৰফৰ পৰা ১৯ নং থুবিবাৰী সমষ্টিত পাৰ্থজিৎ ৰায়, কংগ্রেছৰ ১৮ নং মানাছ ছেবফাং সমষ্টিত অনিমা ব্রহ্ম, ১৬ নং নিচিমা সমষ্টিত আগছিৰ নাজৰী, তুণমূল কংগ্রেছৰ ১৯ নং থুবিবাৰী সমষ্টিত আলী হুছেইন, ১৬ নং নিচিমা সমষ্টিত মাছুা মুছাহাৰী, ১৯ থুবিবাৰী সমষ্টিত চিপিআই(এম)ৰ শুভংকৰ ঘোষ, নিৰ্দলীয় প্রার্থী হিচাপে ১৯ নং থুবিবাৰী সমষ্টিত জিয়াকুল হক, অল্টাৰনেটিভ পার্টি অফ বডোলেণ্ডৰ ৰঞ্জু নং নিচিমা সমষ্টিত জিবেণ বসুমতাৰী, আনহাতে দলটোৰ ৰোজবাজ বসুমতাৰীয়ে ১৭ নং সবাইঝাৰ আৰু ১৯ নং থুবিবাৰী দুয়োটা সমষ্টিতে মনোনয়ন পত্র দাখিল কৰে।

লংকা পৌৰসভাৰ অবিবেচক কাণ্ড
ক্লক টাৱাৰৰ বাবে বটবৃক্ষ কাটি আশ্রয়হীন কৰিলে হেজাৰ হেজাৰ পক্ষীক

অসম বার্ত্তা, লংকা, ২ চেপ্টেম্বৰ ঃ লংকা পৌৰসভাৰ অবিবেচকী কার্যৰ পৰিণতিত আশ্রয়হৰ্ণা হেৰুৱালে হাজাৰ হাজাৰ পক্ষীকুলে। হাজাৰ হাজাৰ চৰাইৰ আশ্রয় ল'ৰিনে নাইকিয়া হৈ পৰিল আশ্রয়হৰ্ণা। এটা ক্লক টাৱাৰৰ বাবে কাটি পেলোৱা হ'ল হাজাৰ হাজাৰ পক্ষীয়ে আশ্রয় গ্রহণ কৰি অহা এজোপা পুৰণি বটবৃক্ষ। ইয়াক লৈ ক্ষুব্ধিত হৈ পৰিছে স্থানীয় ৰাইজ। 'ক্লক টাৱাৰ নালাগে, আমাক গছ লাগে' ধ্বনিৰে প্রতিবাদ কৰি মুখৰিত কৰি তোলে ক্লক টাৱাৰৰ কাষত গছ কটা স্থানত। আজি পুৱা লংকাৰ মজিয়াত লিংক ৰ'ড আৰু লংকা-নগাঁও ৰ'ডৰ সংযোগস্থলত নির্মাণৰত এটা ক্লক টাৱাৰৰ বাবে ধ্বংস কৰা হ'ল বহুল বছৰ পুৰণি গছজোপা। লগতে আন কেইবাজোপামান সৰু সৰু নিম গছ কাটি পেলোৱা হ'ল। নির্মাণৰত ক্লক টাৱাৰটোৰ এটা ফাল গছজোপাৰ বাবে দেখা নোপোৱা হোৱাৰ বাবে এনেদৰে গছজোপা কটাৰ হঠকাৰী সিদ্ধান্ত ল'ৰিলে কৃষ্ণাবাৰী নকৰিলে লংকা পৌৰসভাই। গছজোপাত আশ্রয় লৈ থকা হাজাৰ হাজাৰ পক্ষী কঁলৈ যাব, সেয়া এবাৰলৈও ভাবিবলৈ আহৰি নহ'ল পৌৰসভাৰ পৌৰসদানেত্রী পাৰমিতা ৰায় সাহাই কিম্বা কার্যবাহী বিষয়া দীপজ্যোতি মহন্তৰ। আজি পুৱা লংকা পৌৰসভানেত্রী পাৰমিতা ৰায় সাহাৰ উপস্থিতিতে এই গছ কটা কার্য কৰুণ, শোকাকুল পৰিবেশৰ সৃষ্টি হৈছে ঠাইজোৰখত। নিজৰ আশ্রয়স্থলী গছজোপা বিচাৰি চৰাইবোৰে আর্তনাদ কৰি হাহাকাৰ কৰি উৰি ফুৰা দৃশ্যই সকলোৰে চকু সেমেকাই তুলিছে। এইক্ষেত্রত সকলোৱে তীব্র ভাষাৰে গৰিহণা দিছে লংকা পৌৰসভাৰ অবিবেচকী সিদ্ধান্তক। ৰাইজৰ স্পষ্ট কথা- আমাক ক্লক টাৱাৰ নালাগে, গছ লাগে। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই গছ ৰোপণ কৰিবলৈ বাজ্যবাসীক আহ্বান জনাই উৎসাহিত কৰাৰ সময়তে বেজিপৰি পৌৰসভানেত্রী গৰাকীৰ গছ ধ্বংস কার্যই আচৰিত কৰি তুলিছে সকলোকে।

যুদ্ধক্ষেত্রত হাগ্রামা মহিলাৰী,

বডোভূমিত নির্বাচনী উত্তেজনা তুংগত হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলে ইতিমধ্যে তেওঁলোকৰ প্রার্থী তালিকা প্রকাশ কৰিছে। এই পৰিপ্রেক্ষিতত বড়োলেণ্ড পিপলছ ফ্রন্টে (বিপিএফ) প্রথমে দুখন তালিকা প্রকাশ কৰাৰ পিছত দেওবাংহ নিশা দলটোৰ সভাপতি হাগ্রামা মহিলাৰীয়ে চিবাং জিলাৰ কাজলগাঁওত থকা বিপিএফৰ কার্যালয়ত এক সংবাদসেলন জৰিয়তে ছাজনীয়া অন্তিম প্রার্থী তালিকা ঘোষণা কৰে। এই তালিকাক শিৰোভাগত আছে বিপিএফৰ সভাপতি হাগ্রামা মহিলাৰী নিজে, যিয়ে ১৪ নম্বৰ চিবাং দুৰাৰ সমষ্টিৰ পৰা প্রতিদ্বন্দ্বিতা কৰিব। তালিকাত স্থান পোৱা আন পাঁচগৰাকী প্রার্থী হ'ল: ৭ নম্বৰ ফকিবাগ্রাম সমষ্টিৰ পৰা এজামুল হক, ৯ নম্বৰ বনবগাঁও সমষ্টিৰ পৰা সুবিমাত্র বসুমতাৰী, ২৪ নম্বৰ মুছলপুৰ সমষ্টিৰ পৰা প্রাক্তন কার্যবাহী সদস্য আজুৰুমে খুংগুৰ বড়ো, ২৫ নম্বৰ বাগানপাথা সমষ্টিৰ পৰা বিপিএফৰ সাধাৰণ সম্পাদক মনেশ্বৰ ব্রহ্ম, ২৭ নম্বৰ নাগ্রীভুলি সমষ্টিৰ পৰা ড' উৎসা দাস, ৩৫ নম্বৰ মুঁদৰাৰী সমষ্টিৰ পৰা প্রাক্তন কার্যবাহী সদস্য জগদীশ সবকাৰ, ৩৬ নম্বৰ হৰিশিঙা সমষ্টিৰ পৰা ত্রিদিপ দৈমাৰী। প্রার্থী তালিকা ঘোষণাৰ পিছত সংবাদসেলত হাগ্রামা মহিলাৰীয়ে আত্মবিশ্বাসী মনোভাব প্রকাশ কৰি কয়, "বিপিএফে কোনো দলৰ সৈতে মিত্রতা গঢ়ি কৰা নাই। তাৰ বাবে আমি ২০বো অধিক আসনত জয়ী হ'ম। বিজেপিৰ কোনো নেতাৰ সৈতে আমি কোনো আলোচনা কৰা নাই। কিছুমানে আমাক বন্ধনাম কৰিবলৈ এনে কথা প্রচাৰ কৰিছে, কিন্তু আমি স্পষ্টকৈ কৈছো যে বিপিএফে কাৰো সৈতে মিত্রতা কৰা নাই আৰু কৰিবও নোৱাৰে।" তেওঁ লগতে কয়, "আমি বিজেপি, কংগ্রেছ বা অন্য কোনো দলৰ সমালোচনা নকৰো। আমাৰ মূল লক্ষ্য ইউপিপিএলৰ বিৰুদ্ধে। শাসকীয় দলৰ পৰা হাজাৰ হাজাৰ লোক বিপিএফত যোগদান কৰিছে, যিটো এটা ইতিহাসিক ঘটনা।" প্রাক্তন সতীর্থ চন্দন ব্রহ্মা আৰু খাম্পা বৰগয়াৰীৰ প্রতি লক্ষ্য কৰি হাগ্রামা মহিলাৰীয়ে কয়, "ইউপিপিএলৰ সমর্থকসকলে চন্দন আৰু খাম্পাক ভোট দিবলৈ। তেওঁলোকে মনোনয়ন দাখিল কৰিলে হাৰিব, যাৰ ফলত তেওঁলোকৰ মান-সম্মানৰ ক্ষতি হ'ব। তেওঁলোকে যদি নির্বাচনত অংশ নলয়, তেন্তে আমি তেওঁলোকক তেতিয়াও সম্মান কৰিম। ইউপিপিএলৰ লোকে তেওঁলোকক হৰুবাবৈলৈ প্রার্থী মনোনীত কৰিব। সেয়ে মই চন্দন আৰু খাম্পাক নির্বাচনত নেযেৰিবলৈ অনুৰোধ জনাইছো।" তেওঁ নিজৰ জয়ৰ প্রতি আত্মবিশ্বাস প্রকাশ কৰি কয়, "মই ১৪ নম্বৰ চিবাং দুৰাৰ সমষ্টিৰ পৰা নিশ্চিতভাবে জয়ী হ'ম।" নির্বাচনৰ দিন ওচৰ চাপি অহাৰ লগে লগে বডোভূমিত বাজনৈতিক প্রচাৰ উত্তপ্ত হৈ পৰিছে। বিপিএফৰ এই ঘোষণাৰ পিছত নির্বাচনী প্রতিযোগিতা আৰু জোৰদাৰ হোৱাৰ সম্ভাবনা।

পুনৰ মুকলি হ'ল শিলচৰ-

নিশা সংঘটিত এক অযাচক ভূমিস্খলনৰ ফলত সম্পূর্ণকপে বন্ধ হৈ পৰা শিলচৰ-শিলং-গুৱাহাটী সংযোগী ৬ নম্বৰ ৰাষ্ট্রীয় ঘাই পথটো অৱশেষত লঘু যানবাহনসমূহৰ চলাচলৰ বাবে মুকলি কৰা হৈছে। এই ঘটনাই অসমৰ বৰাক উপত্যকাসহ চুৰবীয়া অঞ্চলসমূহ যেনে মণিপুৰ, মিজোৰাম আৰু ত্রিপুৰাৰ সৈতে যাতায়াত ব্যবস্থাক সামগ্রিকভাবে বিচ্ছিন্ন কৰি তুলিছিল, যাৰ ফলত অঞ্চলটোৰ লোকসকলৰ মাজত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল। ঘটনাৰ বিস্তৃত বিবৰণ অনুসৰি, দেওবাৰে নিশাৰ সময়ত বাতাঘলা আৰু উখৰিয়াঙৰ মাজত অঞ্চলত পাহাৰৰ পৰা বিশাল শিলাখণ্ড আৰু মাটিৰ স্তূপ পথৰ ওপৰত খহি পৰে। এই আকস্মিক ভূমিস্খলনৰ কাৰণে ঘাইপথটো নিশাৰ পৰাই সম্পূর্ণকপে অৱৰোধিত হৈ পৰে, যাৰ ফলত যানবাহনসমূহ চলাচল সম্পূর্ণকপে স্থগিত হৈ যায়। এই ঘটনাই কেবল স্থানীয় যাতায়াতকেই নহয়, সমগ্র উত্তৰ-পূর্বাঞ্চলৰ যোগাযোগ ব্যবস্থাক প্রভাৱিত কৰিছিল। বিশেষকৈ বৰাক উপত্যকাৰ লোকসকলে ওষাৰাটী আৰু শিলচৰে যোৱাৰ পথত যথেষ্ট সমস্যাৰ সম্মুখীন হ'বলগীয়া হৈছিল, আৰু চুৰবীয়া ৰাজ্যসমূহৰ সৈতে পণ্য পৰিবহণৰ ক্ষেত্রতো সামগ্রিক সংকট সৃষ্টি হৈছিল। যদিও এই ভূমিস্খলনৰ প্রভাৱ যথেষ্ট ওকৰুত্বপূর্ণ আছিল, তথাপি জিলা প্রশাসনৰ পক্ষৰ পৰা তৎক্ষণাত পদক্ষেপ গ্রহণ কৰা হয়। নিশাৰ দুই ঘণ্টাৰ পৰাই যুদ্ধকালীন ভিত্তিত পথ মুকলি কৰাৰ কাম আৰম্ভ কৰা হয়। প্রশাসনৰ দলটোৱে ডেকা স্বেচ্ছাসেবক আৰু কর্মীসকলক লগত লৈ অৱৰোধিত অঞ্চলত উপস্থিত হে থৰি পৰা শিল আৰু মাটি আঁতৰোৱাৰ কামত লাগি পৰে। নিশাৰ অন্ধকাৰতো অবিৰতভাবে কাম চলাই যোৱাৰ ফলত সোমাবাৰে পুৰাৰ ভাগতে পথটো লঘু যানবাহনসমূহৰ বাবে উপযোগী কৰি তোলা সম্ভৱ হয়। বর্তমান লঘু যানবাহনসমূহ যেনে গাড়ী আৰু মটৰ চাইকেলসমূহে পথটো ব্যবহাৰ কৰিব পাৰিছে, যদিও ভাৰী যানবাহনসমূহৰ বাবে সম্পূর্ণ মুকলি হোৱালৈ অপেক্ষা কৰিব লাগিব। প্রশাসনৰ সুত্রই জনোৱা অনুসৰি, এই অঞ্চলত বৰষুণৰ পূর্বাভাস থকা ভূমিস্খলনৰ আশংকা আছে, আৰু ভবিষ্যতে এনে পৰিস্থিতিৰ সম্মুখীন হ'বলৈ সাজু থকাৰ বাবে পৰামর্শ দিয়া হৈছে। ইতিমধ্যে যাতায়াত ব্যবস্থা স্বাভাবিক হোৱাত স্থানীয় লোকসকলে সহায় অনুভৱ কৰিছে, আৰু পথটোৰ সম্পূর্ণ মেৰামতিৰ কাম অব্যাহত আছে। এই ঘটনাই উত্তৰ-পূর্বাঞ্চলৰ যোগাযোগ ব্যবস্থাৰ দুর্বলতাক পুনৰ সৌবৰাই দিছে, যাৰ ফলত চৰকাৰী স্তৰত অধিক ব্যবস্থা গ্রহণৰ দাবী উত্থাপিত হৈছে।

উচ্ছেদ অভিযানক লৈ

ন্যায়াধীশ বি আৰ গাভাইক এই বিষয়ত হস্তক্ষেপ কৰি অভিযান সৈতে জড়িত সকলোবোৰ বিৰুদ্ধে আইনী ব্যবস্থা গ্রহণৰ আহ্বান জনাইছে। জমিয়তৰ মুখ্য কার্যালয়ত অনুষ্ঠিত কার্যকৰী সমিতিৰ বৈঠকত মৌলানা আৰ্ছাদ মাদনীয়ে অসমৰ পৰিস্থিতিৰ ওপৰত তীব্র সমালোচনা কৰি কয় যে, "শেহতীয়াকৈ মুছলমান অধ্যুষিত অঞ্চলসমূহত লক্ষ্য কৰি পৰিকল্পিতভাবে বুলডজাৰ চলোৱা হৈছে। এই অভিযানৰ জৰিয়তে প্রায় ৫০ হাজাৰতো অধিক মুছলমান পৰিয়ালক বলপূর্বকভাবে স্থানচ্যুত কৰা হৈছে।" তেওঁৰ দাবী, এই কার্যকলাপ কেবল ধর্মীয় ভিত্তিত পৰিচালিত হৈছে আৰু ই সংবিধান আৰু আইনৰ শাসনক উপেক্ষা কৰিছে। জমিয়তৰ বিবৃতিত কোৱা হৈছে যে, বৈঠকত অংশগ্রহণকাৰীসকলে দেশৰ সাম্প্রতিক পৰিস্থিতিৰ ওপৰত আলোচনা কৰি সাম্প্রদায়িকতা, উদাৰীন, আইন-শৃংখলাৰ অৱনতি আৰু সংখ্যালঘু সম্প্রদায়ৰ বিৰুদ্ধে ধর্মভিত্তিক বৈষম্যৰ বিষয়ে ওকৰুত্বপূর্ণ আলোচনা কৰে। বিশেষকৈ অসমত চলি থকা উচ্ছেদ অভিযানক লৈ তীব্র উদ্বেগ প্রকাশ কৰা হৈছে। বিবৃতিত উল্লেখ কৰা হৈছে যে, "বৰবিচ এ" ধৰণৰ পিছতো মাদ্রাছা আৰু মছজিদৰ বিৰুদ্ধে অভিযান চলি থকাৰ বাবে আমি গভীৰভাবে উদ্বিগ্ন। অসমত ধর্মৰ ভিত্তিত পৰিয়ালসমূহক স্থানান্তৰ কৰাৰ এই প্রক্রিয়া সম্পূর্ণকপে অগ্রহণযোগ্য।" মৌলানা মাদনীয়ে অভিযোগ কৰে যে, "এই উচ্ছেদ অভিযান ৰাজনৈতিক আৰু ধর্মীয় উদ্দেশ্যেৰে পৰিচালিত। মুছলমানসকলক দ্বিতীয় শ্রেণীৰ নাগৰিকৰ দৰে ব্যবহাৰ কৰা হৈছে, যিটো দেশৰ প্রতিজন ন্যায়প্রিয় নাগৰিকে নিন্দা কৰিব।" তেওঁ আৰু কয়, "ৰাজ্য মুখ্যমন্ত্রীৰ কার্যকলাপত সংবিধান বা আইনৰ প্রতি কোনো শ্রদ্ধা বা ন্যায়পালিকাৰ প্রতি কোনো ভয় নাই যেন লাগে।" জমিয়ত উলেমা-ই-হিন্দে এই পৰিস্থিতিৰ তীব্র নিন্দা কৰি ভাৰতৰ মুখ্য ন্যায়াধীশক ছুঅ' মটু ন'টিচ গ্রহণৰ আহ্বান জনাইছে। সংগঠনটোৰ মতে, এই অভিযানত সৈতে জড়িত সকলোৰে বিৰুদ্ধে কঠোৰ আইনী ব্যবস্থা গ্রহণ কৰা উচিত। মাদনীয়ে কয়, "অসমত মুছলমান বসতিস্থলসমূহক লক্ষ্য কৰি চলোৱা এই অভিযানে সংবিধানৰ মৌলিক নীতিৰ পৰিপন্থী। আমি মুখ্য ন্যায়াধীশৰ পৰা এই বিষয়ত তৎকালীন হস্তক্ষেপ কামনা কৰোঁ।" এই অভিযোগে অসমৰ ৰাজনৈতিক পৰিস্থিতিক নতুন মাত্রা দিছে। জমিয়তৰ এই দাবীৰ পৰিপ্রেক্ষিতত ৰাজ্য চৰকাৰৰ পৰবর্তী পদক্ষেপ আৰু ন্যায়পালিকাৰ ভূমিকা লক্ষণীয় হ'ব। সংগঠনটোৱে এই আহ্বানে স্থানীয় আৰু জাতীয় পর্যায়ত বিতর্কৰ সৃষ্টি কৰিছে, আৰু ইয়াৰ ফলাফলৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

আফগানিস্তানত ভয়াৰহ

এই ভূমিকম্পৰ কেন্দ্রবিন্দুৰ ফলত বর্তমানলৈকে প্রায় ৮০০জন লোকৰ মৃত্যু হৈছে। আহত হৈছে ২, ৫০০তো অধিক ব্যক্তি। বহু লোক এতিয়াও সন্ধানহীন, যাৰ ফলত মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। ঘটনাস্থলীত উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে। তথ্য অনুসৰি, প্রথম অবস্থাত মৃতকৰ সংখ্যা তুলনামূলকভাবে কম আছিল যদিও কিন্তু সময়ৰ সৈতে এই সংখ্যা ক্রমাগতভাবে বৃদ্ধি পাইছে, যাৰ কাৰণ স্পষ্ট নহয়। এই পৰিস্থিতিৰ মাজতে মৃত্যুৰ প্রকৃত কাৰণ কি, তাক লৈ প্রশ্ন উত্থাপিত হৈছে। বিশেষজ্ঞসকলৰ মতে, এই ধ্বংসলীলাৰ মূল কাৰণ হৈছে ভূকম্পৰ ফলত লাইনৰ ছান্তাম্ভ। ভূমিকম্পৰ পিছত সামাজিক মাধ্যমত ধ্বংসাবশেষৰ ফটো আৰু ভিডিঅ' ভাইৰেল হৈ পৰিছে। এই দৃশ্যত দেখা গৈছে, ধ্বংসস্তূপৰ তলত আটক হৈ থকা আপোনজনক বিচাৰি হতাশ প্রচেষ্টা চলাইছে বহু লোকে। নুনগাণাল মাজা দালা আঞ্চলৰ বাসিন্দা ছদিক্কুল্লাৰ জনোৱা মতে, নিশা হঠাতে ভয়ংকৰ শব্দৰ পিছত তেওঁ সাৰ পায়। তাতেঁয়াকৈ তিনিটা সন্তানক উদ্ধাৰ কৰি বাহিৰলৈ নিয়াৰ পিছত তেওঁ পুনৰ ঘৰলৈ গৈ বাকী পৰিয়ালৰ লগতেই সকলোক বাহিৰ কৰাৰ চেষ্টা কৰে। কিন্তু তাৰ পূৰ্বেই ঘৰটো ভাগি পৰে, যাৰ ফলত তেওঁৰ পত্নী আৰু দুই পুত্ৰৰ মৃত্যু হয়। আফগানিস্তানত বর্তমান ভয়াৰহ পৰিস্থিতি বিৰাজ কৰিছে। চাৰিওফালে কেবল ধ্বংসাবশেষ দৃশ্য। উদ্ধাৰকাৰী দলসমূহে ধ্বংসস্তূপ তলত আৰদ্ধ হৈ থকা লোকসকলক উদ্ধাৰৰ প্রচেষ্টা অব্যাহত ৰাখিছে। এই ঘটনাৰ পৰিপ্রেক্ষিতত আগন্তুক সময়ত অধিক তথ্য পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

মোদী-পুটিনৰ দ্বিপাক্ষিক

ইউক্রেইনত চলি থকা সংঘাতৰ প্রভাৱ আৰু ভাৰতে ৰাছিয়াৰ পৰা খাৰুৰা তেল ক্রয় কৰাৰ পৰিপ্রেক্ষিতত ভাৰত-আমেৰিকা সম্পর্কত সৃষ্টি হোৱা অস্থিৰতাৰ কথা উল্লেখযোগ্য। এই বাতাবৰণে বিশ্বাজনীতিত নতুন মাত্রা যোগ কৰিছে যদিও ভাৰত আৰু ৰাছিয়াৰ মাজৰ ঐতিহাসিক বন্ধুত্ব অটুট হৈয়ে আছে। সোমাবাৰে এই দুয়োখাৰী নেতাই একেলগে একেখন বাহনত উঠি দ্বিপাক্ষিক বৈঠকৰ স্থানলৈ যাত্রা কৰে, যিটো এক প্রতীকাত্মক দৃশ্য হিচাপে দেখা গৈছে। প্রধানমন্ত্রী মোদীয়ে এই মুহূর্তৰ এখন ফটো সামাজিক মাধ্যম X-ত শেয়াৰ কৰি লিখিছে যে, এছ ডি আ' শীর্ষ সম্মিলনৰ কার্যসূচীৰ পিছত তেওঁলোক দুয়োজনে একেলগে বৈঠকলৈ যাত্রা কৰিছে আৰু পুটিনৰ চেতাৰ হোৱা কথোপকথন সময় অন্তর্দৃষ্টিপূর্ণ হয়। এই যাত্রাই দুয়োখন দেশৰ মাজত ঘনিষ্ঠতাক আৰু অধিক উজ্জ্বল কৰি তুলিছে। বৈঠকত প্রধানমন্ত্রী মোদীয়ে ইউক্রেইন সংঘাতৰ বিষয়ে বিস্তাৰিত আলোচনা কৰি কয় যে, এই সংকটৰ অবসান ঘটাই শান্তি প্রতিষ্ঠা কৰাটো কেবল দুয়োখন দেশৰ বাবে নহয়, সমগ্র মানবজাতিৰ বাবে এক আহ্বান। তেওঁ শেহতীয়াকৈ হোৱা শান্তি প্রচেষ্টাসমূহক স্বাগত জনাই আশা প্রকাশ কৰে যে বাছিয়া আৰু ইউক্রেইন দুয়োখন দেশৰ গঠনমূলকভাবে আগবাঢ়ি যাব আৰু স্থায়ী সমাধান বিচাৰি উলিয়াব। মোদীয়ে জোৰ দি কয় যে, এই সংঘাত আতি সোনকালে শেষ কৰি বিশ্বত শান্তি আৰু স্থিতিশীলতা আনিব লাগিব। ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পর্কক লৈ প্রধানমন্ত্রীয়ে কয় যে, দুয়োখন ৰাষ্ট্রই সদায় কঠিন পৰিস্থিতিতো একেলগে থিয় দি আছিছে আৰু এই ঘনিষ্ঠ সহযোগিতাই কেবল দুয়োখন দেশৰ জনসাধাৰণৰ স্বার্থক নহয়, বিশ্বৰ শান্তি, স্থিতিশীলতা আৰু সমৃদ্ধিৰ বাবেও অতি ওকৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁ পুটিনক এগ্ৰ পোৱাটো সহজ এক স্বাগতীয় অভিজ্ঞতা হিচাপে বর্ণনা কৰি কয় যে, তেওঁলোকে বহুতো বিষয়ত তথ্য আৰু দৃষ্টিভংগীৰ আদান-প্রদান কৰে। দুয়োখাৰী নেতাৰ মাজত অহৰহ যোগাযোগ থাকে আৰু নিয়মীয়াকৈ উচ্চ পর্যায়ৰ বৈঠক অনুষ্ঠিত হয়। ইয়াৰ উপৰিও মোদীয়ে উল্লেখ কৰে যে, চলিত বর্ষৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া ২৩ সংখ্যক দ্বিপাক্ষিক শীর্ষ সম্মিলনৰ বাবে ১৪০ কোটি ভাৰতীয়ৰ আগ্রহেৰে অপেক্ষা কৰি আছে। এই সম্মিলনেদুয়োখন দেশৰ মাজত বিশেষ সুবিধাপ্রাপ্ত অংশীদাৰিত্বৰ গভীৰতা আৰু বিস্তৃতিক প্রতিফলিত কৰিব। উল্লেখ্য যে, কেইমাহমান পিছত পুটিন ভাৰতলৈ আহিবলগীয়া হৈছে, যিটো দুয়োখন দেশৰ সম্পর্কক আৰু শক্তিশালী কৰিব। ইয়াৰ পূর্বে সোমাবাৰে প্রধানমন্ত্রী মোদীয়ে টিয়ানজিনত অনুষ্ঠিত ২৫ সংখ্যক এছ চি আ' মুখৰী পৰিষদৰ সম্মিলনৰ পূর্ণাংগ অধিবেশনত ভাষণ দিয়ে। তাত তেওঁ

ছাত্ৰ-ছাত্ৰীৰ মাজত তৰুণ চন্দ্ৰ পামেগামৰ কবিতা আবৃত্তি প্ৰতিযোগিতা

মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত তৰুণ চন্দ্ৰ পামেগামৰ ৪২ সংখ্যক স্মৃতি দিৱস উদ্‌যাপন

তৰুণ চন্দ্ৰ পামেগাম মাজুলীৰ বিষ্ণু প্ৰসাদ ৰাভা, পামেগামৰ ৰচনা বিদ্যালয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰিব লাগে ঃ যুগল হাজৰিকা

অসম বাৰ্তা, উজনী মাজুলী, বনগাঁও, ৩১ আগষ্ট ঃ "তৰুণ চন্দ্ৰ পামেগাম এজন স্বাভিমানী সাহিত্যিক, এজন সাৰ্থক শিক্ষাবিদ। তৰুণ চন্দ্ৰ পামেগামৰ যাযাবৰী জীৱনটো এক বৰ্ণাঢ্য সংস্কৃতিৰ জীৱন। সেয়ে তৰুণ চন্দ্ৰ পামেগাম মাজুলীৰ বিষ্ণু প্ৰসাদ ৰাভা" - এই মন্তব্য বিশিষ্ট বক্তা তথা ভাষা সংস্কৃতি আৰু শ্ৰীমন্ত শঙ্কৰদেৱ গবেষণা পৰিষদৰ উপ-সভাপতি যুগল হাজৰিকাৰ। তৰুণ চন্দ্ৰ পামেগামক মাজুলীৰ বিষ্ণু প্ৰসাদ ৰাভা আৰু অন্যতম বুলি ব্যাখ্যা কৰি কৃতী শিক্ষক, সাহিত্যিক তৰুণ চন্দ্ৰ পামেগামৰ জীৱন আৰু কৰ্মবাহিনী সঠিক মূল্যায়ন আজিও হোৱা নাই বুলি যুগল হাজৰিকাই আজি মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত নামনি মাজুলীত আয়োজন কৰা তৰুণ চন্দ্ৰ পামেগাম স্মৃতি দিৱসত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি এইদৰে কয়। তেওঁ তৰুণ চন্দ্ৰ পামেগামৰ লেখনি বিদ্যালয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাবো তেওঁ দাবী জনায়। মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত আৰু নামনি মাজুলীৰ তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ সহযোগত আজি সু- সাহিত্যিক, নাট্যকাৰ, কবি, গণশিল্পী, শিক্ষাবিদ তৰুণ চন্দ্ৰ পামেগামৰ ৪২ সংখ্যক স্মৃতি দিৱস আজি নামনি মাজুলীৰ খাৰজানপাৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই উপলক্ষে আজি পুৱা পৰিবেশ নিকাকৰণৰ পাছত গছপুলি বোপণ কৰে তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ সভাপতি ভোলানাথ দাস হাজৰিকাই। তাৰপিছত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে পৰিবেশন কৰা অসম সাহিত্য সভাৰ আৱহণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ কৰা হয়। উক্ত স্মৃতি চাৰণ সভা আৰু এটি ধৰে সম্পাদক সঞ্জীব বৰাই। তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ললিত চন্দ্ৰ হাজৰিকাই উন্মোচন কৰা উক্ত সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে যুগল হাজৰিকাই। সভাত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ৰামসাগৰ নাথ, ৰাজিক কাৰ্যনিৰ্বাহক মনোজ্যোতি বেগম, মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত ৰবা বৃচাভকত, মাজুলী জিলা লেখিকা সমাবেশ সমিতিৰ উপদেষ্টা মিনতি শইকীয়া, মাজুলী জিলা সাংবাদিক সঙ্ঘৰ সভাপতি বিৰাজ শইকীয়া, খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীণ সবকাৰ, তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ নাথ ৰৰুৱা, অৰুণ সৰকাৰ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি পবিত্ৰ ৰবা, মাজুলী জিলা পৰিষদৰ উপ সভাজেত্ৰী জুলি মিলি পায়েং আৰু আঁহ তত্ত্বৰি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰতিযোগীসকলৰ উক্ত প্ৰতিযোগিতাত দুটা শাখাত অংশগ্ৰহণ কৰে। দুপৰীয়া এক ৰাজনামাপাৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত স্মৃতি চাৰণ সভা অনুষ্ঠিত হয়। জিলা সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে পৰিবেশন কৰা অসম সাহিত্য সভাৰ আৱহণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ কৰা হয়। উক্ত স্মৃতি চাৰণ সভা আৰু এটি ধৰে সম্পাদক সঞ্জীব বৰাই। তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ললিত চন্দ্ৰ হাজৰিকাই উন্মোচন কৰা উক্ত সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে যুগল হাজৰিকাই। সভাত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ৰামসাগৰ নাথ, ৰাজিক কাৰ্যনিৰ্বাহক মনোজ্যোতি বেগম, মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত ৰবা বৃচাভকত, মাজুলী জিলা লেখিকা সমাবেশ সমিতিৰ উপদেষ্টা মিনতি শইকীয়া, মাজুলী জিলা সাংবাদিক সঙ্ঘৰ সভাপতি বিৰাজ শইকীয়া, খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীণ সবকাৰ, তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ নাথ ৰৰুৱা, অৰুণ সৰকাৰ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি পবিত্ৰ ৰবা, মাজুলী জিলা পৰিষদৰ উপ সভাজেত্ৰী জুলি মিলি পায়েং আৰু আঁহ তত্ত্বৰি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰতিযোগীসকলৰ উক্ত প্ৰতিযোগিতাত দুটা শাখাত অংশগ্ৰহণ কৰে। দুপৰীয়া এক ৰাজনামাপাৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত স্মৃতি চাৰণ সভা অনুষ্ঠিত হয়। জিলা সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে পৰিবেশন কৰা অসম সাহিত্য সভাৰ আৱহণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ কৰা হয়। উক্ত স্মৃতি চাৰণ সভা আৰু এটি ধৰে সম্পাদক সঞ্জীব বৰাই। তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ললিত চন্দ্ৰ হাজৰিকাই উন্মোচন কৰা উক্ত সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ

কংগ্ৰেছক জন্তু বুলি অভিহিত কৰা মানে প্ৰতি গৰাকী স্বাধীনতা সংগ্ৰামীসকলকো অপমান কৰা

অশোক সিংঘালৰ মন্তব্যক লৈ গোৱালপাৰাত NSUIৰ তীব্ৰ প্ৰতিবাদ

অসম বাৰ্তা, গোৱালপাৰা, ৩১ আগষ্ট ঃ অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংঘালে কংগ্ৰেছক "জন্তু" বুলি মন্তব্য কৰাৰ পাছতে গোৱালপাৰাত তীব্ৰ প্ৰতিবাদৰ সাযস্ত কৰে ছাত্ৰ ছাত্ৰীয়ে। আজি গোৱালপাৰা জিলাৰ এন.এছ.ইউ.আইৰ উদ্যোগত শতাধিক ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ গোৱালপাৰা মহাবিদ্যালয়ৰ সম্মুখত মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাযস্ত কৰে। প্ৰতিবাদকাৰীয়ে হাতে হাতে প্লেকাৰ্ড লৈ "বিজেপি চৰকাৰ হায় হায়", "অশোক সিংঘাল মুৰ্দাবাদ", "অশোক সিংঘালৰ অসভ্যালি বন্ধ কৰক" আদি শ্লোগানেৰে পবিবেশ উত্তাল কৰি তোলে। এন.এছ. ইউ.আইৰ কৰ্মী ইকবাল হুছেইনে সংবাদ মাধ্যমৰ আগত নিজৰ মন্তব্য প্ৰকাশ কৰি কয় যে, অশোক সিংঘালে কৰা এই মন্তব্যক আমি এন.এছ. ইউ.আইয়ে গৰিহণা দিছোঁ। লগতে তেওঁ কয়, ভাৰতীয় জাতীয় কংগ্ৰেছৰ বাবেই দেশ আজাদি পাইছিল, এই কংগ্ৰেছেই আমাক মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুৰ দৰে ব্যক্তিক দিছে। আজিৰ কংগ্ৰেছক জন্তু বুলি অভিহিত কৰাটো কেৱল কংগ্ৰেছক নহয়, স্বাধীনতা সংগ্ৰামী সকলকো অপমান কৰা হৈছে। এন.এছ.ইউ.আইৰ কৰ্মী সকলে অভিযোগ তোলে যে অশোক সিংঘাল সদায় বিতৰ্কমূলক মন্তব্যত জড়িত থাকে। তেওঁলোকৰ ভাষ্য, তেখেত স্বাস্থ্য মন্ত্ৰী হলেও নিজেই যেন মানসিকভাৱে সুস্থ নহয়। নহ'লে তেওঁ এনে মন্তব্য নকৰে। এনে এজন বিতৰ্কমূলক ব্যক্তিক গোৱালপাৰাৰ অভিভাৱক মন্ত্ৰী হিচাপে লাজ লগা গোৱালপাৰাবাসী বাহিল বাবে অতি দুৰ্ভাগ্যজনক। প্ৰতিবাদকাৰীয়ে লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত আবেদন জনাই কয় যে দুৰ্দিনৰ ভিতৰেত অশোক সিংঘালক মন্ত্ৰীসভাৰ পৰা অতিবাৰ লাগে। বিশেষকৈ স্বাস্থ্য বিভাগৰ দৰে গুৰুত্বপূৰ্ণ পদত এনে কৰ্মসূচীৰ সম্পূৰ্ণ অবহুা অনুচিতবুলি তেওঁলোকে দাবী জনায়। গোৱালপাৰা জিলাৰ এন.এছ.ইউ.আইৰ এই প্ৰতিবাদৰ জৰিয়তে ছাত্ৰ সমাজে স্পষ্টকৈ জনাইছে যে, কংগ্ৰেছক "জন্তু" বুলি আখ্যা দিয়া মানে প্ৰতি গৰাকী স্বাধীনতা সংগ্ৰামীসকলকো অপমান কৰা। অশোক সিংঘালে ক্ষমাপ্ৰাৰ্থনি হিচাপে নিজৰ কৰ্মপদৰ মৰ্যাদা সানি কৰিছে বুলি প্ৰতিবাদী দলটোৱে অভিযোগ তোলে।

বকো ছয়গাঁও সমষ্টিৰ বকো ব্লক কংগ্ৰেছৰ বুথে বুথে কংগ্ৰেছ দলৰ ব্যাপক তৎপৰতা

অসম বাৰ্তা, বকো, ৩১ আগষ্ট ঃ বুথে বুথে কংগ্ৰেছ দলৰ ব্যাপক তৎপৰতা। ২০২৬ত বিজেপি শাসন উফৰাবৈ কংগ্ৰেছ চৰকাৰ গঠনৰ লক্ষ্যবে কংগ্ৰেছ-ভুৱেঞ্চ ঘুৰিছে কংগ্ৰেছৰ নেতা-কৰ্মী। বকো ছয়গাঁও সমষ্টিতো দেখা গৈছে তৎপৰতা। আজি বকো ব্লক কংগ্ৰেছৰ সভাপতি অবিন্দ বাভাৰ নেতৃত্বত ৩৯ নং পশ্চিম বকেলী গাঁও পঞ্চায়ত অন্তৰ্গত মণ্ডল কংগ্ৰেছৰ সভা অনুষ্ঠিত হয়। ই সভাতে বুথ সমিতি সমূহক শক্তিশালী কৰাৰ বাবেও বগৰীকীৰণ প্ৰস্তুতি কৰা বুলি জনায় অবিন্দ বাভাই। শেহতীয়াকৈ মন্ত্ৰী অশোক সিংহালে এখন ভাষণত কংগ্ৰেছক জন্তু আখ্যা দিয়াক লৈও উত্তৰ দিলে বাভাই - তেওঁ কংগ্ৰেছৰ বিষয়ে একোৱে নাজানে, দেশ স্বাধীন কৰা দল কংগ্ৰেছ, কংগ্ৰেছ দলৰ বহু অবদান আছে। ই ফালে, শেহতীয়াভাবে বকো ছয়গাঁও সমষ্টিত পৰ্যবেক্ষকৰ দায়িত্ব লাভ কৰা জনচন জে চাংমাই কয় যে, অতি আগ্ৰহেৰে কংগ্ৰেছক শক্তিশালী কৰাৰ বাবে ওলাই আহিছে কংগ্ৰেছৰ কৰ্মীসকল। কংগ্ৰেছ কৰ্মীৰ মনোবল বৃদ্ধি কৰা ৰ বাবে আমি কাম কৰা বুলি কয়। জিলা গোৰ্খী কোষৰ সভাপতি কামাখ্যা চেত্ৰী, বকো ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদকদ্বয় ৰাম ডেকাৰ লগতে কেইবাজনো দলীয় কৰ্মী উপস্থিত থাকে।

পশ্চিম দৰং জাতীয় বিদ্যালয় উদ্যোগত হাতৰ আখৰ কৰ্মশালা-অভিনন্দন সভা

অসম বাৰ্তা, পাথৰিঘাট, ৩১ আগষ্ট ঃ দৰঙৰ অন্যতম অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান কৰ্ম আমাৰ সংস্কৃতি, সু-শিক্ষা আমাৰ প্ৰতিশ্ৰুতিবে ১৯৯৭ চনত স্থাপিত পশ্চিম দৰং জাতীয় বিদ্যালয়ৰ উদ্যোগত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত চাৰিদিনীয়াকৈ অনুষ্ঠিত ই'ৰাজী, অসমীয়া সুন্দৰ হাতৰ আখৰ, গণিতৰ অনুধাৱ, নেওতা চৰ্চা কৰ্মশালাৰ সফল সামৰণি। কৰ্মশালাত সমল ব্যক্তিহিচাপে অংশগ্ৰহণ কৰে আই আৰু সজাগতা সভাৰ সদস্যাসকল পদুম নাথ, আস্থা দেৱী। সামৰণি দিনা সভাত পশ্চিম দৰং জাতীয় বিদ্যালয় পৰিচালনা সমিতি সভাপতি কমলেশ্বৰ বৰুৱা, সচিব কুলেন কলিতা, অধ্যক্ষ উপেন্দ্ৰ চন্দ্ৰ ডেকা, সাংবাদিক কণ আলি হাজৰিকা, সুনীল চৰবীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক শৰং কলিতা, তাবিণী চৰবীয়াসহ ভালেমান বিশিষ্ট্যজনিয়ে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়ত্ৰীৰে পৰিপূৰ্ণ গীত-মাত নৃত্যৰে জীপাল হৈ পৰা অনুষ্ঠানত কেইবাগৰাকীও পাৱদৰী ছাত্ৰ-ছাত্ৰীক পাৱদৰীত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে উক্ত সভাত উচ্চতৰ মাধ্যমিক মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ উপৰিও বিদ্যালয়ৰ বিভিন্ন বিভাগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সকলৰ ভিতৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা কেইবাজনী মানক অভিনন্দন জনোৱা হয়।

ডিব্ৰুগড় জিলাৰ টিংখাং কলেজত পথ সুৰক্ষা সজাগতা সভা সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩১ আগষ্ট ঃ পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ অৰ্থে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে ডিব্ৰুগড় জিলাৰ টিংখাং মহাবিদ্যালয়ত পথ সুৰক্ষা সজাগতা সভাৰ আয়োজন কৰা হয়। ডিব্ৰুগড় জিলা পথ সুৰক্ষা সমিতি, টিংখাং আৰক্ষী থানা, টিংখাং আৰক্ষী থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ যৌথ উদ্যোগত আৰু টিংখাং কলেজৰ সহযোগত আয়োজিত তথা থানাখনৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ সদস্য, গাঁওবুঢ়া আৰু কলেজখনৰ শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে দ্বি-শতাধিক শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাত উপস্থিত থাকি টিংখাং সমজিলাৰ সহকাৰী আয়ুক্ত নয়নমণি দত্তই কয় যে প্ৰতিটো পথ দুৰ্ঘটনাৰ আঁবত 'যদি' নামৰ এটা শব্দ জড়িত হৈ থাকে। অৰ্থাৎ যদি মই হেলমেট পিন্ধিলোহেতেন, যদি মই মদ খাই গাড়ী চালনা নকৰিলোহেতেন তেন্তে দুৰ্ঘটনাটো নহ'লহেতেন বুলি উল্লেখ কৰি পথ দুৰ্ঘটনা বোধৰ বাবে যাৱতীয় নীতি-নিয়ম মানি চলিবৰ বাবে ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনায়। থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সদস্য তথা সাংবাদিক গৌতম চুতীয়াই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ দিগন্ত কুমাৰ গগৈয়ে দেশত দিনক দিনে বৃদ্ধি পাই থকা পথ দুৰ্ঘটনাৰ ঘটনাত উদ্বেগ প্ৰকাশ কৰি এই ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ মাজত সজাগতাৰ প্ৰয়োজনৰ কথাও দোহাৰে। সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰি টিংখাং সমজিলাৰ আৰক্ষী অধীক্ষক ৰেঙ্গন দৈমাৰীয়েও পথ দুৰ্ঘটনা বোধৰ বাবে আৰক্ষীয়ে গ্ৰহণ কৰা ভূমিকাৰ ওপৰত আলোকপাত কৰি এই ক্ষেত্ৰত সকলোকে সহযোগিতা কামনা কৰে। সভাত জিলা পৰিষদ বিষয়া কাৰ্যালয়ৰ যান-বাহন পৰিদৰ্শক উজীদ্ৰু হাজৰিকাই ১৮-৩৪ বছৰৰ বয়সৰ বিশেষকৈ নতুন গ্ৰাহকৰ ৩০ হেজাৰ লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈছে যিটো অত্যন্ত তাৎপৰ্যপূৰ্ণ দিশ বুলিও তেওঁ ভাষণত উল্লেখ কৰি ২০২৪ বৰ্ষত ডিব্ৰুগড় জিলাত ১২৩ গৰাকী লোকৰ মৃত্যু হোৱাৰ কথা অৱগত কৰি এইদিশত সকলোৱে মিলি কাম কৰাৰ আহ্বান জনাই বিভিন্ন প্ৰচাৰ মাধ্যমত এনেধৰণৰ সজাগতাৰ দিশবোৰ প্ৰচাৰ কৰিলেহে পথ দুৰ্ঘটনা হ্ৰাস কৰিব পৰা যাব বুলি ভাষণত উল্লেখ কৰে। সভাত জিলা পৰিষদ বিষয়া কাৰ্যালয়ৰ এনফ'ৰ্চমেণ্ট পৰিদৰ্শক নবেন বৰঠাকুৰসহ সহযোগী বিষয়াবৃন্দ, টিংখাং থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত দলে উপস্থিত থাকে।

দুধৰ্ষ গাড়ী চোৰ বিকাশ দাস যোৰহাট পুলিবৰ আৰক্ষীৰ জিম্মাত

অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩১ আগষ্ট ঃ নাগালেণ্ড, ডিমাপুৰৰ আন্তঃৰাজ্যিক গাড়ী চুৰি চক্ৰৰ লগত জড়িত গোলাঘাটৰ বিকাশ দাস(২৮)নামৰ দুৰ্ধৰ্ষ গাড়ী চোৰটোক আজি সন্ধিয়া পুলিবৰ থানাৰ আৰক্ষীয়ে দেৱগাঁৱৰ প্ৰেপ্তাৰ কৰে। উল্লেখ্য, দেৱগাঁও থানাত কঞ্জো হৈ থকা এক গোচৰৰ ভিত্তিত কালি নিশা দেৱগাঁও আৰক্ষীয়ে প্ৰেপ্তাৰ কৰিছিল যদিও আজি বিয়লি জামিনত মুক্তি পায়। পুলিবৰ থানাত গাড়ী চুৰি কৰাৰ অভিযোগত কঞ্জ হৈ থকা গোচৰৰ ভিত্তিত দেৱগাঁও থানাৰ সমীপতে পুনৰ চোৰটোক গ্ৰেপ্তাৰ কৰে। গোলাঘাট নগৰৰ পৰা প্ৰায় ১৭ কিলোমিটাৰ নিলগত চাই নাগ গেৰুকানি অঞ্চলৰ ঠগী দাসৰ পুত্ৰ বিকাশ দাস গাড়ী চুৰি চক্ৰৰ লগত জড়িত। তদুপৰি বহু ব্যক্তিৰ পৰা চাবিচকীয়া গাড়ী ভাড়াত চলাবৰ বাবে প্ৰৰঞ্চনাৰে নি নাগালেণ্ড আৰু ডিমাপুৰৰ গাড়ীত চুৰি চক্ৰৰে জড়িতক বিক্ৰী কৰে। গাড়ী চুৰিৰ অভিযোগত কেইবাবাৰো জে'ল'ত থাকি আহিছিল তেওঁ। জে'লৰ পৰা ওলায়েই পুনৰ গাড়ী চুৰি আৰু প্ৰৰঞ্চনাৰে ভাড়া কৰি নিয়া গাড়ী বিক্ৰী কৰি পলাতক হৈ আছিল চাবেটা। গোলাঘাট, দেৱগাঁও আৰু কেইবাখনো থানাত তেওঁৰ বিৰুদ্ধে গোচৰ কঞ্জ হৈ আছে বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। শেহতীয়াকৈ যোৰহাটৰ প্ৰফুল্ল ৰবাৰ এ এছ ০৩-চি চি -৪২৭৯ নম্বৰৰ টাটা এ চিৰন ভাড়াত চলাবৈ চুক্তি কৰি ডিমাপুৰত বিক্ৰী কৰি দিছিল। ইয়াৰ পাছতে গাড়ীখনৰ গৰাকী প্ৰফুল্ল ৰবাই পুলিবৰ থানাত ২১ আগষ্টত গোচৰ তবে। সেই গোচৰৰ ভিত্তিত পুলিবৰ আৰক্ষীয়ে বিকাশ দাসক আজি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে বিকাশ দাসক জেৰা কৰি আছে।

কাম নকৰাকৈ তিনি লাখ ষাঠি হাজাৰ টকা আত্মসাৎ

বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়া-অভিযন্তাৰ বিৰুদ্ধে জিলা আয়ুক্তৰ ওচৰত অভিযোগ দাখিল

অসম, বাৰ্তা, মোৰাঘাৰ, ৩১ আগষ্টঃ হোজই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত ডবকা গাওঁ পঞ্চায়তৰ ৮ নং ৰাৰ্ডত এটা কালভাৰ্ট নিৰ্মাণৰ বাবে ২০২৩-২৪ বৰ্ষৰ আঞ্চলিক পঞ্চায়তৰ অধীনত আৱণ্টিত হৈছিল ১২ লাখ টকা। ২০২৪ চনৰ ২৭ ডিচেম্বৰ তাৰিখে বিধায়ক চিৰাজউদ্দিন আজমলে কাজ কাম আধাৰশিলা স্থাপন কৰিছিল। কিন্তু কোনো ধৰণৰ কাম নকৰাকৈ ৩ লাখ ৬০ হাজাৰ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰি ভুৱা লিখন ফলকখন। যাৰ বাবে দুৰ্নীতিগ্ৰস্ত খণ্ড উন্নয়ন বিষয়া নবজিৎ মৰ্মন আৰু অভিযন্তা লবেঞ্চ তেৰাঙৰ বিৰুদ্ধে। উল্লেখ্য যে কালভাৰ্টটোৰ কাম সম্পূৰ্ণ নোহোৱাৰ বাবে যমৰ-যাতনাত ভুগিছে স্থানীয় লোক। সম্পত্তি কালভাৰ্ট নিৰ্মাণৰ কাম আৰম্ভ কৰাত এখন বাঁহৰ সাঁকোৰে বিপদজনক ভাবে যাতায়ত কৰিছে স্থানীয় লোকে। অকল এয়াই নহয় বিধায়কে আধাৰশিলা স্থাপন কৰা নেইম ফলকখন ভাঙি পৰাত স্থানীয় লোকে নিজৰ ঘৰত সংৰক্ষণ কৰি ৰাখে ভঙা লেইম ফলকখন। যাৰ বাবে দুৰ্নীতিগ্ৰস্ত খণ্ড উন্নয়ন বিষয়া নবজিৎ মৰ্মন আৰু অভিযন্তা লবেঞ্চ তেৰাঙৰ বিৰুদ্ধে উচিত ব্যৱস্থা লবলৈ দাবী জনাইছে কিশোৰী বিহীত ব্যৱস্থা লবলৈ দাবী জনায় অবিন্দ বাভাই। ইতিমধ্যে বিন্নাকান্দি আঞ্চলিক পঞ্চায়তৰ উপ সভাপতি তথা ডবকা গাওঁ পঞ্চায়তৰ আঞ্চলিক সদস্য ইয়াকুব আলী লস্কৰে এই সম্পৰ্কত হোজই জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াক লিখিত অভিযোগ দাখিল কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰে।

উত্তৰ-পশ্চিম যোৰহাটৰ গোটৰ চাৰিগৰাকী সদস্যাক টাটা এ চি প্ৰদান

অসম ৰাজ্যিক গ্ৰামীণ জীবিকা অভিযানৰ গ্ৰামীণ এক্সপ্ৰেছ শুভাৰম্ভ

অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩১ আগষ্ট ঃ ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ অধীনস্থ অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰাম্যোন্নয়ন বিভাগৰ দ্বাৰা পৰিচালিত অসম ৰাজ্যিক গ্ৰামীণ জীবিকা অভিযানে আজীবিকা গ্ৰামীণ এপ্ৰেছ যোজনাৰ জৰিয়তে ৰাজ্যখনৰ নিৰ্বাচিত উন্নয়ন খণ্ড এলেকাত পৰিচালিত হৈ থকা চি এল এফ-ৰ এলেকাত একোটা আত্মসহায়ক গোটক একোখনকৈ টাটা এ চি প্ৰদান কৰিছে। উত্তৰ পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ তেজহিৰী চি এল এফ-ৰ প্ৰেৰণা আত্মসহায়ক গোটৰ বিত্তমন্ত্ৰী শইকীয়াই, ভোগদৈ চি এল এফ-ৰ বৰযুৱা আত্মসহায়ক গোটৰ অনুমিতা ৰবাহি, নমামী চি এল এফ-ৰ অমৰজ্যোতি আত্মসহায়ক গোটৰ অঞ্চলেশা দেউৰী সেনচোৱাই, দিটপৰীয়া চি এল এফ-ৰ লখিমী আত্মসহায়ক গোটৰ শিক্ষীশিখা আৱদ্ধবা বৰুৱাই একোখনকৈ টাটা এ চি লাভ কৰিছে। সেই টাটা এ চিকেইখন ৩০ আগষ্টৰ পুৱাবেলা উন্নয়ন খণ্ডৰ কাৰ্যালয় প্ৰাংগণত ফিতা কাটি মুকলি কৰে সহকাৰী উন্নয়ন বিষয়া নীপা সোণোৱালে। বন্তি প্ৰজুলনৰ পাছতে বি পি এম অজিত বৰুৱাই আঁচনিখনৰ সন্দৰ্ভত ব্যাখ্যা কৰি আত্মসহায়ক গোটৰ লগত জড়িত দৰিদ্ৰ পৰিয়ালৰ চালকৰ অনুমতি পত্ৰ থকাৰ লগতে গোটৰ লেনদেনত ত্ৰুটি নথকা পৰিয়ালক ৰাজ সাহায্য যুক্ত এই টাটা এ চিকেইখন প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। গ্ৰামীণ জীবিকা অভিযানৰ জিলাৰ বিত্তীয় পাৱদৰী টিকেন্দ্ৰজিৎ টাই, উন্নয়ন খণ্ডৰ সমন্বয়ক ডামী পেগু, নাচফিকা আৰা বেগম, মধুস্মিতা ভট্টাচাৰ্য, জয়ন্ত কলিতা, ভয়লিনা ভূঞা, পাপু কলিতা, ব্লক এম আই এছ নীতিক্ষা কলিতাৰ লগতে জীবিকা সখী, কৃষি সখী, পশু সখীসকলৰ উপৰি চি এল এফ দিটপৰীয়াৰ সভানেত্ৰী কুসুম কুমাৰী শইকীয়া, সম্পাদিকা বীতা ৰবা, নমামীৰ সভানেত্ৰী জ্যোতি ভৰালী দাস, সম্পাদিকা ৰূপালী ৰবা, ভোগদৈৰ সভানেত্ৰী অৰ্চনা দত্ত, সম্পাদিকা কমলা সন্দিকৈ, তেজস্বিনীৰ সভানেত্ৰী প্ৰণতি ৰবাদৈ, সম্পাদিকা মিতালী দত্তসহ সদস্যাসকল উপস্থিত থাকে। উল্লেখ্য, যোৰহাট জিলাৰ উত্তৰ-পশ্চিম যোৰহাট আৰু তিতাৰৰ উন্নয়ন খণ্ড গ্ৰামীণ জীবিকা অভিযানেৰে এই আঁচনিত অন্তৰ্ভুক্ত হৈছে।

ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ সাধাৰণ সভা সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ, তিনিকুীয়া, ৩১ আগষ্ট ঃ ঐতিহ্যমণ্ডিত ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতি দ্বি-বাৰ্ষিক সাধাৰণ সভাখনি যোৱা ২৬ আগষ্টত মন্দিৰ প্ৰাঙ্গণত অনুষ্ঠিত হয়। সমিতিৰ সভাপতি জিতেন ডেকাৰ পৌৰোহিত্য অনুষ্ঠিত হোৱা সভাখনত সম্পাদক অৰুণজ্যোতি ডেকাই বিগত বৰ্ষৰ পূজা ঘৰ আৰু নাট্য মন্দিৰৰ সুকীয়াকৈ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে বিত্তীয় প্ৰতিবেদন পাঠ কৰে। সভাই সৰ্বসম্মতিক্ৰমে চা

তেজপুৰ বনাম হাইলাকান্দিৰ মাজত উদ্বোধনী খেল

আজিৰে পৰা মৰিগাৱঁত ১৯ বছৰ অনুর্ধ ছোৱালী ক্ৰিকেটৰ ফাইনেল ৰাউণ্ডৰ খেল

ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ৩১ আগষ্ট ঃ অসমত তৃণমূল পৰ্যায়ৰ পৰা মহিলা ক্ৰিকেটৰ আন্তঃগাঁথনি সবল কৰাৰ চিন্তাধাৰাৰে অসম ক্ৰিকেট সম্থাৰ উদ্যোগত পৰিচালিত ১ম সংখ্যক ১৯ বছৰ অনুৰ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক ৰাউণ্ড খেলসমূহ মৰিগাঁও, ঘোৱহাট, হাইলাকান্দি আৰু ওৱাহাটীত অনুষ্ঠিত হোৱাৰ পাছত ফাইনেল ৰাউণ্ডৰ ছুপাৰ লীগৰ খেলসমূহ অহা ৩১ আগষ্টৰ পৰা মৰিগাঁও জিলা ক্ৰীড়া সম্থাৰ আতিথ্য আৰু ক্ৰিকেট উপশমিতিৰ তত্বাবধানত ক্ষীবোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলত প্ৰতিদ্বন্দ্বিতা কৰিব। মৰিগাঁও জিলা ক্ৰীড়া সম্থাৰ তত্বাবধানত প্ৰশিক্ষণপ্ৰাপ্ত কিউৰেটৰ সমুদ্ৰ নাৰায়ণ মেধীৰ লগতে ক্ৰিকেট শাখাত অন্তৰ্ভুক্ত দলকেইটা ছৈয়ে ডিব্ৰুগাড়, হাইলাকান্দি, নগাঁও আৰু তেজপুৰ। তেনেদৰে ৰৱপেটা, বোকাখাট, কোকৰাঝাৰ আৰু লক্ষ্মীমপুৰ দলক "খ" শাখাত অন্তৰ্ভুক্ত কৰা ছৈছে। দুয়োটা শাখাত শীৰ্ষস্থানত উপনীত দল দুটাই আগন্তুক ৭ ছেপ্তেম্বৰত মৰিগাঁৱঁৰ ক্ষীবোদ বৰুৱা ষ্টেডিয়ামত পুৱা ৮-৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলত প্ৰতিদ্বন্দ্বিতা কৰিব। মৰিগাঁও জিলা ক্ৰীড়া সম্থাৰ তৰফৰ পৰা ১৯ বছৰ অনুৰ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাখনৰ প্ৰাৰম্ভিক ৰাউণ্ডত ১২খন খেল সুকলমে আয়োজন কৰাৰ পাছত চূড়ান্ত ৰাউণ্ডৰ পৰবৰ্তী ১৩খন খেল নিয়াৰিকৈ আয়োজন কৰাৰ বাবে ক্ৰিকেট উপশমিতিৰ তত্বাবধানত প্ৰশিক্ষণপ্ৰাপ্ত কিউৰেটৰ সমুদ্ৰ নাৰায়ণ মেধীৰ লগতে ক্ৰিকেট সম্পাদক আলামুল এলড্রিন আৰু ভলীবল সম্পাদক বিশ্বজিত বৰদলৈৰ পৰ্যবেক্ষণত টাৰ্ফ উইকেট প্ৰস্তুতকৰণ-মেৰামতিৰ কাম সম্পূৰ্ণ হ'ছে। ইয়াৰোপৰি অন্যান্য আনুসাংগিক কামকাজ সুকলমে পৰিচালিত কৰিবৰ বাবে যুটীয়া সম্পাদক নাছিৰ উদ্দিন আহমেদ আৰু সহকাৰী সম্পাদক সমুদ্ৰনাৰায়ণ মেধীক খাদ্য পৰিচালনা সমিতি, সহকাৰী সম্পাদক ইক্ৰামুল হুছেইন আৰু বেডমিন্টন সম্পাদক মুক্তাৰ হুছেইনক ব্যৱস্থাপনা বিভাগৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে আপ্পায়াৰ বৰ্ডৰ সম্পাদক নজৰুল হুছেইনক স্কাৰৰ আৰু আপ্পায়াৰ সকলৰ সহযোগিতা কৰিবলৈ বিশেষভাবে দায়িত্ব দিয়া হৈছে বুলি জিলা ক্ৰীড়া সম্থাৰ সাধাৰণ সম্পাদক জিতু ৰবৰুবলৈয়ে এক বিবৃত্তি যোগে মিডিয়া সমন্বয়ক মানস প্ৰতীম পাৰ্থৰ জৰিয়তে জানিবলৈ দিছে।

গেলেকীৰ কেন্দ্ৰীয় পুথিভঁৰাল উদ্বোধনী অনুষ্ঠান

অসম বাৰ্তা, গেলেকী, ৩১ আগষ্ট ঃ গেলেকী আঞ্চলিক ছাত্ৰ সম্থাৰ উদ্যোগত তেল আৰু প্ৰাকৃতিক গেছ নিগম চি, ই, আৰ প্ৰায় ৩৬ লাখ টকাৰে নিৰ্মিত গেলেকী কেন্দ্ৰীয় পুথিভঁৰালটোৰ শুভ উদ্ঘোধন কৰা হয়। উক্ত পুথিভঁৰালঘৰ শুভ উদ্ঘোধন কৰে সৌ অসম ছাত্ৰ সম্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে ভালেকেই জন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত আনুষ্ঠানিকভাবে উদ্ঘোধন কৰা হয় কেন্দ্ৰীয় পুথিভঁৰালটো। এই উদ্ঘোধনী অনুষ্ঠানৰ আৰম্ভণিতে পৰা ৮ বজাত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। পৰবৰ্তী সময়ত বৃক্ষ বোপণ, বন্তি প্ৰস্তুতন আৰু শ্ৰদ্ধীন তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৯ বজাত বাৰ্ষৱেইনা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয় এই অনুষ্ঠানৰ উদ্ঘোধন কৰে গেলেকী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সুৰেশ চেতিয়াই। দিনৰ ১১ বজাত আৰম্ভ হয় চিত্ৰাংকন প্ৰতিযোগিতা। য'ত ভালেকেইগৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে এই প্ৰতিযোগিতাত। দিনৰ ১২ বজাত উদ্ঘোধন কৰা কেন্দ্ৰীয় পুথিভঁৰালত। উদ্ঘোধক হিচাপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সম্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন। দিনৰ ১ বজাত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান আৰম্ভ হয়। মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান উদ্ঘোধন কৰে বিদ্যালয় সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া দেৱজ্যোতি গগৈয়ে। আৰু উক্ত অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য প্ৰদান কৰে ঐতিহাসিক গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সাবাসাচী মহন্তই। ভাষণ প্ৰসংগত সবাসাচী মহন্তই বৰ্তমান সময়ত পুথিভঁৰালৰ প্ৰাসংগিকতা আৰু ইয়াৰ ভবিষ্যতৰ সম্পৰ্কত বহুমূলীয়া বক্তৃতা প্ৰদান কৰে।

গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত নাগৰিক মহীয়ান বঁটা প্ৰদান; "মোৰ পিতৃয়েহে এই বঁটা পাব লাগিছিল" - ডাঃ অজিত বৰুৱা

গোলাঘাট নাগৰিক মঞ্চৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩১ আগষ্ট ঃ গোলাঘাট নাগৰিক মঞ্চই বিশিষ্ট সাহিত্যিক, নিৰঙ্কাৰ ডাঃ অজিত বৰুৱাক প্ৰদান কৰে 'নাগৰিক মহীয়ান বঁটা -২০২৫'। এই বঁটা গ্ৰহণ কৰি ডাঃ অজিত বৰুৱাই কয় "এই বঁটা মোৰ পিতৃয়েহে পাব লাগিছিল। "এই বঁটা মই পিতৃৰ নামত উৎসৰ্গা কৰিলো।" স্বাধীনতা আন্দোলনৰ সোনালী বিপ্লৱী বীৰ শংকৰ চন্দ্ৰ বৰুৱাৰ সুযোগ্য পুত্ৰ ডাঃ অজিত বৰুৱাক আজি গোলাঘাট নাগৰিক মঞ্চই প্ৰদান কৰা 'নাগৰিক মহীয়ান বঁটা-২০২৫' গ্ৰহণ কৰি তেওঁ আৱেগিক হৈ পিতৃক স্মৰণ কৰে। তেওঁ লগতে কয় "আয়সন্তুষ্টি সকলোলে ভিন, চিকিৎসা বৃত্তি যদিও মোৰ বাবে এক আয়সন্তুষ্টি, তাতোকৈ গোলাঘাটৰ এজন মই দুৰন্ত প্ৰেমিক। মোডীৰ স্বচ্ছ ভাবতৰ আগতেই মই স্বচ্ছ গোলাঘাটৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিলো। সামাজিক জীবনেই মোৰ সাৰ্থক জীৱন।" গোলাঘাট পৌৰসভাৰ তিনিবাৰৰ পৌৰপিতা তথা বিশিষ্ট সমাজ সেবক, সাহিত্যিক আৰু বিশিষ্ট নিৰঙ্কাৰ ডাঃ অজিত বৰুৱাৰ মন্তব্য এয়া। ১৯৯৫ চনত জন্ম লাভ কৰা গোলাঘাট নাগৰিক মঞ্চৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি পুৱা মূল পতাকা মঞ্চৰ সভাপতি ৰাজিদুৰ ৰহমানে উত্তোলন কৰাৰ লগে লগে ডবা, শঙ্খ, তালৰ শব্দ আৰু আয়তি উকলিত এক ওখল-মাখল পৰিবেশত নগৰখনৰ মুঠ ৩০ গৰাকী জ্যেষ্ঠ নাগৰিকে পতাকা উত্তোলন কৰে। এই কাৰ্যসূচীৰ পাছতে নাগৰিক মঞ্চৰ সাধাৰণ সম্পাদক বেহিত গগৈয়ে স্মৃতি তৰ্পণ কাৰ্যসূচী ঝপায়ণ কৰে। ইয়াৰ পাছতে অনুষ্ঠিত বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান সভাপতিত্ব কৰে গোলাঘাট নাগৰিক মঞ্চৰ সভাপতি ৰাজিদুৰ ৰহমানে। সভাৰ আদৰণী ভাষণ বোহিত গগৈয়ে প্ৰদান কৰাৰ পাছতে নাগৰিক মঞ্চৰ ইতিবৃত্ত সম্পৰ্কে বক্তব্য ৰাখে মঞ্চৰ কাৰ্যকৰী সভাপতি বিশ্বজিৎ শইকীয়াই। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিক্ষাবিদ, বিশিষ্ট বোলছৰি পৰিচালক দীনেশ গগৈ, প্ৰবীণ সাংবাদিক দ্বীপেন দত্ত, বিশিষ্ট পুথি প্ৰকাশক ৰঙীবোল কুমাৰ গোস্বামী আৰু গোলাঘাট উন্নয়ন প্ৰাধীকৰণৰ সভাপতি সঞ্জীৰ কুমাৰ দাস। এই অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ অসমপ্ৰাপ্ত আধ্যাত্মিক ডাঃ অমৰেন্দ্ৰ নাথ দত্ত, বিশিষ্ট শিক্ষাবিদ ডাঃ অপূর্ব কুমাৰ শইকীয়া আৰু বিশিষ্ট সমাজ সেৰিকা শান্তি সন্দিকৈক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। অবশ্যে সম্বৰ্ধিত বিশিষ্ট সমাজ কৰ্মী শান্তি সন্দিকৈ শাৰীৰিক অসুস্থতাৰ বাবে সভাত উপস্থিত থাকিব নোৱাৰাত তেওঁৰ বাসভৱনত দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সম্বৰ্ধিত দুয়ো গৰাকী বিশিষ্ট ব্যক্তিয়ে চমু বক্তব্য প্ৰদান কৰে। সভাৰ আৰম্ভণিতে শিক্ষয়িত্ৰী কবিতা শৰ্মাই বৰগীত পৰিবেশনেৰে সভা শুভাৰম্ভ কৰা হয়।

বন জংঘলেৰে আৱৰি থোৱা অৱস্থাত উদ্ধাৰ নিৰুদ্দিষ্ট যুৱকৰ বাইক

অসম-নাগালেণ্ড সীমান্ত মেৰাপানীৰ মাজে বাৰ্মিজ চিগাৰেটৰ ৰমৰমীয়া বেহা

মেৰাপানী পুনৰ বাৰ্মিজ চিগাৰেটে জব্দ

অসম বাৰ্তা, মেৰাপানী, ৩১ আগষ্ট ঃ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানী মাজেৰে চলিছে বাৰ্মিজ চিগাৰেটৰ ৰমৰমীয়া বেহা। তথ্য অনুসৰি আজি পুৱাৰ ভাগত স্থানীয় ৰাইজ, গাঁৱৰখী বাহিনী আৰু ৰীৰ লাচিত সেনাৰ সহযোগত মেৰাপানী ভেলেঙ্গাকী প্ৰায় কেবালেম্ব টকাৰ ৩৭ বস্তা বিদেশী চিগাৰেট ভৰ্তি এখন ট্ৰাক জব্দ কৰি মেৰাপানী আৰক্ষীক চমজাই দিয়ে। জব্দকৃত ট্ৰাকখনৰ নম্বৰ ছৈছে AS-03 CC-2435। অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত এইদৰে বিভিন্ন সময়ত জব্দ হৈ আহিছে ট্ৰাক-টাকে বিদেশী চিগাৰেট, চলি আহিছে বিদেশী চিগাৰেটৰ ৰমৰমীয়া বেহা। মেৰাপানীত এই বিদেশী চিগাৰেটৰ ৰমৰমীয়া বেহা কাৰণ পৃষ্ঠপোষকতাত চলি আছে? কোন কোন জড়িত আছে? আৰক্ষী তদন্তৰ পাছতহে প্ৰকৃত বহস্য পোহৰলৈ আহিব।

গুৱাহাটীত কৰ্মৰত গৰৈমাৰীৰ ডেলিভাৰী বয় আজাহাৰ আলী নিৰুদ্দেশ

অসম বাৰ্তা, মিৰ্জা, গৰৈমাৰী, ৩১ আগষ্ট ঃ দক্ষিণ কামৰূপৰ ছমবীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ টুক্ৰাপাৰাত চাঞ্চল্যকৰ ঘটনা। গুৱাহাটীৰ পৰা নিৰুদ্দেশ BLINKIT কোম্পানীৰ ডেলিভাৰী বয় আজাহাৰ আলী। নিৰুদ্দিষ্ট যুৱকজন টুক্ৰাপাৰা গাঁৱৰ ৰজব আলীৰ পুত্ৰ আজাহাৰ আলী বুলি জানিবপৰা গৈছে। বিগত ২০ আগষ্টত ঘৰৰ পৰা কৰ্মসূত্ৰে গুৱাহাটীলৈ গৈছিল যুৱকজন। গুৱাহাটীত গৈ ব্লিংকিট নামৰ অনলাইন কোম্পানীৰ ডেলিভাৰী বয় হিচাপে কৰ্মৰত হৈ আছিল নিৰুদ্দিষ্ট আজাহাৰ আলী। আজাহাৰ আলীৰ কোম্পানীৰ কৰ্মকৰ্তা এজনৰ লগত যোৱা নিশা ১২: ২৯ বজাত ফোনযোগে শেষ যোগাযোগ হোৱা বুলি তথ্য পোৱা গৈছে। তাৰ পিছতেই কোম্পানী তথা পৰিয়ালৰ লগত যোগাযোগ বিচ্ছিন্ন হৈ পৰাত সংকিত পৈ পৰে কোম্পানীৰ কৰ্মকৰ্তা তথা পৰিয়ালৰ লোক। আজি পুৱাৰ ভাগত পলাশবাৰীৰ কুকুৰমাৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে নিৰুদ্দিষ্ট ডেলিভাৰী বয় আজাহাৰ আলীক বিচাৰি আৰম্ভ কৰিছে অভিযান। ই ফালে পৰিয়ালৰ লোকে আজাহাৰ আলীক হত্যা কৰা হৈছে বুলি সন্দেহ কৰিছে। আৰক্ষীৰ তদন্তৰ পিছতেই উলাই পৰিব ঘটনাৰ প্ৰকৃত বহস্য।

কাম সম্পূৰ্ণ কৰাৰ দাবীত জাহোৰপামত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু ৰাইজৰ প্ৰতিবাদী কাৰ্যসূচী

উদ্বোধনীৰ ২ বছৰ পিছতো সম্পূৰ্ণ নহ'ল কাম

অসম বাৰ্তা, জনীয়া, ২ ছেপ্তেম্বৰ ঃ নৰগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত জনীয়াৰ জাহোৰপামত মুখ্যমন্ত্ৰী পথ পকীকৰণ আঁচনিৰ ২০২২ - ২৩ বৰ্ষৰ আবণ্টিত ২ কোটি ২১ লাখ ৮৩ হাজাৰ ৮০০ টকাৰ পথ মেৰামতিৰ কাম সম্পূৰ্ণ নোহোৱাকৈ ৰবপেটা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ৩০ আগষ্ট শনিবাৰে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। জাহোৰপাম বজাৰৰ পৰা ১৩১১ নং পশ্চিম জাহোৰপাম প্ৰাথমিক বিদ্যালয় হৈ ই এন বাঞ্জলৈ যোৱা পথৰ কাম সম্পন্ন কৰাৰ দাবীত উক্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ০৯-০৫-২০২৩ ইংৰাজী তাৰিখত উক্ত কামৰ শুভ উদ্ঘোধন কৰা হয়। উদ্ঘোধনীৰ দুই বছৰত কৈ অধিক সময় উকলি যোৱাৰ পাছতো আজিলৈকে কাম সম্পূৰ্ণ নোহোৱাত সচেতন মহলৰ চকু কপালত তুলিছে। বহুৰ বহুৰ ধৰি মেৰামতিৰ অভাবত জহি-খহি যোৱা উক্ত পথচোৱাৰ বাবে পথচাৰীয়ে যমৰ যাতনা ভোগ কৰি আছিছিল। বহু জল্পনা কল্পনা অন্তত উক্ত পথটো মেৰামতিৰ বাবে মুখ্যমন্ত্ৰী পকীপথ আঁচনিৰ অধীনত ২ কোটি ২১লাখ ৮৩ হাজাৰ ৮০০ টকা আবণ্টন দিয়ে। প্ৰায় ২ বছৰতকৈ অধিক সময় উকলি যোৱাৰ পাছতো কাম সম্পূৰ্ণ নোহোৱাত ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ, দল সংগঠন, আৰু স্কুলীয়া ছাত্ৰ ছাত্ৰী। প্ৰতিবাদকাৰী সকলে বিধায়ক আব্দুৰ ৰহিম আহমেদক অকৰ্মন্য বিধায়ক আখ্যা দি আব্দুৰ ৰহিম আহম্মেদ মুৰ্দাবাদ, ছাত্ৰ ছাত্ৰী সকলৰ সমস্যা সমাধান কৰিব লাগিবই, কাম সম্পন্ন হ'ব লাগিবই, দুৰ্নীতি কৰা নচলিব, আদি শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

সোৱণশিৰি নদীৰে হৈ থকা মূল্যৱান কাঠৰ চোৰাং বেহা ৰোধৰ দাবী ৰাইজৰ

অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৩১ আগষ্ট ঃ লখিমপুৰ জিলাৰ বিভিন্ন ঠাইৰ পৰা সোৱণশিৰি নদীয়েদি অবাধত থকা মূল্যৱান কাঠৰ ৰমৰমীয়া চোৰাং বেহা ৰোধৰ দাবী জনাইছে সচেতন ৰাইজে। প্ৰশাসন, বন বিভাগক অংগুষ্ঠ প্ৰদৰ্শন কৰি বিভিন্ন ঠাইৰ পৰা সোৱণশিৰি নদীয়েদি দিনে-নিশাই কাঠ সৰবাহ কৰি থকাতো সুলভ দৃশ্যত পৰিণত হৈছে। বিশেষকৈ শিমলু গছৰ চোৰাং বেহা সোৱণশিৰি নদীকে চলাই আছে অসাধু ব্যবসায়ীয়ে। উদাহৰণস্বৰূপে ভীমপৰা গাঁও পঞ্চায়তৰ বাট-পথ মথাউৰিবোৰৰ থকা শিমলু গছবোৰ একাংশ অসাধু লোকৰ কবলত পৰি নিঃশেষ হ'ব ধৰিছে। মাত্ৰ কেইটামান টকাৰ লোভত এই লোকসকলে পথৰ দাঁতিত থকা শিমলু গছবোৰ কাটি উলিওৱা কাজেৰে এক বৃহৎ চোৰাং কাঠৰ ছিণ্ডিকেটে গঢ়ি তুলিছে। এই চোৰাং চক্ৰটোৱে ভীমপৰাৰ শিমলু কাঠেৰে ভ�ৰ সাজি সোৱনশিৰী নদীৰ বুকুয়েদি এক বৃহৎ পৰিমাণৰ চোৰাং কাঠ পাৰ কৰাই লখিমপুৰ জিলা সদৰত নি বহু টকাৰ বিনিময়ত বিক্ৰী কৰি আছিছে। মাজে-সময়ে লখিমপুৰ জিলা বন বিভাগে অভিযান চলাইছে যদিও সৰবাৰ বোধ কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বিভাগটো। বিভাগৰ সঁচিছহ আভাৰতে এই কাৰ্য বোধ হোৱা নাহি।

১ কৌটি ১১ লাখ ৭৫ হেজাৰ টকা মূল্যৰ সা-সামগ্ৰী আৰু শ্ৰেণীকোঠা ৰান্ধনি-শালৰ ক্ষতিসাধন; জীৱন্তে জাহ গ'ল বিদ্যালয়ৰ বন্ধন কৰ্মচাৰী

পি এম শ্ৰী দুধনৈ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভয়ংকৰ অগ্নিকাণ্ড

ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২ ছেপ্তেম্বৰ ঃ শনিবাৰে নিশা দুধনৈৰ মাজ মজিয়াত থকা পিএমশ্ৰী দুধনৈ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। নিশা এঘাৰ মান বজাত বিদ্যালয়ৰ বন্ধনশালত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। অগ্নিকাণ্ডৰ সূত্ৰপাত কেনেদৰে হয় সেই বিষয়ে জানিব পৰা হোৱা নাই যদিও বিদ্যুতৰ চৰ্ট চাৰ্কিটৰ ফলতে অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰে। এই অগ্নিকাণ্ডত বিদ্যালয়খনৰ অধ্যক্ষৰ কোঠাৰ আচবাব পত্ৰ, চিচি কেমেৰা, কম্পিউটাৰ চেট জুলি ভস্মীভূত হোৱাৰ লগতে পাঁচটাকৈ শ্ৰেণীকোঠা জুলি ভস্মীভূত হয়। অগ্নিকাণ্ডত পাকঘৰত থকা চিলিণ্ডাবটোও বিস্ফোৰণ হয়। অগ্নিকাণ্ড সংঘটিত হোৱা বিদ্যালয়খনত দুদিনে অগ্নিনিৰ্বাপক বাহিনীৰ দুখন গাড়ীৰ লগতে দুদিনে আৰক্ষী আৰু স্থানীয় ৰাইজে জুই নিৰ্বাপন কৰাত সহযোগিতা আগবঢ়ায়। ঘটনাস্থলীত দুদিনে সমজিলাৰ আৰক্ষী অধীক্ষক গৰাকী উপস্থিত হৈ দুদিনে আৰক্ষীৰ সহযোগিতাত ঘটনাৰ বুজ লয় তথা তদাৰক কৰে। ইপিনে আজি পুৱাৰ ভাগত অগ্নিকাণ্ডত জাহ যোৱা বিদ্যালয় খনৰ ভগ্নাৱশেষ মাজত জুইত সম্পূৰ্ণ কপে ভস্মীভূত হোৱা এটি মৃতদেহ প্ৰত্যক্ষ কৰাত স্থানীয় ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি হয়। এই বিষয়ে লগে লগে আৰক্ষীক খবৰ দিয়াত আৰক্ষী আহি অগ্নিদগ্ধ মৃতদেহটো উদ্ধাৰ কৰে। জুইত সম্পূৰ্ণ কপে জাহ যোৱা মৃতদেহটোৰ হাত খাৰু প্ৰত্যক্ষ কৰি মৃতদেহটো বিদ্যালয়খনৰ মধ্যাহ্ন ভোজনৰ সহায়ক বৰ্কনদানা বাঙ্গি(৫২) বুলি চিনাক্ত কৰে পৰিয়ালৰ লোকে। যিহেতু বিবেকানন্দ বাঙ্গি শনিবৰ পৰা পৰবৰ্তী সময়ত বোধা নাহিল। পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত প্ৰেৰণ কৰে। অগ্নিকাণ্ড সম্পৰ্কত আৰক্ষীয়ে চলোৱা প্ৰাথমিক তদন্তত বিদ্যুতৰ চৰ্ট চাৰ্কিটবুলি সন্দেহ কৰিছিল যদিও অগ্নিকাণ্ডৰ ভয়াৱহতাৰ মাজত বিবেকানন্দ বাঙৰা মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত এই ঘটনা বিবেকানন্দ বাঙৰ ঘাৰণ সংঘটিত হ'ব পাৰে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। বিবেকানন্দ বাঙৰী ২০১২ চনৰ পৰাই বিদ্যালয়খনত অস্থায়ী কৰ্মচাৰী কপে কাম কৰি আছিল। অগ্নিকাণ্ডত পুৰণ কৰা হ'ব বুলি উল্লেখ কৰে। ইপিনে আজি শিক্ষামন্ত্ৰী ডাঃ ৰঞ্জোজ পেগুৰ দুধনৈৰ দুৰ্ঘনেৰ সম্পৰ্কত "মন কী বাত" অনুষ্ঠানত আহোঁতে অগ্নিকাণ্ডৰ খবৰ লাভ কৰি দুখনে ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে আৰু ক্ষয় ক্ষতিৰ বুজ লয়। তেওঁ অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা শ্ৰেণী কোঠা সমূহ ৰাভা হাছে স্বাস্থত শাসিত পৰিষদ জৰিয়তে শীঘ্ৰে পুনৰ নিৰ্মাণ কৰা হব বুলি উল্লেখ কৰে। বিদ্যালয়ত ততাঁতেয়াকৈ যাতে ছাত্ৰ ছাত্ৰীৰ মাজত পাঠদান আৰম্ভ কৰিব পৰা যায় সেই সম্পৰ্কে আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে এই ভয়ংকৰ অগ্নি কাণ্ডত ফলত পাঁচটা শ্ৰেণী কোঠা, অধ্যক্ষৰ কোঠালি, চাৰিটা কম্পিউটাৰ ছেট, ৯০ যোৱা ডেস্ক বেঞ্চ, খেলৰ বিভিন্ন সামগ্ৰী, চকী মেজ, আচবাব পত্ৰ আদিকে ধৰি প্ৰায় ১৫ লাখতকৈ অধিক টকাৰ সা সামগ্ৰী ক্ষতিসাধন হোৱাৰ লগতে শ্ৰেণীকোঠাত বান্ধনিশাল ষ্টোৰ কক্ষ আদিৰ বাবদ প্ৰায় ৯৬ লাখতকৈ অধিক টকাৰ ক্ষতিসাধন হয় বুলি বিদ্যালয়খনৰ অধ্যক্ষা নন্দা ৰায় চৌধুৰীয়ে জানিবলৈ দিছে। ইপিনে পি এম শ্ৰী দুধনৈ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাৰ খবৰ লাভ কৰি ৰাভা হাছ পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, গোৱালপাৰা জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক অনুপ কুমাৰ দাস, দুধনৈ সমজিলাৰ আয়ুক্ত আৰু কুমাৰ প্ৰদ্ধা বিদ্যালয় খনলৈ আহি পৰিদৰ্শন কৰে আৰু ক্ষয় ক্ষতিৰ বুজ লয়। বিদ্যালয়খন এনেদৰে অগ্নিকাণ্ডত জাহ যোৱাত স্থানীয় ৰাইজৰ মাজত এক দুখলগা পৰিস্থিতিৰ সৃষ্টি হয় আৰু বিদ্যালয়খনৰ যি ক্ষতি হ'ল সেই ক্ষতি দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ জৰিয়তে পুৰণ কৰা হ'ব বুলি দেখিবলৈ পোৱা যায়।

মৰিগাঁও জিলাৰ কাবাডী সম্থাৰ পূৰ্ণকালীন অধিবেশন

ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২ ছেপ্তেম্বৰ ঃ ৰবিবাৰে দিনযোৱা কাৰ্যসূচীৰে মৰিগাঁও টাউন ভাড়ত মাধ্যমিক বিদ্যালয়ত মৰিগাঁও জিলা কাবাডী সম্থাৰ পূৰ্ণকালীন অধিবেশন খনি অনুষ্ঠিত হয়। জিলা সভাপতি ৰমেন নাথৰ সভাপতিত্ব সম্পাদক ৰমেশ কাকতিয়ে আত ধৰা এই অধিবেশনত পৰিবেক্ষক তথা অসম কাবাডী সম্থাৰ জেষ্ঠ্য কাৰ্যকৰ্তা আলোক তিবাৰী লগতে আন আন নিৰ্মন্ত্ৰিত অতিথি সকলে মৰিগাঁও জিলা কাবাডী সম্থাৰ সংগঠন মজবুতকৰণ আৰু খেলুৰৈসকলৰ প্ৰশিক্ষণ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। এই অধিবেশনতে ৰাইজ তথা প্ৰতিনিধি সকলৰ সৰ্ব সম্মতি ক্ৰমে জিলা কাবাডী সম্থাৰ আগন্তুক কাৰ্যকালৰ বাবে তলত উল্লেখ কৰা নাথক পুনৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰা হ'ব। ৰাইজৰ মাজত একতা অনাৰ বাবে চেষ্টা কৰিব বুলিও মন্তব্য প্ৰকাশ কৰে। সভাত ওৱাহাটী কাবাডী সম্থাৰ সভাপতি আলোক তিবাৰী আৰু পৰ্যবেক্ষক শ্ৰৱন ভাতীয়া উপস্থিত থাকি কয় যে ৰমেন নাথৰ নেতৃত্বত আগন্তুক দিনত নিশ্চিত ভাৱে এখন শক্তিশালী সমিতি গঠন কৰিব বুলি মত প্ৰকাশ কৰি তেওঁক সমিতি গঠনৰ দায়িত্ব অৰ্পন কৰে। লগতে তেওঁলোকে খেলৰ জৰিয়তে বহু লোকৰ ভবিষ্যৎ সুন্দৰকৈ গঢ়ি উঠিছে বুলি মত প্ৰকাশ কৰে। ৰমেন নাথৰ পুনৰ নিৰ্বাচন আৰু ওৱাহাটী কাবাডী সম্থাৰ শীৰ্ষ নেতৃত্বৰ লগতে বহু সংখ্যক লোকৰ উপস্থিতিয়ে খেলুৰৈ আৰু সংগঠকৰ মাজত নতুন আশা আৰু অনুপ্ৰেৰণা সঞ্চাৰ কৰা এক পৰিবেশ সৃষ্টি কৰে।

পুনৰ সভাপতিৰ দায়িত্বত ৰমেন নাথ

অৰ্পন কৰা লগতে আগন্তুক কাৰ্যকালৰ বাবে এখনি শক্তিশালী কাৰ্যবাহী সমিতিৰ নিৰ্বাচনৰ বাবে নৰ নিৰ্বাচিত সভাপতিক দায়িত্ব অৰ্পন কৰে। এই ক্ষেত্ৰত সাবোদিকে সুধা এক প্ৰশ্নত কয় যে উপস্থিত সদস্যসকলৰ একমত সিদ্ধান্তৰ ফলত মই পুনৰ বাৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰো। এই দায়িত্ব গ্ৰহণৰে অনাগত দিনত কাবাডী খেলৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি যোৱা প্ৰতিশ্ৰুতি দিয়ে। লগতে আগন্তুক কাৰ্যকালৰ বাবে জিলা কাবাডী সম্থাটি সুস্থিৰে পৰিচালনা কৰিবলৈ ৰাইজৰ সহমতত এখন শক্তিশালী সমিতি গঠন কৰা হ'ব। ৰাইজৰ মাজত একতা অনাৰ বাবে চেষ্টা কৰিব বুলিও মন্তব্য প্ৰকাশ কৰে। সভাত ওৱাহাটী কা